জয় গুৰু শঙ্কৰ

মহাপুৰুষ মাধৱদেৱ প্ৰণীত

# নাট আৰু ঝুমুৰাসমূহ

# Collection of Madhavadeva's Ankiya Nats and Jhumuras

Uploaded by the Literature Branch of Srimanta Sankaradeva Sangha

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখা সমিতিৰ দ্বাৰা উপলব্ধ

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

## কাব্যেষু নাটকং ৰম্যম্

## মহাপুৰুষ মাধৱদেৱ ঃ

মহাপুৰুষ মাধৱদেৱৰ জন্ম হয় 1489 খৃষ্টাব্দত। তেওঁৰ পিতৃৰ নাম গোবিন্দগিৰী আৰু মাতৃৰ নাম মনোৰমা। মাধৱদেৱৰ জন্মৰ সময়ত গোবিন্দগিৰীয়ে পত্নী মনোৰমাক লৈ উত্তৰ লক্ষ্মীমপুৰৰ নাৰায়ণপুৰ অঞ্চলৰ কাচিকটা নৈৰ পাৰত হৰশিঙা বৰাৰ ঘৰত আছিল। তাত চৈধ্য বছৰ মান থকাৰ পিছত দেশত আকাল হয়। তেতিয়া গোবিন্দগিৰীয়ে সপৰিয়ালে অনাই-বনাই ঘূৰি অৱশেষত হাবুং অঞ্চলৰ ঘাগৰ মাজীৰ ঘৰত এবছৰমান থাকে। ইয়াতে মাধৱৰ ভনীয়েক উৰ্ব্বশীৰ জন্ম হয়। কিছুবছৰৰ পিছত ৰৌতালৈ আহি তাতে গয়াপাণি বা ৰামদাস নামৰ কায়স্থ এজনত উৰ্ব্বশীক বিয়া দিয়ে। গোবিন্দগিৰীয়ে মাধৱক লৈ তেওঁৰ প্ৰাচীন ঘৰ বাণ্ডুকালৈ (বৰ্তমান বাংলাদেশৰ ৰংপুৰ জিলাত) যায়। তাতে মাধৱদেৱে ৰাজেন্দ্ৰ অধ্যাপকৰ টোলত অধ্যয়ন কৰে আৰু গোবিন্দগিৰীৰো মৃত্যু হয়। মাধৱদেৱে শিক্ষা সাং কৰি কিছুদিন বাণ্ডুকাৰ ৰজাৰ ঘৰত বিষয়া খাটে, কিছুদিন পাণ-তামোলৰ বেহা-বেপাৰ কৰে আৰু শেষত উজনি অসমত মাক আৰু ভনীয়েক থকা ৰামদাসৰ ঘৰলৈ ঘূৰি আহে। আহোঁতে তেওঁ বিয়াৰ মনেৰে নেঘেৰীটিঙত এজনী ছোৱালীক জোৰণ পিন্ধাইছিল; সেই সময়ত মাকৰ অসুখৰ কাৰণে গোসাঁনীলৈ ছাগ এটি আগ কৰা কথা লৈ বেলগুৰিত মহাপুৰুষ শঙ্কৰদেৱৰ লগত তুমূল তৰ্ক-যুদ্ধ লাগে; কিন্তু তৰ্কত পৰাস্ত হৈ শেষত শঙ্কৰদেৱৰ ওচৰত শৰণ লয় আৰু জোৰোনৰ কন্যা ত্যাগ কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰত শঙ্কৰদেৱৰ সহায়ক হয়। ই 1522 চন মানৰ কথা।

বৈষ্ণৱ বিদ্বেষীসকলৰ উচটনিত চুহুংমুং দিহিঙ্গীয়া ৰজাই মাধৱদেৱক ৰংপুৰ ৰাজধানীলৈ ধৰাই নি আঠমাহ কাল নজৰবন্দী কৰি ৰাখে। এনে কাৰ্যত সন্তাপ পাই মাধৱদেৱে 1546 চন মানত গুৰুজনাৰ লগতে মাক-ভনীয়েক আদিক লৈ আহোম ৰাজ্য ত্যাগ কৰে আৰু নৰনাৰায়ণৰ কামৰূপ ৰাজ্যলৈ যায়। বাটতে কাপলাৰবৰিত মনোৰমা আই ঢুকায়। মাধৱদেৱে পোনতে বৰপেটাৰ ওচৰত বাৰাদিত আৰু পিছত



গণককুছিত থাকিবলৈ লয়। তাৰপৰাই তেওঁ শঙ্কৰ-গুৰুক লগ পাবলৈ প্ৰায়ে পাটবাউসীলৈ অহা-যোৱা কৰিছিল। শঙ্কৰদেৱৰ দ্বিতীয় তীৰ্থ পৰ্যটনত তেওঁ প্ৰধান সঙ্গী আছিল।

1568 খৃঃত শঙ্কৰদেৱে মাধৱদেৱৰ ওপৰতে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ সৰ্বভাৰ দি বৈকুণ্ঠী হয়। মাধৱদেৱে সুন্দৰীদিয়াত স্থায়ী সত্ৰ পাতি গ্ৰন্থৰচনাত আৰু বৈষ্ণৱ ধৰ্ম প্ৰচাৰত মনোনিৱেশ কৰে। তেওঁৰ যত্নতেই বৰপেটা সত্ৰ স্থাপিত হয়। এই সময়ত তেওঁ বৈষ্ণৱ-ধৰ্ম-বিদ্বেষী সকলৰ উচটনিত কোচৰজা ৰঘুদেৱৰ ৰোষত পৰে। ফলত তেওঁ ৰাজ আদেশমতে হাজোত থাকিব লগীয়া হয়। কিন্তু তাতো সৰহদিন থাকিব নোৱাৰি তেওঁ কোচবিহাৰলৈ পলাই যায়। কোচৰজা লক্ষ্মীনাৰায়ণে সপৰিয়ালে মাধৱদেৱত শৰণ লয় আৰু বৈষ্ণৱ ধৰ্মক ৰাজধৰ্ম ৰূপে স্বীকৃতি দিয়ে। 1596 খৃঃত কোচবিহাৰৰ ভেলা-মধুপুৰত মাধৱদেৱ বৈকুণ্ঠী হয়।

## মাধৱদেৱৰ ৰচনাৱলী

মহাপুৰুষ শঙ্কৰদেৱৰ দৰে মাধৱদেৱেও এহাতে যেনেকৈ অসমত প্ৰতুলভাৱে বৈষ্ণৱধৰ্ম প্ৰচাৰ কৰে, আনহাতে তেনেকৈ বিবিধ ৰচনাৰাজিৰে বৈষ্ণৱ সাহিত্য সমৃদ্ধ কৰিও তোলে। শঙ্কৰদেৱৰ দৰে মাধৱদেৱো আছিল বহুমুখী প্ৰতিভাৰ আকৰ স্বৰূপ। তেওঁ একেধাৰে আছিল ধৰ্মপ্ৰচাৰক, শাস্ত্ৰজ্ঞ, সু-পণ্ডিত, কবি, সু-গায়ক, নাট্যকাৰ আৰু অভিনেতা। মাধৱদেৱৰ প্ৰতিভাৰ আন দিশ বাদ দি যদি কেৱল সাহিত্যিক অৱদানখিনিৰ কথা বিচাৰ কৰি চাওঁ তেন্তে দেখা যায় যে সেই অৱদানখিনিয়েই মাধৱদেৱৰ নাম চিৰস্মৰণীয় কৰি ৰাখিব।

মাধৱদেৱে কেতিয়াৰপৰা গীত, পদ আদি ৰচনা কৰিবলৈ লৈছিল সেই কথা স্পষ্টকৈ কোৱা টান যদিও শাক্ত মাধৱদেৱে বৈষ্ণৱ সাহিত্য ৰচনা কৰাৰ পৰা এই কথা অনুমান কৰিব পাৰি যে অন্ততঃ শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ আগলৈকে অৰ্থাৎ 1522 চনলৈকে মাধৱদেৱে ৰচনাত হাত দিয়া নাছিল। চৰিত পুথি আৰু বিভিন্ন পণ্ডিতৰ

মত চালি-জাৰি চাই অনুমান কৰিব পাৰি যে শঙ্কৰদেৱৰ জীৱদ্দশাতে অৰ্থাৎ 1568 চনৰ ভিতৰত "দধি মথন" বা "অৰ্জুন ভঞ্জন" নাট, প্ৰায়খিনি গীত ভটিমা, 'ৰাজসূয় কাব্য', 'আদিকাণ্ড ৰামায়ণ', জন্ম ৰহস্য আৰু 'নাম-ঘোষা'ৰ ভালেখিনি পদ ৰচিত হয়। অৱশ্যে জীৱনৰ ভাটী বয়সতে মাধৱদেৱে নাম-ঘোষা ৰচনা সম্পূৰ্ণ কৰে।

ৰচনাৰ গঢ় অনুসৰি থূলমূল ভাৱে মাধৱদেৱৰ ৰচনাৰাজিক এইকেইটা শ্ৰেণীত ভগাব পাৰি ঃ—

1। **অনুবাদমূলক** ঃ— আদিকাণ্ড ৰামায়ণ, নামমালিকা আৰু ভক্তি ৰত্নাৱলী। মাধৱকন্দলিৰ ৰামায়ণ আদি আৰু উত্তৰাকাণ্ড হেৰাই যোৱাত আৰু অনন্ত কন্দলিয়ে মাধৱ কন্দলিৰ ৰামায়ণ "ঢাকি তুচকৈ গুচাবৰ মন দিলত" শঙ্কৰদেৱৰ উপদেশক্ৰমে মাধৱদেৱে আদিকাণ্ড অনুবাদ কৰে।* বিষ্ণুপুৰী সন্ন্যাসীৰ মূল উক্তি 'ৰত্নাৱলী'খন হাজোৰ দ্বিজ কণ্ঠভূষণে বাৰাণসীৰ পৰা আনি শঙ্কৰদেৱক দিয়াত শঙ্কৰদেৱে পুথিখন নিজে ভাঙনি নকৰি "বৰা পোতে হন্তেহে হ'ব পাছত" বুলি কালিন্দী আইক দিয়ে আৰু সেই মৰ্মে পিছত মাধৱদেৱে সুন্দৰী দিয়াত থাকোতেই ভাঙনি কৰে। সেইদৰে মাধৱদেৱে কোচবিহাৰত থাকোতে বিৰূপাক্ষ কাজীৰ অনুৰোধত 'নাম মালিকা'ৰ পদ ভাঙনি কৰে।

2। **কাব্য** ঃ— মাধৱদেৱৰ একমাত্ৰ কাব্য 'ৰাজসূয়'। শঙ্কৰদেৱে অনন্তকন্দলিৰ মধ্যদশমৰ ভাঙনিত 'ভক্তিপৰ হ্ৰস্ব, যুদ্ধক কৰিলা দীৰ্ঘ'* বুলি অভিমত দিয়াত মাধৱদেৱে শুক্লধ্বজৰ পৃষ্ঠপোষকতাত এই কাব্যখন ৰচে। ইয়াত মাধৱদেৱৰ কবি প্ৰতিভাৰ সুন্দৰ পৰিচয় পোৱা যায়।

3। **নাটক** ঃ— মাধৱদেৱৰ নামত নখন নাটক পোৱা যায়। ইয়াৰ ভিতৰত 'অৰ্জুন-ভঞ্জন' বা 'দধিমথন' গণককুচিত আৰু 'চোৰধৰা', 'পিম্পৰা গুচোৱা', 'ভোজন বিহাৰ' আৰু 'ভূমিলুটিয়া' সুন্দৰীদিয়াত ৰচনা কৰে। 'ব্ৰহ্মামোহন', 'ভূষণ-হৰণ', 'ৰাস-ঝুমুৰা' আৰু 'কোটোৰা খেলা' নামৰ নাট কেইখনত মাধৱদেৱৰ ভণিতা থাকিলেও এই নাট কেইখন মাধৱদেৱৰ ৰচিত নহয় বুলি পণ্ডিত সকলে অনুমান কৰে। ইয়াৰ উপৰি চৰিত *

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

পুথিমতে 'নৃসিংহ-যাত্ৰা' আৰু 'ৰাম-যাত্ৰা' (বা ৰাম-ভাওনা) নামে তিনিখন নাট মাধৱদেৱে ৰচি অভিনয় কৰিছিল; কিন্তু বৰ্ত্তমানে সেই কেইখন পাবলৈ নাই।

4. **বৰগীত আৰু ভটিমা** ঃ— চৰিত পুথিমতে* শঙ্কৰদেৱ ৰচিত বাৰকুৰি গীত বনপোৰা জুয়ে পোৰাত গুৰুৰ আদশক্ৰমে মাধৱদেৱে ন-কুৰি এঘাৰটা গীত ৰচনা কৰে। অৱশ্যে পৰৱৰ্ত্তী কালত শঙ্কৰদেৱ আৰু মাধৱদেৱ ৰচিত গীতবোৰ 'বৰগীত' নামে জনাজাত হয়। মাধৱদেৱৰ বৰগীতত দাস্য আৰু বাৎসল্য ভাৱে প্ৰাধান্য লাভ কৰিছে। শিশু কৃষ্ণৰ চোৰ, চাতুৰী, জাগৰণ, চলন, খেলা আৰু নৃত্য বিষয়কো ভালেমান বৰগীত আছে। ইয়াৰ উপৰিও তেওঁ 'জয় গুৰু শঙ্কৰ সৰ্ব গুণাকৰ' নামৰ বিখ্যাত গুৰু ভাটিমাটি ৰচনা কৰে।

5. **তত্ত্বমূলক ৰচনা** ঃ— তত্ত্বমূলক ৰচনাৰ ভিতৰত সাহিত্যিক জীৱনত কীৰ্তিস্তম্ভ 'নাম-ঘোষা'ৰ উপৰিও মাধৱদেৱ 'জন্ম-ৰহস্য', 'ভক্তি-ৰত্নাৱলী' আৰু 'নাম-মালিকা' পৰে। মাধৱদেৱে প্ৰথম গ্ৰন্থ দুখনৰ কাম সুন্দৰীদিয়াত থাকোঁতে সম্পন্ন কৰে। গ্ৰন্থ কেইখনত প্ৰধানকৈ বিষ্ণুৰ মাহাত্ম্য, ব্যভিচাৰী ভক্তিৰ নিন্দা, মাধৱদেৱৰ আত্মলঘিমা আদিৰ ভাব প্ৰকাশ পাইছে। এহেজাৰ ঘোষা থকা কাৰণে 'নাম-ঘোষা', 'হেজাৰী ঘোষা' বুলিও জনাজাত। 'নাম-ঘোষা' সম্পৰ্কে ডক্তৰ বাণীকান্ত কাকতিদেৱে লিখিছে — 'নাম-ঘোষা'ত তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰধাৱমান হৈছে — 'পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তি মাহাত্ম্য"*।

উল্লিখিত গ্ৰন্থসমূহৰ বাহিৰেও মাধৱদেৱৰ নামত 'আদি চৰিত',

* উপেন্দ্ৰচন্দ্ৰ লেখাৰু, সম্পাদিত 'কথা গুৰুচৰিত', পৃ. 119

* কথা গুৰু চৰিত, পৃ. 208* কথা গুৰু চৰিত, পৃঃ 212, 213

* পুৰণি অসমীয়া সাহিত্য, 2য় তাঙৰণ, পৃঃ 65।

'অমূল্য ৰত্ন', 'গুপ্তমণি', 'গুপ্তসাৰ' আদিকৈ কেইখনমান গ্ৰন্থ পোৱা যায়। এই গ্ৰন্থকেইখন প্ৰক্ষিপ্ত নাট কেইখনৰ আৰু কিছুমান বৰগীতৰ দৰে মাধৱদেৱৰ নহয় বুলি পণ্ডিতসকলে অনুমান কৰে।

**মাধৱদেৱৰ নাট ঃ—**

অসমীয়া নাট্য সাহিত্যৰ জনক মহাপুৰুষ শঙ্কৰদেৱ। এইজনা মহাপুৰুষে 'পত্নীপ্ৰসাদ', 'কালিয়দমন', 'ৰাস-ক্ৰীড়া' বা 'কেলি-গোপাল', 'ৰুক্মিণী-হৰণ', 'পাৰিজাত-হৰণ' আৰু 'ৰাম-বিজয়' বা 'সীতা-সয়ম্বৰ' — এই ছখন নাট লিখি অসমীয়া নাট্য সাহিত্যৰ ভেটি স্থাপন কৰে। বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য এই নাটসমূহ ৰচনা কৰা হৈছিল। শঙ্কৰদেৱৰ এই আদৰ্শ অনুকৰণ কৰি তাৰাৰ প্ৰিয় শিষ্য মাধৱদেৱেও ছখন নাট ৰচনা কৰে বুলি জনা যায়। অঙ্কীয়া বাৰ-নাট অৰ্থাৎ শঙ্কৰদেৱে ছখন আৰু মাধৱদেৱে ছখন নাট ৰচনা কৰে বুলি ভক্ত-সমাজত এটি প্ৰচলিত বিশ্বাস আছে। শঙ্কৰদেৱৰ ছখন নাট সৰ্ম্পকে কাৰো দ্বিমত নাই; কিন্তু মাধৱদেৱৰ নাট কেইখন সৰ্ম্পকে আলোচনাৰ থল আছে। এতিয়ালৈকে মাধৱদেৱৰ নামত প্ৰকাশিত নাটৰ সংখ্যা হ'ল নখন। সেই নাট কেইখন হৈছে — 'অৰ্জুন-ভঞ্জন' বা 'দধি-মথন', 'চোৰধৰা', 'ভূমি লুটিয়া' (লেটোৰা), 'পিম্পৰা গুচোৱা', 'ভোজন-বিহাৰ' (বেহাৰ বা বিহাৰ), 'ব্ৰহ্মামোহন' 'ৰাস-ঝুমুৰা', 'ভূষণ-হৰণ' আৰু 'কোটোৰা-খেলা'। এই নাটকেইখনৰ প্ৰথমখনক 'যাত্ৰা' আৰু বাকী কেইখনক 'ঝুমুৰা' বোলা হৈছে। এতিয়া প্ৰশ্ন হৈছে, এই নখন নাটৰ ভিতৰত প্ৰকৃততে কোন ছখন মাধৱদেৱৰ? নহলে মাধৱদেৱে নখন নাটেই ৰচিলে নেকি?

'অৰ্জুন-ভঞ্জন', 'চোৰধৰা', 'ভূমি লেটোৰা', 'পিম্পৰা গুচোৱা' আৰু 'ভোজন বিহাৰ' এই পাঁচখন নাট যে মাধৱদেৱে ৰচিত এই বিষয়ে পণ্ডিতসকল একমত; কিন্তু মাধৱদেৱৰ ষষ্ঠখন নাট আৰু তেওঁৰ নামত প্ৰকাশিত বাকীকেইখন নাট সৰ্ম্পকে পণ্ডিতসকলৰ মাজত সন্দেহৰ অৱকাশ আছে। চৰিতপুথিত মাধৱদেৱে 'ৰাম-ভাওনা' আৰু 'গোৱৰ্ধন-



যাত্ৰা' নামৰ দুখন নাট ৰচি অভিনয় কৰাৰ উল্লেখ আছে; কিন্তু 'ৰামভাওনা' নাটখন পিছলৈ অভিনয় কৰা কঠিন হ'ব বুলি ভাবি মাধৱদেৱে পুৰি পেলায়*। 'গোৱৰ্ধন যাত্ৰা'খন* পিছত কি হ'ল এই বিষয়ে চৰিত পুথিৰ পৰা একো জানিব নোৱাৰি। এই দুখন নাটৰ উপৰি মাধৱদেৱে 'নৃসিংহ যাত্ৰা' অভিনয় কৰাৰ উল্লেখ আছে। তাত মাধৱদেৱে নৃসিংহৰ ভাও লৈছিল।'*

পিছে এই নাটখন প্ৰকৃততে কাৰ ৰচনা জানিব পৰা নাযায়। অৱশ্যে দৈত্যাৰি ঠাকুৰৰ (1574–1622) 'নৃসিংহ যাত্ৰা' নামৰ এখনি নাট আছে; কিন্তু এই নাটখন মাধৱদেৱৰ তিৰোধানৰ পিছতহে লিখা। গতিকে মাধৱদেৱে অভিনয় কৰা 'নৃসিংহ-যাত্ৰা'খন মাধৱদেৱেৰে ৰচিত বুলি অনুমান কৰিব পাৰি।

এতিয়া মাধৱদেৱৰ নামত প্ৰচলিত বাকী চাৰিখন নাট সম্পৰ্কে আলোচনা কৰা যাওঁক। কালিৰাম মেধি ডাঙৰীয়াই কেইবাটাও যুক্তি প্ৰদৰ্শন কৰি চাই নাটকেইখন প্ৰক্ষিপ্ত বুলি অভিমত দিছে। বিশেকৈ 'ৰাস-ঝুমুৰা', 'ভূষণ-হৰণ' আৰু 'কোটোৰাখেলা'ত একশৰণ ধৰ্মৰ নিৰোধ ভাব থকাত আন কোনো অবৈষ্ণৱ নাট্যকাৰে মাধৱদেৱৰ নামত লিখি প্ৰচাৰ

* 'ৰাম-ভাওনা' সৰ্ম্পকে 'কথা-গুৰুচৰিত'ত আছে — "আৰু গুৰুজনে নাট, সূত্ৰ, গীত ছোঁ কৰি পাঁচ নিশা ৰাম ভাওনা কৈলে জন্মৰ পয়ানলৈ। ....অদ্ভুত আশ্চৰ্য্য হ'ল দেখি লোকে। ....অৱসানকৈ অদ্ভুত ঈশ্বৰালি কৰ্ম দেখি মনে জিজ্ঞা কৈ বোলে, ই ভাও পাচলৈ কোনে গাব, কৰিব? এই বুলি নাট, গীত, সূত্ৰ পুৰি পেলালে। পৃঃ 409–10।

* কথা-গুৰুচৰিত, পৃঃ 433।

* 'কথা-গুৰুচৰিত'ত আছে— 'তেহে যাত্ৰা পাতি গুৰুজন (মাধৱদেৱ), হ'ল নৃসিংহ, হিৰা দলৈ হিৰণ্যক্ষ। পুৰৈ কেচুকাৰে বোলাই পাণ্ডুৰি দিছিল। উৰুত চিত কৈ চোলা ফালি শিৰত মেৰালে। প্ৰজা গিৰিসাই ভাগিল, ভাগিল বোলে মহাজনে মানুহ মাইলে। ....ঠাকুৰ আতাহে উভাতাই আনিছে, ভাওহে, ভয় নেখাবি বুলি। পৃঃ 247।

কৰে বুলি মেধি ডাঙৰীয়াই অনুমান কৰে।* যদি 'কথা-গুৰুচৰিত'ত মাধৱদেৱে 'ৰাস-ঝুমুৰা'* আৰু 'কোটোৰা-খেলা'*, 'গীত সূত্ৰ' দি ৰচনা কৰে বুলি কোৱা হৈছে। তথাপি সেই কথা বিশ্বাসযোগ্য নহয়। কিয়নো 'কথা-গুৰুচৰিত'ৰ বহুতো ঘটনা বা বৰ্ণনা শুনা কথা বা কল্পিত কথাৰ ওপৰত ভেটি কৰি ৰচা হৈছে। ই যি নহ'ক, নাট কেইখনৰ অন্তৰঙ্গ লক্ষণেও মাধৱদেৱৰ ৰচনা নহয় বুলি প্ৰমাণ কৰে। সেই লক্ষণবোৰ হ'ল—

1. এই নাট চাৰিখনত নান্দী শ্লোক আৰু নাটৰ মাজতো সংস্কৃত শ্লোক নাই; কিন্তু মাধৱদেৱৰ সন্দেহবিহীন নাটকেইখনত নান্দী শ্লোক আৰু 'অৰ্জুন-ভঞ্জন', 'চোৰধৰা', 'ভূমিলুটিয়া'ৰ মাজতো সংস্কৃত শ্লোক আছে। সংস্কৃতৰ দৰে অঙ্কীয়া নাটৰো নান্দী শ্লোক অপৰিহাৰ্য অংগ ; এনেস্থলত মাধৱদেৱ ৰচিত হোৱাহেঁতেন নাটকেইখনত নিশ্চয় নান্দী থাকিলেহেঁতেন।

2. 'ব্ৰহ্মামোহন ঝুমুৰা'ৰ কাহিনীটো 'ভোজন বিহাৰ ঝুমুৰা'ৰ কাহিনীৰ পৰিপূৰক। খুব সম্ভৱ 'ব্ৰহ্মামোহন'ৰ কাহিনীটো অসম্পূৰ্ণ যেন অনুমান কৰি পৰৱৰ্তী যুগৰ কোনো নাট্যকাৰে মাধৱদেৱৰ নামতে নাটখন লিখি সম্পূৰ্ণ কৰে। এই নাটখনত 'ভোজন বিহাৰ'ৰ ভটিমা আৰু গীত ব্যৱহাৰ কৰা হৈছে। এই কথায়ো নাটখন মাধৱদেৱৰ নহয় বুলি সন্দেহৰ সৃষ্টি

* The three spurious plays of Bhusana Harana, the Ras ghumura and the Kotora Khela offend against the tenets of the Eka-Sarana cult as preached by the Mahapurusa and we are sure he could never have written plays of such anti-Eka-Sarana creed. Some enemies of this cult of whom there were many even in those days must have written these purious plays in the name of the Mahapurusa to injure the cause of this pure and philosophic religion, 'Ankawali', Introduction. p. LXIII. (লয়াৰ্ছ, প্ৰথম প্ৰকাশ, 1997).

* কথা-গুৰুচৰিত, পৃঃ 278।

* কথা-গুৰুচৰিত, পৃঃ 238।



কৰে। কিয়নো ব্ৰহ্মামোহন মাধৱদেৱৰ ৰচিত হোৱা হলে নিশ্চয় তেওঁ বেলেগ গীত আৰু ভটিমা ব্যৱহাৰ কৰিলেহেঁতেন।

3. 'ব্ৰহ্মামোহন'ত বাদে বাকী তিনিখন নাটত ৰাধাৰ চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। মহাপুৰুষ শঙ্কৰদেৱ প্ৰৱৰ্তিত একশৰণ নাম-ধৰ্মত ৰাধা-কৃষ্ণৰ যুগল-উপাসনাৰ ব্যৱস্থা নাই। এই ধৰ্ম তথা অসমীয়া বৈষ্ণৱ সাহিত্যত ৰাধাৰ স্থান একেবাৰেই গৌণ; ৰাধা এগৰাকী সাধাৰণ গোপীহে। এনেস্থলত ৰাধাৰ চৰিত্ৰক প্ৰাধান্য দি বিশেষকৈ মাধৱদেৱে নাট ৰচাটো অসম্ভৱ যেন লাগে। 'ৰাস ঝুমুৰা'ত আকৌ ৰাধাক নায়িকা হিচাপে লৈ আদি ৰস সৃষ্টি কৰা হৈছে। শঙ্কৰদেৱৰ 'কেলি গোপাল' নামৰ একে ঘটনাযুক্ত নাট এখন থাকোঁতে মাধৱদেৱে তেনে শৃংগাৰ বিষয়ক আন এখন নাট লিখা অপ্ৰয়োজনীয় যেন লাগে। শঙ্কৰদেৱে নাটখন ভাগৱতৰ 'ৰাস পঞ্চাধ্যায়'ৰ বিৱৰণক ভেটি কৰি লিখিছে, কিন্তু 'ৰাস-ঝুমুৰা'ত ৰাস-ক্ৰীড়াৰ সম্পূৰ্ণ বিৱৰণ নাই ; এটি ক্ষুদ্ৰ অংশহে বৰ্ণিত হৈছে। মাধৱদেৱে আন ৰচনাত আদি ৰসক প্ৰাধান্য দিয়া নাই। 'ভক্ত'ই হওক বা কবিয়েই হওক, মাধৱদেৱৰ এইটো বৰ বিশেষত্ব যে তেওঁ হয় বাৎসল্য ৰস, নহয় দাস্য ভাৱৰ গৌৰৱ কীৰ্ত্তন কৰে।* সেইহে 'ৰাস ঝুমুৰা' নাটখন মাধৱদেৱৰ নহয় বুলি সহজে অনুমান কৰিব পাৰি। 'কোটোৰা খেলা ঝুমুৰা'ৰ বিষয়-বস্তু ভাগৱতৰ নহয়, ৰাধা-কৃষ্ণ-লীলা বিষয়ক 'দানখণ্ড', 'নৌকাখণ্ড' আদি গৌড়ীয় বৈষ্ণৱৰ মাজত প্ৰচলিত গীত বা কাব্যৰ পৰা এই নাটৰ বিষয়-বস্তু সংগ্ৰহ কৰা যেন লাগে।*

4. ভাষা আৰু গীতৰ ফালৰ পৰাও নাটকেইখনত সন্দেহৰ অৱকাশ আছে। 'ব্ৰহ্মামোহন ঝুমুৰা'ৰ ভটিমা আৰু গীতৰ কথা আগতে উল্লেখ কৰা হৈছে। এই নাটখনৰ দৰে 'ভূষণ-হৰণ' আৰু 'কোটোৰা খেলা'ত

* ডঃ বাণীকান্ত কাকতি ঃ পুৰণি অসমীয়া সাহিত্য, 2য় তাঙৰণ, পৃঃ 51–52।

* ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা ঃ অসমীয়া নাট্য সাহিত্য, 1ম তাঙৰণ, পৃঃ 57।* কথা-গুৰুচৰিত, পৃঃ 238।

মাধৱদেৱৰ কেইবাটাও বৰগীত ব্যৱহাৰ কৰা হৈছে। হয়তো আন নাট্যকাৰে নাটকেইখন মাধৱদেৱৰ বুলি প্ৰতিপন্ন কৰাবলৈকে এনে কৰিছিল। 'কোটোৰা খেলা'ৰ ভাষা কিছুপৰিমাণে বঙলুৱা আৰু অৰ্বাচীন। তাৰ বৰ্ণনাও মাধৱদেৱৰ আন ৰচনাৰ দৰে মাৰ্জিত ৰুচিৰ নহয়। যেনে ঃ—

(1) ঘাটেৰ মাধ্য লৈবো দান এপঞ্চ কাওন।
দণ্ডিয়া সকলে লৈবো হাতেৰ কঙ্কন।
(2) তুহু গোৱালী হামু গোৱাল।
পৰ্বত বনত খপতো কাল।।
এনুৱা কত খায়া আছে দই।
কি সোধ তোৰ মায়েৰ পৈ।।

এইদৰে নান্দী-শ্লোক, ভটিমা, গীত পদ, বিষয়-বস্তু, চৰিত্ৰ, ভাষা, ৰস, ৰুচি আদি কালৰ পৰাও উক্ত চাৰিখন ঝুমুৰা মাধৱদেৱৰ নহয়, বুলি এটা সিদ্ধান্তলৈ আহিব পাৰি। বৰগীতৰ ৰচক হিচাপে মাধৱদেৱৰ যি জনপ্ৰিয়তা আছিল খুব সম্ভৱ নাট্যকাৰ হিচাপেও তেওঁ তেনে জনপ্ৰিয়তা অৰ্জন কৰিছিল। সেই কাৰণে পৰৱৰ্ত্তী কালত যেনেকৈ বহু অজ্ঞাত গীতিকাৰে গীত ৰচনা কৰি মাধৱদেৱৰ নামত ভনিতা পেলাইছিল, তেনেকৈ হয়তো কেইজনমান অজ্ঞাত নাট্যকাৰে ঝুমুৰা শ্ৰেণীৰ নাট ৰচি আৰু তাত মাধৱদেৱৰ বৰগীত সন্নিবিষ্ট কৰি মাধৱদেৱৰ নামত প্ৰচাৰ কৰিছিল।

কালিৰাম মেধিয়ে 'গোবৰ্দ্ধন যাত্ৰা'* আৰু ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই 'ভূষণ হৰণ' কেই* মাধৱদেৱৰ ষষ্ঠখন নাট বুলি অনুমান কৰে। কিন্তু বিশেষ প্ৰমাণ নাপালে অনুমান সত্য বুলি মানি লবলৈ টান। বৰ্ত্তমান

* অঙ্কাৱলী, Introduction, p. LXX.
* অসমীয়া নাট্য সাহিত্য, পৃঃ 59।



মাধৱদেৱৰ সন্দেহবিহীন নাটকেইখন সম্পৰ্কে আলোচনা আগবঢ়োৱা হ'ল—

**মাধৱদেৱৰ নাটৰ বৈশিষ্ট্য ঃ শঙ্কৰদেৱৰ নাটৰ লগত তুলনা**

যদিও মাধৱদেৱে শঙ্কৰদেৱৰ নাটৰ আৰ্হি লৈয়ে নাট কৰিছিল, তথাপি বিষয়-বস্তু, চৰিত্ৰাঙ্কন আৰু আন আন কলা-কৌশলৰ ফালৰ পৰা তেওঁৰ নাটত পাৰ্থক্য লক্ষ্য কৰা যায়।

(1) বিষয়-বস্তু ফালৰপৰা বিচাৰ কৰিলে দেখা যায় যে, শঙ্কৰদেৱে 'ৰাম-বিজয়' বা 'সীতাস্বয়ম্বৰ' নাটৰ বিষয়-বস্তু ৰামায়ণৰ আদিকাণ্ড আৰু হনুমান্নাটকৰ পৰা আৰু বাকী কেইখন নাটকৰ বিষয়-বস্তু ভাগৱত, হৰিবংশ আৰু বিষ্ণুপুৰাণৰ পৰা লৈছে। 'পত্নীপ্ৰসাদ'ৰ বাহিৰে বাকীকেইখন নাটত কাহিনী গহীন আৰু বিস্তৃত। 'কেলি-গোপাল'ত শঙ্খচূড়-বধৰ আখ্যানটো আৰু 'কালিয়দমন'ত বনাগ্নিপানৰ ঘটনাটো নাটকীয় কাহিনীৰ প্ৰকৃত পৰিসমাপ্তিৰ পিছতো মূলত থকা বাবে উপৰুৱাকৈ সন্নিৱিষ্ট কৰা হৈছে। মাধৱদেৱে 'অৰ্জুন-ভঞ্জন' আৰু 'ভোজন বিহাৰ' নাটৰ মূল কাহিনী ভাগৱতৰ পৰা লৈছে। 'চোৰধৰা', 'পিম্পৰা-গুচোৱা', আৰু 'ভূমি লুটিয়া'ৰ মূল বিষয় ভাগৱত নহয় ; মাধৱদেৱে বৈষ্ণৱকবি বিল্বমঙ্গল বা লীলাশুকৰ 'কৃষ্ণকৰ্ণামৃত' বা 'কৃষ্ণস্তোত্ৰ' গ্ৰন্থৰ পৰা লৈ তাত কল্পনাৰ ৰহন সানি নাটকীয় ৰূপ দিছে। কাহিনীও চমু। এদিন বা এবেলাৰ ঘটনাহে আছে। শঙ্কৰদেৱৰ নাটৰ দৰে কাহিনীৰ বিস্তৃতি নাই। নাটবোৰ পৰিস্থিতি প্ৰধান।

(2) শঙ্কৰদেৱৰ নাটবোৰ যেনেকৈ কলেবৰত ডাঙৰ, তেনেকৈ নাটকীয় চৰিত্ৰৰ সংখ্যাও মাধৱদেৱৰ নাটতকৈ অধিক। শঙ্কৰদেৱৰ নাটত শ্ৰীকৃষ্ণ আৰু ৰামৰ বীৰত্ব, পৌৰুষত্ব আৰু পৰম লীলা প্ৰকাশ পাইছে। কালীনাগৰ ওপৰত নৃত্য, বনাগ্নিপান, আদি ঘটনাৰ যোগেদি শ্ৰীকৃষ্ণৰ চৰিত্ৰত অতি মানৱীয় গুণ আৰোপ কৰা হৈছে। সেইদৰে 'ৰামবিজয়'ত ৰামৰ হৰধনু-ভঙ্গ কাৰ্যত অতি মানৱীয় শক্তি প্ৰকাশ পাইছে। 'পত্নীপ্ৰসাদ' আৰু 'কালিয়দমন'ৰ বাহিৰে বাকীকেইখনত যুৱক কৃষ্ণৰ অথবা ৰামৰ

কাৰ্যকলাপ প্ৰকটিত হৈছে। মাধৱদেৱৰ আটাইকেইখনৰ নাটৰ নায়ক শিশু কৃষ্ণ। নাট কেইখনত প্ৰধানকৈ শিশুকৃষ্ণৰ চোৰ-চাতুৰী, টেঙৰালি আদি সুন্দৰভাৱে দেখুওৱা হৈছে। 'অৰ্জুন ভঞ্জন'ত যশোদাই কৃষ্ণক ৰচীৰে বান্ধিৱ খোজাত বাৰে বাৰে দুআঙুলৰ কাৰণে ৰচী চুটি হোৱা আৰু কৃষ্ণই যঁজা অৰ্জুন গছজোপা উভালি পেলোৱা ঘটনাৰ মাজেদি কৃষ্ণৰ চৰিত্ৰত অলৌকিকত্ব প্ৰকাশ পাইছে। অৱশ্যে এইটো ঠিক যে দুয়োজনা মহাপুৰুষৰ নাটৰ কলেবৰ সৰু আৰু কাহিনী চমু কাৰণে নাটকীয় চৰিত্ৰবোৰ সম্পূৰ্ণভাৱে পৰিস্ফুট হোৱা নাই। মাধৱদেৱৰ একোখন নাটত শিশু কৃষ্ণৰ বাল্যকালৰ একো একোটি ঘটনা দেখুওৱা হৈছে মাত্ৰ। অৱশ্যে ভগৱান শ্ৰীকৃষ্ণৰ মানৱী লীলাৰ অন্তৰালত যে ঐশ্বৰিক শক্তি নিহিত হৈ আছে নাট্যকাৰে তাকো দেখুৱাবলৈ যত্ন কৰিছে।

(3) ভাষাৰ পিনে মন কৰিলে দেখা যায় যে, শঙ্কৰদেৱৰ নাটতকৈ মাধৱদেৱৰ নাটত ব্ৰজবুলি শব্দবোৰই ব্যৱহাৰ কম, পুৰণি অসমীয়া শব্দৰে ব্যৱহাৰ বেছি। তদুপৰি শঙ্কৰদেৱৰ ৰচনাত 'তৎসম' শব্দ আৰু মাধৱদেৱৰ ৰচনাত 'তদ্ভৱ' শব্দৰ অধিক প্ৰয়োগ দেখা যায়। উদাহৰণ স্বৰূপে —

"হে পৰমেশ্বৰ জগত-নিবাসা।
হামু নাৰদ তুয়া দাসকু দাসা।।
ভৰমো দিশ দশ তুয়া যশ গায়া।
হামাকু আগু কৰসি ওহি মায়া।।"

(শঙ্কৰদেৱ ঃ পাৰিজাত-হৰণ নাট)

'মোৰ ঘৰে কেনো তুমি বোলয় গুৱালী।
বলাইৰ কনিষ্ঠ মঞি বোলে বনমালী।।
গোপী বোলে এথা তুমি আইলা কি কাৰণে।
মোৰ ঘৰ বুলি আইলো বোলেনাৰায়ণে।।

(মাধৱদেৱ ঃ পিম্পৰা গুচোৱা ঝুমুৰা)

[4) সংলাপৰ ক্ষেত্ৰতো পাৰ্থক্য লক্ষ্য কৰা যায়। শঙ্কৰদেৱৰ সংলাপবোৰ গুৰু গম্ভীৰ ; তৎসম আৰু ব্ৰজবুলি শব্দৰ ব্যৱহাৰে সংলাপবোৰ বেছি



গহীন কৰি তুলিছে। আনহাতে মাধৱদেৱৰ নাটৰ বিষয়-বস্তু যেনে লঘু, তেনেকৈ সংলাপবোৰ ঘৰুৱা বিষয়-বস্তু লগত খাপ খোৱাকৈ ঘৰুৱা কথাৰ দৰে সহজ সৰল আৰু আকৰ্যনীয়।

(5) নাটকীয় কলা-কৌশলৰ ফালৰপৰাও দুয়োজনাৰ নাটত পাৰ্থক্য পৰিলক্ষিত হয়। শঙ্কৰদেৱৰ নান্দী শ্লোকবোৰ স্বৰচিত। 'পত্নীপ্ৰসাদ'ত এফাঁকি আৰু বাকী কেইখনত দুফাঁকিকৈ নান্দী শ্লোক আছে। মাধৱদেৱৰ নাটৰ নান্দীশ্লোকবোৰ স্বৰচিত নহয় ; প্ৰায় কেইখন নাটতে বিল্বমঙ্গলৰ 'কৃষ্ণকৰ্ণামৃত' গ্ৰন্থৰ শ্লোককে নান্দী হিচাপে ব্যৱহাৰ কৰিছে। 'অৰ্জুন-ভঞ্জন', 'পিম্পৰা-গুচোৱা', 'ভোজন বিহাৰ'ত দুফাঁকিকৈ আৰু 'চোৰধৰা', 'ভূমি-লুটিয়া'ত এফাঁকিকৈ নান্দী আছে। সন্দেহযুক্ত নাটকেইখনৰ নান্দী শ্লোকেই নাই। শঙ্কৰদেৱৰ প্ৰায় কেইখন নাটতে নান্দীৰ পিছত ক্ৰমে প্ৰৰোচনা, ভটিমা, আমুখ আৰু প্ৰস্তাৱনা আছে। প্ৰস্তাৱনাৰ পিছতহে মূল নাট আৰম্ভ হৈছে। 'কেলি-গোপাল', 'ৰুক্মিণী-হৰণ' আৰু শ্ৰীৰামবিজয়'ত নান্দীৰ পিছত একোটাকৈ, নান্দী গীত বা প্ৰৱেশ গীত আছে। মাধৱদেৱৰ নাটত এইবোৰ সম্পূৰ্ণ প্ৰয়োগ হোৱা নাই। নান্দী-গীত আৰু প্ৰৰোচনাৰ ব্যৱহাৰ একেবাৰেই নাই। ভটিমাও কেৱল 'ভোজন বিহাৰ'তহে এটি আছে।

যদিও অঙ্কীয়া নাটত আৰম্ভণিৰপৰা শেষলৈকে সূত্ৰধাৰ মঞ্চত থাকে, তথাপি সংস্কৃত নাটকক অনুকৰণ কৰি শঙ্কৰদেৱ আৰু আন দুজন নাট্যকাৰৰ নাটত আমুখ আৰু প্ৰস্তাৱনাৰ পিছতেই "ইতি সূত্ৰ ঃ নিষ্ক্ৰান্তঃ" বাক্য প্ৰয়োগ কৰা হৈছে। কিন্তু মাধৱদেৱে এই বাক্যৰ প্ৰয়োগ কৰা নাই। শঙ্কৰদেৱে 'পত্নীপ্ৰসাদ'ৰ বাহিৰে বাকী কেইখন নাটৰ মাজে মাজে স্বৰচিত সংস্কৃত শ্লোক ব্যৱহাৰ কৰিছে আৰু এই শ্লোকবোৰৰ যোগেদি নাটকীয় কাহিনী আগবঢ়াই নিয়া হৈছে। নাটৰ প্ৰতিপাদ্য বিষয় এই শ্লোকবোৰৰ মাজতে নিহিত হৈ আছে* আৰু ইবোৰে নাটকীয় গাম্ভীৰ্য আৰু সৌন্দৰ্য

* অঙ্কাৱলী, Intro. p. XXIII.

বড়োৱাত সহায় কৰিছে। মাধৱদেৱৰ নাটৰ মাজত তেনে শ্লোক নাই বুলিবই পাৰি। 'অৰ্জুন-ভঞ্জন', 'চোৰধৰা', 'ভূমি লুটিয়া' আৰু 'ভোজন বিহাৰ'ত যি দুই এটি শ্লোক আছে প্ৰায়বোৰেই বিল্বমঙ্গলৰহে, 'পত্নীপ্ৰসাদ'ৰ বাহিৰে শঙ্কৰদেৱৰ বাকীকেইখন নাটত মুক্তিমঙ্গল ভটিমা আছে। 'ৰুক্মিণী-হৰণ', 'পত্নীপ্ৰসাদ' আৰু শ্ৰীৰামবিজয়' নাটৰ মাজতো ভটিমা আছে। মাধৱদেৱৰ নাটত মাজৰ ভটিমা আৰু মুক্তিমঙ্গল ভটিমা নাই। শঙ্কৰদেৱৰ নাটৰ আৰম্ভণি ভটিমা আৰু মুক্তিমঙ্গল-ভটিমাবোৰ বৰ দীঘলীয়া, ভাব-গধুৰ আৰু সাহিত্যিক সৌন্দৰ্যৰে মণ্ডিত। ভগৱান শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ বিভিন্ন কাৰ্যাৱলী আৰু ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেই ভটিমাবোৰ ৰচা হৈছিল ; কিন্তু এই ভটিমাবোৰৰ লগত মূল নাটকীয় বিষয়বস্তুৰ সম্বন্ধ বৰ কম। নাটকৰ কাহিনীৰ ফালৰপৰাও প্ৰয়োজনীয় নহয়। মাধৱদেৱে কিন্তু নাটকীয় প্ৰয়োজনীয়তা আৰু কাহিনীৰ সম্বন্ধলৈ সততে লক্ষ্য ৰাখিছিল। সেয়েহে তেওঁ 'ভোজন বিহাৰ'ত বাহিৰে বাকী কেইখন নাটত ভটিমা পৰিহাৰ কৰিছে।

(6) দুয়োজনাৰ নাটতে গীতৰ প্ৰাচুৰ্য মন কৰিব লগীয়া। গীতবোৰে আকৰ্ষণ আৰু কাব্যিক সৌন্দৰ্য বঢ়াইছে। অঙ্কীয়া নাট চুটি যদিও গীতবোৰ যথাবিহিত তাল, মান, নৃত্যাদিৰ যোগেদি গোৱা বাবে অভিনয়ত বহু সময় লয়। গীত প্ৰধান কাৰণে অঙ্কীয়া নাটক 'গীত-নাট' বুলিও ক'ব পাৰি।

(7) অঙ্কীয়া নাটত সূত্ৰধাৰৰ চৰিত্ৰটো অপৰিহাৰ্য। শঙ্কৰদেৱৰ নাটত সূত্ৰধাৰৰ চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। সেই হিচাপে চৰিত্ৰবোৰ সূত্ৰধাৰৰ হাতৰ পুতলা হৈছে বুলি ক'ব পাৰি। মাধৱদেৱৰ নাটত সূত্ৰধাৰে মুখ্যস্থান পোৱা নাই ; চৰিত্ৰইহে প্ৰধান অংশ গ্ৰহণ কৰিছে।

(8) নামকৰণৰ ফালৰ পৰাও দুয়োৰে নাটত পাৰ্থক্য দেখা যায়। শঙ্কৰদেৱৰ নাটবোৰক যাত্ৰা, নৃত্য, নাট, অঙ্ক, নাইবা নাটক বোলা হৈছে। কিন্তু মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ত বাহিৰে বাকী কেইখনক 'ঝুমুৰা' বোলা হৈছে। 'অৰ্জুন-ভঞ্জনে'ই হৈছে একমাত্ৰ যাত্ৰা বা নাট। শঙ্কৰদেৱৰ নাটবোৰৰ দৰে 'অৰ্জুন-ভঞ্জন'ৰে কাহিনী কিছু পৰিমাণে দীঘলীয়া কাৰণেই বোধকৰো এই নাম দিয়া হৈছে। কিন্তু মাধৱদেৱৰ বাকী নাটবোৰৰ কাহিনী চমু, স্ত্ৰী-চৰিত্ৰ আৰু নৃত্য-গীত প্ৰধান। সিবোৰত একোটি খণ্ড-ঘটনাহে পোৱা যায়। সেইহে ইয়াৰ নাম ৰখা হৈছে ঝুমুৰা।

(9) শঙ্কৰদেৱৰ নাটবোৰ বহু চৰিত্ৰযুক্ত ; কিন্তু মাধৱদেৱৰ নাটবোৰত কম সংখ্যক চৰিত্ৰ থকা কাৰণে অভিনয়ৰ কাৰণে বেছি সুবিধাজনক। নাটৰ কলেবৰ, চৰিত্ৰ আৰু দৃশ্যৰ সংখ্যাৰ ফালৰপৰা মাধৱদেৱৰ নাটবোৰৰ লগত আধুনিক একাঙ্কিকাৰ সাদৃশ্য অনুমান কৰিব পাৰি। অৱশ্যে আধুনিক একাঙ্কিকাৰ দৰে ইয়াত দৃশ্য-বিভাগ নাই আৰু কলা-কৌশলৰ ক্ষেত্ৰতো মৌলিক পাৰ্থক্য আছে।

(10) বিষয়-বস্তুৰ ক্ৰম পৰিণতিলৈ চাই শঙ্কৰদেৱৰ পূৰ্ণাঙ্গ কাহিনীযুক্ত নাটকেইখনত সংস্কৃত নাটকৰ দৰে পঞ্চ-অৱস্থা (আৰম্ভ, প্ৰয়ত্ন, প্ৰাপ্ত্যাশা, নিয়তাপ্তি, ফলাগম) আৰু পঞ্চ সন্ধিৰ (মুখ, প্ৰতিমুখ, গৰ্ভ, ৱিমৰ্শ আৰু নিৰ্বহণ) অৱস্থান অনুমান কৰি ল'ব পাৰি। কিন্তু মাধৱদেৱৰ নাটকেইখন কলেবৰত সৰু সিবোৰত কোনো খণ্ড ঘটনাইহে নাট্য বস্তু হিচাপে ৰূপ লৈছে। 'চোৰধৰা', 'পিম্পৰা-গুচোৱা' আদি নাটত এদিন বা এবেলাৰ ঘটনাহে পোৱা যায় ; এটি পূৰ্ণ কাহিনী পাবলৈ নাই।

(11) ৰস সৃষ্টিৰ ফালৰ পৰাও দুয়োজনৰ নাটত পাৰ্থক্য লক্ষণীয়। এইটো ঠিক যে দুয়োজনা মহাপুৰুষে আনকি পৰৱৰ্তী যুগৰ বৈষ্ণৱ নাট্যকাৰ সকলেও জনসাধাৰণৰ মাজত ভক্তিভাব জগাই তোলাৰ উদ্দ্যেশ্যহে আন আন গ্ৰন্থৰ দৰে নাটসমূহ ৰচনা কৰিছিল ; কিন্তু ইয়াৰ কাৰণে প্ৰয়োজন হৈছিল — শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ বিবিধ কাৰ্যাৱলীৰ যোগেদি মহিমা প্ৰদৰ্শন। এই উদ্দেশ্যে বিভিন্ন নাটত বিবিধ ৰস সৃষ্টি কৰা হৈছে হৈছিল। শঙ্কৰদেৱে 'কালিয়দমন'ত ভয়ানক আৰু কৰুণ, 'কেলিগোপাল'ত শৃংগাৰ, 'পাৰিজাত-হৰণ'ত বীৰ, হাস্য বীভৎস, 'পত্নীপ্ৰসাদ'ত অদ্ভুত, 'ৰুক্মিণী-হৰণ'ত শৃংগাৰ আৰু বীৰ ৰস প্ৰধানকৈ সৃষ্টি কৰিছে। মাধৱদেৱৰ আটাইকেইখন নাটতে প্ৰধানকৈ হাস্যৰসে প্ৰাধান্য লাভ কৰিছে। দুই এখনত অদ্ভুত আৰু কৰুণ ৰসেও ভুমুকি নমৰাকৈ থকা নাই। অৱশ্যে এইটো ঠিক যে পাঠক

বা দৰ্শকৰ মাজত ভক্তি-ভাব প্ৰচাৰ কৰাটোৱে নাট ৰচনাই ঘাই উদ্দেশ্য। (12) মাধৱদেৱৰ নাটবোৰ এটি অঙ্কযুক্ত। নাটৰ ভিতৰতো কোনো দৃশ্য-বিভাগ নাই। এটি দৃশ্যৰ পিছত আন এটি দৃশ্য দেখুৱাব লগা হলে দৃশ্য-পৰিৱৰ্ত্তনৰ কথাখিনি সূত্ৰধাৰে বুজাই দিয়ে। উদাহৰণ স্বৰূপে 'চোৰধৰা' নাটৰ কথা উল্লেখ কৰিব পাৰি। এপিনে কৃষ্ণই গোপীসকলৰ মাজত নাচি আছে আৰু আনপিনে যশোদাই কৃষ্ণক যমুনাৰ পাৰে বিচাৰি ফুৰিছে। এই দুটি দৃশ্যৰ বিভাগ সূত্ৰধাৰে মাজে বুজাই দিছে এনেদৰে—

।। সূত্ৰ।। "ওহি পৰকাৰে শ্ৰীকৃষ্ণ ঃ গোপিসৱক মনোৰথ পুৰিয়ে ঃ আনন্দে তথি থিক ঃ তদনন্তৰে ঃ জযোৱা আপোন বালক পুত্ৰক ঘৰে নাহি পেখিয়ে ঃ পুত্ৰ স্নেহে আকুল হুয়া ঃ যমুনাৰ তিৰে তিৰে চায়া বেড়াইতে ঃ জৈচে পথিক জনত বাত পুচত ঃ তা দেখহ সুনহ ঃ"

এইদৰে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ নাটসমূহ বিচাৰ কৰি চালে এই সিদ্ধান্তলৈ আহিব পাৰি যে মাধৱদেৱে নাট ৰচনাত গুৰুজনাক সম্পূৰ্ণভাৱে অনুকৰণ কৰা নাছিল। শঙ্কৰদেৱৰ আৰ্হিত একমাত্ৰ 'অৰ্জুন-ভঞ্জন' খনহে ৰচা বুলি ক'ব পাৰি। তাতো ভালেখিনি অমিল দেখা যায়। শঙ্কৰদেৱৰ দৰে মাধৱদেৱৰ নাটসমূহো নিজ বৈশিষ্টেৰে মহিমামণ্ডিত। এইদৰে মাধৱদেৱে শঙ্কৰদেৱৰ নাট ৰচনাৰ ৰীতি হুবহু অনুকৰণ নকৰি নতুন পদ্ধতিৰে নাট লিখি পিছলৈ এটি আদৰ্শ থৈ গ'ল ; সেয়ে হ'ল — পৰৱৰ্ত্তী নাট্যকাৰসকলে জানিব পাৰিলে যে, শঙ্কৰদেৱৰ নাটকীয় কলা-কৌশলসমূহ হুবহুকৈ অনুকৰণ নকৰাকৈও অঙ্কীয়া নাট ৰচিব পাৰি। প্ৰকৃততে পৰৱৰ্ত্তী নাট্যকাৰসকলে তাকেই কৰিছিল।

## নাটকৰ শ্ৰেণী বিভাগ ঃ

নাট আৰু যাত্ৰা — 'নাট' শব্দ সম্পৰ্কে আলোচনা প্ৰসঙ্গত কালিৰাম মেধি ডাঙৰীয়াই কৈছে* যে অসমীয়া (অঙ্কীয়া) নাটত সংস্কৃত নাটক আৰু নাটিকাৰ কিছু পৰিমানে প্ৰভাৱ নাথাকিলেও অসমীয়া নাটে কিন্তু সংস্কৃত নাটক বা নাটিকাৰ নিয়ম ৰক্ষা কৰা নাই। প্ৰচলিত প্ৰথা

* অঙ্কাৱলী, Intro pp. XXXVII & XXXVIII.

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

মতে সংস্কৃত নাটকৰ বিষয়-বস্তু লোৱা হয় পুৰাণ নাইবা মহাকাব্যৰপৰা। পঞ্চ-সন্ধি আৰু পাচোঁটাৰ পৰা দহোটালৈ অঙ্ক থাকে। নৱৰসৰ ভিতৰত শৃংগাৰ নাইবা বীৰ ৰস প্ৰধান ; নায়ক ৰজা, দেৱতা, ৰাজৰ্ষি আৰু নাটকৰ পৰিণতি সুখদায়ক হ'ব লাগিব। কিন্তু নাটকৰ বিষয়-বস্তু কোনো প্ৰচলিত কাহিনী বা পৌৰাণিক গ্ৰন্থৰ পৰা ন'লৈ নাট্যকাৰে নিজে ৰচনা কৰে। ইয়াৰ নায়ক আনন্দচিতীয়া আৰু আত্মসংযমী ৰজা হ'ব লাগে। অঙ্কৰ সংখ্যা সাধাৰণতে চাৰিটা থাকে। ই শৃংগাৰ ৰস প্ৰধান আৰু গীত-বাদ্য আদিয়ে ইয়াত প্ৰাধান্য লাভ কৰে।

সংস্কৃত নাটক বা নাটিকাৰ লক্ষণসমূহৰ লগত তুলনা কৰি চালে দেখা যায়, যে অঙ্কীয়া নাটসমূহে সংস্কৃত নাটক-নাটিকা একোৰে নিয়ম হুবহুকৈ কৈ মানি চলা নাই। তীৰ্থনাথ শৰ্মা ডাঙৰীয়াই যথাযথ মন্তব্য দিছে যে* "নাটক শব্দটিৰ লগত নাটৰ কোনো সম্পৰ্ক নাই। 'নাট' শব্দ নাটকৰ পৰা ওলোৱা নাই। নাট্য শব্দৰ পৰাও নহয়। নাট শব্দৰ গুৰি হৈছে বৈদিক নৰ্ত্ত ..... নাট মানে নাচ-গান অথবা দুজনমান ভাৱৰীয়াৰ নাচ-গানৰ মাজেদি কোনো কাহিনীৰ বৰ্ণনা বুজিব লাগিব।" পুৰণিনাটবোৰতো কাহিনীৰ লগতে নাচ-গানটো প্ৰাধান্য মন কৰিবলগীয়া। ই যি নহ'ক, অসমীয়া ভাষাত নাট আৰু নাটক শব্দ দুটিৰ পাৰ্থক্য ৰখা হোৱা নাই। আনকি মহাপুৰুষ শঙ্কৰদেৱেও একে অৰ্থতে দুয়োটা শব্দ ব্যৱহাৰ কৰিছে।*

* পদ্মেশ্বৰ গগৈ সম্পাদিত 'চিন্তাকোষ', 1ম তাঙৰণ, পৃঃ 118 আৰু 129।

* শঙ্কৰদেৱৰ 'কেলিগোপাল' 'নাট'ত মুক্তিমঙ্গল ভটিমাত কৈছে—

শ্ৰীৰাম ৰায়া      হৰিকো পৰমা<br>
ভকতি ৰসিক সুজানা।<br>
কেলি গোপাল      কৰাৱত নাটক<br>
কৃষ্ণ কিঙ্কৰ ওহি ভাণ।।

'ৰাম-বিজয়' নাটৰ মুক্তিমঙ্গল' ভটিমাত আছে—

"শ্ৰীশুক্লধ্বজ" নৃপতি প্ৰধানা।।<br>
ৰামক বিজয় যো কৰাৱত নাট।

# যাত্ৰা বা ঝুমুৰা ঃ

**যাত্ৰাঃ** শব্দই মূলতঃ ধৰ্ম সম্পৰ্কীয় শোভাযাত্ৰা আৰু পিছত গীতি নাট্যানুষ্ঠান বুজাইছিল। প্ৰাচীন কালত কোনো কোনো লোকে ধৰ্মানুষ্ঠান বা আন উৎসৱৰ লগত খাপ খোৱাকৈ মুখে মুখে কিছুমান গীত ৰচনা কৰি নৃত্যৰ লগত গাইছিল আৰু গানৰ মাজে মাজে সংলাপ ব্যৱহাৰ কৰিছিল। সেইসময়ত যাত্ৰাৰ কাৰণে কোনো গ্ৰন্থ ৰচিত হোৱা নাছিল ; কিন্তু পৰৱৰ্ত্তী যুগত 'যাত্ৰা' শব্দই মৌলিক অৰ্থটো নুবুজাই নাট বা নাটক অৰ্থকে বুজোৱা হ'ল। শঙ্কৰদেৱেও নাট্ বা নাটকক কেতিয়াবা যাত্ৰাও বুলিছে। উদাহৰণ স্বৰূপে 'কালিয়দমন'ক আৰম্ভনিতে যাত্ৰা আৰু মুক্তিমঙ্গল ভটিমাত নাটক বোলা হৈছে। কেতিয়াবা নাটক, যাত্ৰা আদি অৰ্থতে 'নৃত্য' শব্দৰে প্ৰয়োগ কৰা হৈছে। উদাহৰণ স্বৰূপে 'কেলিগোপাল' আৰু 'ৰুক্মিণী-হৰণ' নাটৰ আমুখ, আৰু প্ৰস্তাৱনাত 'নৃত্য' শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। এনে অৰ্থতে চৰিত পুথিত 'অঙ্ক' আৰু ঝুমুৰা বোলা হৈছে।

**ঝুমুৰা** ঃ— নাট বা যাত্ৰাৰ দৰে ঝুমুৰাও এক প্ৰকাৰ নাটক। কিন্তু ই কলেবৰত সৰু আৰু ইয়াত এটি সম্পূৰ্ণ কাহিনী পোৱা নাযায়। এটি খণ্ড বা ক্ষুদ্ৰ কাহিনী গীতৰ মাজেদি বৰ্ণনা কৰা হয়। ই নৃত্যগীত প্ৰধান। গীতবোৰৰ অৰ্থ ব্যাখ্যা কৰিবৰ বাবে সূত্ৰধাৰ আৰু অভিনেতাসকলৰ সংলাপত গদ্য ব্যৱহাৰ কৰা হয়।

কালিৰাম মেধিয়ে ঝুমুৰি নামৰ এক প্ৰকাৰ ৰাগৰ লগত ঝুমুৰাৰ সম্বন্ধ থকা বুলি অনুমান কৰিছে।* বিদাপতি ঠাকুৰৰ পদাৱলীতো 'ঝুমুৰি' নামৰ গীত পোৱা যায়। এই গীত কেইবাগৰাকী তিৰোতাই সমস্বৰে গায়। 'সঙ্গীত দামোদৰ' গ্ৰন্থতো 'ঝুমুৰি' নামৰ এক প্ৰকাৰ ৰাগিনীৰ উল্লেখ

* অঙ্কাৱলী, Intro, p. XLIV.

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

আছে। চোটনাগপুৰ জিলা আৰু উৰিষ্যাৰ কোনো কোনো অঞ্চলৰ তিৰোতাই মণ্ডলাকাৰে বা শাৰী পাতি কৰা নৃত্য-গীতকো ঝুমুৰ বোলা হয়। পণ্ডিত তীৰ্থনাথ শৰ্মাৰ মতে "ঝুমুৰ শব্দই প্ৰথমে তিৰোতাৰ বৃন্দ নৃত্য (group dance) আৰু পিছলৈ তিৰোতাই প্ৰধান অংশ লোৱা চুটি (নাটকীয়) অনুষ্ঠানক বুজোৱা হ'ল।"* পুৰণি অসমীয়াত 'ঝুমুৰি' বুলি আঠ আখৰীয়া চৰণযুক্ত এক প্ৰকাৰ ছন্দ আছে। মাধৱদেৱে ঝুমুৰা ছন্দৰ চৰণবোৰো ঝুমুৰিৰ দৰে চুটি চুটি।

ঝুমুৰাৰ প্ৰকৃত সংজ্ঞা দিয়া টান। তথাপি ওপৰৰ আলোচনাৰ পৰা ঝুমুৰাৰ লক্ষণবোৰ এনেদৰে নিৰ্ণয় কৰিব পাৰি ঃ—

(1) ই এক প্ৰকাৰ চুটি নাট। ইয়াত এটি বিস্তৃত কাহিনী নাথাকে। এটি ক্ষুদ্ৰ অন্যান্য এবেলা বা এদিনৰ ঘটনা নাইবা সামান্য পৰিস্থিতিক লৈ নাটৰ কাহিনীটো সজোৱা হয়। এই ফালৰপৰা ইয়াক আধুনিক একাঙ্কিকাৰ লগত ৰিজাব পাৰি যদিও কলা-কৌশলৰ ক্ষেত্ৰত কিছুমান পাৰ্থক্য লক্ষ্য কৰা যায়।

(2) ই নৃত্য-গীত প্ৰধান নাট আৰু ইয়াৰ সৰহখিনি গীত ঝুমুৰিৰ দৰে চুটি ছন্দত ৰচিত।

(3) ইয়াত নাৰী-চৰিত্ৰই প্ৰাধান্য লাভ কৰিছে। মাধৱদেৱৰ ঝুমুৰা কেইখনৰ নায়ক শ্ৰীকৃষ্ণ হ'লেও নাৰী চৰিত্ৰৰ সংখ্যাই অধিক।

(4) ঝুমুৰ গীত শৃঙ্গাৰ ৰসাত্মক যদিও মাধৱদেৱৰ 'ৰাস-ঝুমুৰা'ত বাহিৰে বাকী ঝুমুৰাত শৃঙ্গাৰ ৰস বিৰল ; বৰং হাস্য ৰস প্ৰধান বুলিয়ে ক'ব পাৰি।

ঝুমুৰাৰ সংজ্ঞা নিৰ্ধাৰণৰ পিছত মাধৱদেৱৰ 'চোৰধৰা', 'পিম্পৰা-গুচোৱা' আদি নাটবোৰক ঝুমুৰা বোলাৰ কাৰণ সহজে জানিব পাৰি। 'অৰ্জুন-ভঞ্জন'ত বাহিৰে বাকীবোৰ নাট কলেবৰত সৰু। সেইবোৰ সম্পূৰ্ণ বিস্তৃত কাহিনী এটি পোৱা নাযায়। এওঁৰ নাট কেইখনত ঘটনা প্ৰৱাহ নাই, সিবোৰ পৰিস্থিতি প্ৰধান। শ্ৰীকৃষ্ণৰ এদিন বা এবেলাৰ চোৰ-চাতুৰীপূৰ্ণ কাৰ্যকে নাটবোৰৰ পৰা দিয়া হৈছে। সম্ভৱ পৰিসৰ কমাবৰ

* B. Kakati, ed. : Aspects of Early Assamese Literature, p. 161.

বাবে মাধৱদেৱৰ নাটবোৰত প্ৰস্তাৱনা, প্ৰৱেশ-শ্লোক, পয়াৰ আৰু মুক্তিমঙ্গল ভটিমা দিয়া নাই। 'ভোজন বিহাৰ'তহে আৰম্ভণি ভটিমা আছে। শ্লোকৰ সংখ্যাও নিচেই তাকৰ। নাটকৰ মাজৰ কাহিনীসূচক শ্লোক 'অৰ্জুন-ভঞ্জন'ত পাঁচোটা আৰু 'চোৰধৰা', 'ভোজন বিহাৰ' আৰু 'ভূমি লেটোৱা'ত একোটিকৈ আছে।

মাধৱদেৱৰ এই নাটকেইখন নৃত্য-গীত প্ৰধান। নাট্যকাৰে কাহিনীৰ মাজত য'তে সুবিধা পাইছে, তাতেই নৃত্য-গীত সুমাই দিছে।

নাটকেইখন নাৰী চৰিত্ৰ প্ৰধান। নাটকেইখনৰ, নায়ক শিশুকৃষ্ণ যদিও আনবোৰ প্ৰধান চৰিত্ৰ গোপীসকলহে। 'চোৰধৰা'ত গোপীয়ে কৃষ্ণক মাখন-চোৰ ধৰিছে আৰু যশোদাই আহি গোপীসকলক গালি-শপনি পাৰি কৃষ্ণক মোকলাই দিছে। সেইদৰে 'পিম্পৰা গুচোৱা'তো শ্ৰীকৃষ্ণই পৰুৱা গুচোৱাৰ ছলেৰে মাখন খাইছে আৰু তাৰ ফলত গোপী আৰু যশোদাই কৃষ্ণক তিৰস্কাৰ কৰিছে।

মাধৱদেৱৰ নাটকেইখনত শিশুকৃষ্ণৰ চোৰ-চাতুৰীৰ মাজেদি হাস্য-ৰস সৃষ্টি কৰি মানৱী লীলা প্ৰকাশ কৰিছে। ঝুমুৰাৰ সংজ্ঞা মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ত প্ৰযোজ্য নহয়। কিয়নো এই নাটখন কলেবৰত ডাঙৰ, কাহিনী আনকেইখন নাটৰ তুলনাত কিছু বিস্তৃত আৰু শিশুকৃষ্ণৰ বাহিৰেও পুৰুষ চৰিত্ৰ নন্দ আছে। সেইহে বোধকৰোঁ নাটখনকো ঝুমুৰা নুবুলি 'যাত্ৰা' বোলা হৈছে।

## মাধৱদেৱৰ নাট আৰু ঝুমুৰাসমূহৰ চমু ৱিৱৰণ ঃ

### অৰ্জুন-ভঞ্জন ঃ

এদিনাখন নন্দৰাণী যশোদাই দাসীবোৰক ঘৰৰ আন কাম কৰিবলৈ দি বেছি লৱণু পোৱাৰ আশাত ভালকৈ সাজ-পাৰ পিন্ধি শ্ৰীকৃষ্ণৰ গুণ কীৰ্ত্তন কৰি নিজে দধি মথিবলৈ ধৰিলে। এনেতে শিশুকৃষ্ণই কৰবাৰপৰা আহি মাকক এশিকনি দিয়াৰ উদ্দেশ্যে মথনি-মাৰিত থাপ মাৰি ধৰিলে আৰু মাকৰ স্তন পান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

যশোদাই মথনি এৰি হাঁহিমুখে কৃষ্ণক কোলাত লৈ স্তন পান কৰাবলৈ ধৰিলে। তেনেতে গোপীসকলে যশোদাক চিঞঁৰি ক'লে যে আখাৰৰ ওপৰত তুলি থোৱা গাখীৰ উতলি পৰিবলৈ ধৰিছে। তাকে শুনি যশোদাই শ্ৰীকৃষ্ণক কোলাৰপৰা জোৰকৈ নমাই মাটিত থেকেচা মাৰি থৈ গাখীৰ নমাবলৈ দৌৰি গ'ল।

মাকৰ গাখীৰ খাবলৈ নাপাই আৰু বিশেষকৈ সামান্য গাখীৰকণৰ লোভত যশোদাই তেওঁক অৱজ্ঞা কৰা দেখি শ্ৰীকৃষ্ণৰ বৰ খং উঠিল আৰু পটাগুটি দলিয়াই গাখীৰ মথা ভাণ্ডটো ভাঙি পেলালে। তাৰ পিছত কোঠালিত সোমাই উৱালৰ ওপৰত গাখীৰৰ পাত্ৰৰ পৰা লৱণু উলিয়াই নিজ ইচ্ছামতে খোৱাৰ উপৰি বান্দৰবোৰকো দিলে আৰু গোটেই মজিয়াতে সিঁচৰাই পেলালে। যশোদাই গাখীৰৰ চৰু নমাই আহি দেখে, শ্ৰীকৃষ্ণই সকলো লণ্ডভণ্ড কৰিছে। যশোদাৰ বৰ খং উঠিল আৰু এশিকনি দিয়াৰ উদ্দেশ্যে হাতত এছাৰি লৈ শ্ৰীকৃষ্ণক বিচাৰি গ'ল। শ্ৰীকৃষ্ণ মাকৰ ৰুদ্ৰমূৰ্ত্তি দেখি উৱালৰপৰা নামি ভিৰাই লৰ দিলে; যশোদায়ো পিছে পিছে দিলে খেদা। কিন্তু বহু সময় খেদি খেদি যশোদা ভাগৰি পৰিল। তেতিয়া ভক্তৰ অধীন ভগবান শ্ৰীকৃষ্ণই মাকৰ ইচ্ছা পূৰণৰ অৰ্থে ধৰা দিলে। যশোদাই তৰ্জন-গৰ্জন কৰি শ্ৰীকৃষ্ণৰ হাতত ধৰিলে আৰু এছাৰিডাল পেলাই শ্ৰীকৃষ্ণক উৱালত বান্ধি থোৱাৰ উদ্দেশ্যে টানি আনিলে। যশোদাই ৰচী আনি উৱালৰে সৈতে শ্ৰীকৃষ্ণক বন্ধা শুনি আন আন গোপীসকল আহি শ্ৰীকৃষ্ণক নেবান্ধিবলৈ যশোদাক কাকুতি কৰিলে ; কিন্তু গোপীসকলৰ কথা শুনি যশোদাৰ খং চৰিহে গ'ল আৰু গোপীসকলক তিৰস্কাৰ কৰি শ্ৰীকৃষ্ণক আকৌ বান্ধিবলৈ ধৰিলে। পিছে আচৰিত কথা যে কৃষ্ণক বন্ধা ৰছীডাল শেষত দুই আঙুলি চুটি হয়। যশোদাই ঘৰৰ পৰা জৰী আনি জোৰা দি আকৌ বান্ধিলে; আকৌ দুআঙুল চুটি হয়। এনেকৈ যশোদাই বাৰে বাৰে জোৰা দিয়ে আৰু বাৰে বাৰে দুআঙুলৰ বাবে চুটি হৈ ৰয়। যিজন কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী, যাৰ আদি-অন্তৰ কথা কোনেও নাজানে সেই জনাক সামান্য যশোদাই জানো বান্ধিব

বাবে মাধৱদেৱৰ নাটবোৰত প্ৰস্তাৱনা, প্ৰৱেশ-শ্লোক, পয়াৰ আৰু মুক্তিমঙ্গল ভটিমা দিয়া নাই। 'ভোজন বিহাৰ'তহে আৰম্ভণি ভটিমা আছে। শ্লোকৰ সংখ্যাও নিচেই তাকৰ। নাটকৰ মাজৰ কাহিনীসূচক শ্লোক 'অৰ্জুন-ভঞ্জন'ত পাঁচোটা আৰু 'চোৰধৰা', 'ভোজন বিহাৰ' আৰু 'ভূমি লেটোৱা'ত একোটিকৈ আছে।

মাধৱদেৱৰ এই নাটকেইখন নৃত্য-গীত প্ৰধান। নাট্যকাৰে কাহিনীৰ মাজত য'তে সুবিধা পাইছে, তাতেই নৃত্য-গীত সুমাই দিছে।

নাটকেইখন নাৰী চৰিত্ৰ প্ৰধান। নাটকেইখনৰ, নায়ক শিশুকৃষ্ণ যদিও আনবোৰ প্ৰধান চৰিত্ৰ গোপীসকলহে। 'চোৰধৰা'ত গোপীয়ে কৃষ্ণক মাখন-চোৰ ধৰিছে আৰু যশোদাই আহি গোপীসকলক গালি-শপনি পাৰি কৃষ্ণক মোকলাই দিছে। সেইদৰে 'পিম্পৰা গুচোৱা'তো শ্ৰীকৃষ্ণই পৰুৱা গুচোৱাৰ ছলেৰে মাখন খাইছে আৰু তাৰ ফলত গোপী আৰু যশোদাই কৃষ্ণক তিৰস্কাৰ কৰিছে।

মাধৱদেৱৰ নাটকেইখনত শিশুকৃষ্ণৰ চোৰ-চাতুৰীৰ মাজেদি হাস্য-ৰস সৃষ্টি কৰি মানৱী লীলা প্ৰকাশ কৰিছে। ঝুমুৰাৰ সংজ্ঞা মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন'ত প্ৰযোজ্য নহয়। কিয়নো এই নাটখন কলেবৰত ডাঙৰ, কাহিনী আনকেইখন নাটৰ তুলনাত কিছু বিস্তৃত আৰু শিশুকৃষ্ণৰ বাহিৰেও পুৰুষ চৰিত্ৰ নন্দ আছে। সেইহে বোধকৰোঁ নাটখনকো ঝুমুৰা নুবুলি 'যাত্ৰা' বোলা হৈছে।

## মাধৱদেৱৰ নাট আৰু ঝুমুৰাসমূহৰ চমু বিৱৰণ ঃ

### অৰ্জুন-ভঞ্জন ঃ

এদিনাখন নন্দৰাণী যশোদাই দাসীবোৰক ঘৰৰ আন কাম কৰিবলৈ দি বেছি লৰণু পোৱাৰ আশাত ভালকৈ সাজ-পাৰ পিন্ধি শ্ৰীকৃষ্ণৰ গুণ কীৰ্ত্তন কৰি নিজে দধি মথিবলৈ ধৰিলে। এনেতে শিশুকৃষ্ণই কৰবাৰপৰা আহি মাকক এশিকনি দিয়াৰ উদ্দেশ্যে মথনি-মাৰিত থাপ মাৰি ধৰিলে আৰু মাকৰ স্তন পান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

যশোদাই মথনি এৰি হাঁহিমুখে কৃষ্ণক কোলাত লৈ স্তন পান কৰাবলৈ ধৰিলে। তেনেতে গোপীসকলে যশোদাক চিঞৰি ক'লে যে আখাৰৰ ওপৰত তুলি থোৱা গাখীৰ উতলি পৰিবলৈ ধৰিছে। তাকে শুনি যশোদাই শ্ৰীকৃষ্ণক কোলাৰপৰা জোৰকৈ নমাই মাটিত থেকেচা মাৰি থৈ গাখীৰ নমাবলৈ দৌৰি গ'ল।

মাকৰ গাখীৰ খাবলৈ নাপাই আৰু বিশেষকৈ সামান্য গাখীৰকণৰ লোভত যশোদাই তেওঁক অৱজ্ঞা কৰা দেখি শ্ৰীকৃষ্ণৰ বৰ খং উঠিল আৰু পটাগুটি দলিয়াই গাখীৰ মথা ভাণ্ডটো ভাঙি পেলালে। তাৰ পিছত কোঠালিত সোমাই উৰালৰ ওপৰত গাখীৰৰ পাত্ৰৰ পৰা লৰণু উলিয়াই নিজ ইচ্ছামতে খোৱাৰ উপৰি বান্দৰবোৰকো দিলে আৰু গোটেই মজিয়াতে সিঁচৰাই পেলালে। যশোদাই গাখীৰৰ চৰু নমাই আহি দেখে, শ্ৰীকৃষ্ণই সকলো লণ্ডভণ্ড কৰিছে। যশোদাৰ বৰ খং উঠিল আৰু এশিকনি দিয়াৰ উদ্দেশ্যে হাতত এছাৰি লৈ শ্ৰীকৃষ্ণক বিচাৰি গ'ল। শ্ৰীকৃষ্ণ মাকৰ ৰুদ্ৰমূৰ্ত্তি দেখি উৰালৰপৰা নামি ভিৰাই লৰ দিলে; যশোদায়ো পিছে পিছে দিলে খেদা। কিন্তু বহু সময় খেদি খেদি যশোদা ভাগৰি পৰিল। তেতিয়া ভক্তৰ অধীন ভগবান শ্ৰীকৃষ্ণই মাকৰ ইচ্ছা পূৰণৰ অৰ্থে ধৰা দিলে। যশোদাই তৰ্জন-গৰ্জন কৰি শ্ৰীকৃষ্ণৰ হাতত ধৰিলে আৰু এছাৰিডাল পেলাই শ্ৰীকৃষ্ণক উৰালত বান্ধি থোৱাৰ উদ্দেশ্যে টানি আনিলে। যশোদাই ৰচী আনি উৰালৰে সৈতে শ্ৰীকৃষ্ণক বন্ধা শুনি আন আন গোপীসকল আহি শ্ৰীকৃষ্ণক নেবান্ধিবলৈ যশোদাক কাকুতি কৰিলে ; কিন্তু গোপীসকলৰ কথা শুনি যশোদাৰ খং চৰিহে গ'ল আৰু গোপীসকলক তিৰস্কাৰ কৰি শ্ৰীকৃষ্ণক আকৌ বান্ধিবলৈ ধৰিলে। পিছে আচৰিত কথা যে কৃষ্ণক বন্ধা ৰছীডাল শেষত দুই আঙুলি চুটি হয়। যশোদাই ঘৰৰ পৰা জৰী আনি জোৰা দি আকৌ বান্ধিলে; আকৌ দুআঙুল চুটি হয়। এনেকৈ যশোদাই বাৰে বাৰে জোৰা দিয়ে আৰু বাৰে বাৰে দুআঙুলৰ বাবে চুটি হৈ ৰয়। যিজন কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী, যাৰ আদি-অন্তৰ কথা কোনেও নাজানে সেই জনাক সামান্য যশোদাই জানো বান্ধিব

পাৰে? গতিকে যশোদাই ঘৰত যিমান জৰী আছিল সকলো জোৰা দিও শ্ৰীকৃষ্ণক বান্ধিব নোৱাৰিলে। শেষত যশোদা ভাগৰি পৰিল। যশোদাৰ অৱস্থা দেখি গোপীসকলে হাঁহিবলৈ ধৰিলে। অৱশেষত মাকৰ শ্ৰম দেখি ভক্তবৎসল শ্ৰীকৃষ্ণই দয়াপৰবশ হৈ নিজে বন্ধন লৈ ভক্তা জননীৰ মনৰ ইচ্ছা পূৰণ কৰিলে। যশোদাই কৃষ্ণক উৰালৰ সৈতে বান্ধি গোপীসকলক সাৱধান কৰি দিলে যাতে কোনেও কৃষ্ণৰ বান্ধ খুলি নিদিয়ে।

যশোদা আৰু গোপীসকল আঁতৰি যোৱাত শ্ৰীকৃষ্ণই উৰালৰে সৈতে চোতালৰ আগত থকা যঁজা অৰ্জুন গছ দুজোপাৰ মাজেদি পাৰ হৈ গ'ল। এনেতে উৰালটো পথালি হৈ গছ দুজোপাত লাগি ধৰিলে। শ্ৰীকৃষ্ণই জোৰেৰে উৰালটো টনাত ভীষণ শব্দ কৰি গছ দুজোপা উভালি পৰিল আৰু গছ দুজোপাৰ পৰা দুজন দিব্যপুৰুষৰ আবিৰ্ভাৱ হ'ল। তেওঁলোক আছিল কুবেৰ-পুত্ৰ নলকুবেৰ আৰু মণিগ্ৰীৱ। নাৰদৰ শাপত অভিশপ্ত এই পুৰুষ দুজনে মুক্তি দাতা শ্ৰীকৃষ্ণক স্তুতি কৰি নিজ ঠাইলৈ গুচি গ'ল।

গছ পৰা শব্দ শুনি নন্দ প্ৰমুখ্যে গোৱালসকলে দৌৰি আহি দেখে যে বা-বতাহ নোহোৱাকৈয়ে অৰ্জুন গছ দুজোপা পৰি গৈছে আৰু তাৰ মাজতে কৃষ্ণ বন্দী হৈ আছে। নন্দই আথে বেথে কৃষ্ণৰ বান্ধ মোকলাই দি মৰমতে কোলাত তুলি ললে। গোপশিশুসকলে ক'লে যে শ্ৰীকৃষ্ণই উৰালটো টনাৰ ফলত গছ দুজোপা ভাঙি পৰিছে আৰু তাৰপৰা দুজন দিব্যপুৰুষ ওলাই কৃষ্ণক প্ৰণাম জনাই উত্তৰ দিশলৈ গৈছে; আৰু কিন্তু সৰু ল'ৰাৰ কথা বুলি কোনেও বিশ্বাস নকৰিলে। পিছে নন্দই এনে নিদাৰুণ কৰ্মৰ বাবে যশোদাক ভৎৰ্সনা কৰিলে আৰু মাৰিবলৈ খেদি গ'ল। কিন্তু দন্দুৰী যশোদাই ওলোটাই টান কথা শুনাই নন্দৰ মুখ বন্ধ কৰি থলে।



**ৰচনা কাল ঃ**

'অৰ্জুন-ভঞ্জন' মহাপুৰুষ মাধৱদেৱে প্ৰথম ৰচিত নাট। ইয়াত আন এটা নাম 'দধি-মথন'। কালিৰাম মেধিৰ মতে* এই নাটখন মাধৱদেৱ গণককুছিত থাকোঁতে প্ৰায় 1538 খৃঃত ৰচনা কৰে। আৰু শঙ্কৰদেৱে নাট অভিনয়ত অংশ লয়। লক্ষ্মীনাথ বেজবৰুৱাই লিখিছে, নাটখনিৰ ভাওনাত শঙ্কৰদেৱে নন্দৰ আৰু মাধৱদেৱে উপনন্দৰ ভাও দিছিল। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাৰ মতে* 'অৰ্জুন-ভঞ্জন' 1550 চনৰ আগৰ ৰচনা হ'ব নোৱাৰে ; কাৰণ 1545–50 খৃষ্টাব্দ ভিতৰহে মাধৱদেৱ শঙ্কৰদেৱৰ লগত উজনিৰপৰা কামৰূপলৈ ভটিয়াই আহে। ই যি নহ'ক, অন্তৰঙ্গ প্ৰমাণৰ পৰা তথা নাটকীয় কলা-কৌশল আৰু নাটৰ নায়ক শিশু কৃষ্ণৰ চৰিত্ৰত আলৌকিকতা আৰোপ কৰাৰ পৰা সহজেই বুজিব পাৰি যে 'অৰ্জুন-ভঞ্জন' মাধৱদেৱৰ প্ৰথম নাট আৰু এই নাটখনৰ লগত মাধৱদেৱৰ বাকীকেইখন নাটৰ পাৰ্থক্য বিদ্যমান।

**'অৰ্জুন-ভঞ্জন'ৰ কাহিনীৰ উৎস আৰু নাট্যকাৰৰ মৌলিকতা ঃ**

'অৰ্জুন-ভঞ্জন'ৰ কাহিনীটো ভাগৱতৰ দশম স্কন্ধৰ নৱম, দশম আৰু একাদশ (6ষ্ঠ শ্লোকলৈ) অধ্যায় আৰু হৰিবংশৰ 63 তম অধ্যায়ত পোৱা যায়। শঙ্কৰদেৱৰ শিশু লীলাতো এই কাহিনীটো চমুকৈ বৰ্ণোৱা হৈছে। মাধৱদেৱে ভাগৱত আৰু হৰিবংশৰ পৰা কাহিনীটো ল'লেও আৰু কাহিনীৰ ক্ৰম মূলৰ দৰে ৰাখিলেও আৱশ্যকমতে মূলৰ কিছু কথা বাদ দিছে আৰু ঠায়ে ঠায়ে নাটকীয় সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ বিল্বমঙ্গলৰ শ্লোক সন্নিবিষ্ট কৰাৰ উপৰিও কল্পনাৰ ৰহন সানিছে।

প্ৰথমে শ্লোকৰ কথালৈ অহা যাওঁক। 'অৰ্জুন-ভঞ্জন'ৰ মুঠ শ্লোক সাতোটা। তাৰে নান্দী শ্লোক দুটাৰে সৈতে 4ৰ্থ, 5ম, আৰু 6ষ্ঠ শ্লোক বিল্বমঙ্গল'ৰ পৰা লোৱা। সপ্তম শ্লোকটি হৰিবংশৰ। নান্দী শ্লোক দুটিৰ

---

* অঙ্কাৱলী, Intro. p. LXII.
* অসমীয়া নাট্য সাহিত্য, 3য় সঃ, পৃঃ 64।

বিষয়-বস্তুৰ লগত নাটকৰ কাহিনীৰ কোনো সম্বন্ধ নাই, তথাপি তাৰ মাজেদি শিশুকৃষ্ণৰ ৰূপ গুণৰ কথা বৰ্ণনা কৰা হৈছে। আৰু সেই শ্লোকৰ কথাখিনিকে পৰৱৰ্ত্তী সূত্ৰ আৰু প্ৰবেশ গীতত ব্যাখ্যা কৰা হৈছে। অৱশ্যে এনে সূত্ৰ আৰু গীত অঙ্কীয়া নাটত অপৰিহাৰ্য অঙ্গ। 3য়ৰ পৰা 6ষ্ঠ শ্লোকৰ মূল কথা হ'ল —বেদসমূহৰো অগোচৰ যি পৰম ব্ৰহ্ম কৃষ্ণই নিজৰ মায়াপাশাৰে গোটেই বিশ্ব ব্ৰহ্মাণ্ডকে বন্ধন কৰি ৰাখে, সেই পৰম ব্ৰহ্মাই ভক্তিৰ বশ হৈ শিশুৰূপ ধৰি, লৱণু চুৰ কৰি, গোৱালী যশোদাৰ হাতৰ বান্ধ লৈছে; এয়ে ভক্তিৰ মহিমা। 7ম শ্লোকত আছে, অৰ্জুন গছ দুজোপা ভয়ঙ্কৰ শব্দ কৰি ভাঙি পৰাত গোৱালসকলে আচৰিত হৈ কৈছে যে বতাহ-বৰষুণ বা বজ্ৰপাত নোহোৱাকৈ বা হাতীয়ে উভালি নেপেলোৱাকৈ কেনেকৈ গছ দুজোপা বাগৰি পৰিল। ভাগৱতত গোকুলবাসীৰ মুখত কেৱল "ই কোনো উৎপাত হ'ব" (10¼ 11¼ 3) বুলিহে উল্লেখ কৰা হৈছে।

ভাগৱতৰ দশম স্কন্ধৰ নৱম অধ্যায়ৰ প্ৰথম শ্লোকৰ পৰাই নাটকখনৰ কাহিনী আৰম্ভ হৈছে। শ্লোকটো হ'ল—

একদা গৃহদাসীষু যশোদা নন্দগেহিনী।
কৰ্মান্তৰনিযুক্তাসু নিৰ্মমন্থ স্বয়ং দধি।।

নাট্যকাৰে আৰম্ভ কৰিছে —"এক দিবসে জযোৱা ঃ নানা গৃহকৃতো দাসীসৱক নিয়োজিয়ে ঃ জৈচে আপুনি দথি মথিতে লাগল ঃ" ইত্যাদি।

মূলত আছে-যশোদাই সুন্দৰ সাজপাৰ লৈ আৰু কৃষ্ণলীলা স্মৰণ কৰি দধি মথিছিল ; হঠাতে কৃষ্ণই আহি মথনি মাৰিত ধৰাত যশোদাই দাসীসকলক ধমকৰ সুৰত কৈছে, যদি নিজে দধি-মথি অধিক লৱণু উলিয়াব পাৰে তেন্তে গোৱালীসকলক এশিকনি দিব। তেতিয়া কৃষ্ণই মাকৰ দৰ্প চূৰ্ণ কৰাৰ উদ্দেশ্যে মথনি মাৰিত ধৰিছে আৰু মাকে মৰমতে কৃষ্ণক কোলাত লৈ গাখীৰ খুৱাইছে। ইয়াৰ পিছত যশোদাই কৃষ্ণক মাটিত নমাই থৈ গাখীৰৰ পাত্ৰ নামোৱা, কৃষ্ণই দধি-ভাণ্ড ভঙা, মাখন নিজে



খোৱা আৰু বান্দৰক দিয়া আদি ঘটনাৰ মূলৰ লগত নাটকত মিল ৰখা হৈছে ; কিন্তু কৃষ্ণৰ "হামু কোটি ব্ৰহ্মাণ্ডক নায়ক ...দেখোক।" সংলাপটো মাধৱদেৱৰ স্বকীয় উদ্ভাৱনাৰ ফল। সেইদৰে ৰোহিণী প্ৰমুখ্যে গোপীসকলে কৃষ্ণক নেবান্ধিবলৈ যশোদাক জনোৱা অনুৰোধৰ কথা মূলত নাই। মাধৱদেৱে নিজা সৃষ্টি। ইয়াৰ যোগেদি এফালে গোপীসকলৰ মৰমী হৃদয়ৰ চিত্ৰ প্ৰকাশ পাইছে আৰু আনফালে নাটকীয় আকৰ্ষণ বঢ়োৱা হৈছে। সেইদৰে নৃত্য গীত কেইটাৰ যোগেদিও নাট্যকাৰে নাটকীয় আকৰ্ষণৰ মৌলিকত্ব প্ৰদৰ্শন কৰিব পাৰিছে।

দশম অধ্যায়ত কৃষ্ণৰ যমলাৰ্জুন ভঞ্জনৰ বিৱৰণ আছে। মাধৱদেৱে সেই বিৱৰণটিক নাটকীয় ৰূপ দিলেও মূলত (2–23শ্লোক) থকা মতে কুবেৰ-পুত্ৰ মণিগ্ৰীৱ আৰু নলকুবেৰে মদ্যপান কৰি আৰু উলঙ্গ হৈ নাৰীসকলৰ লগত জলক্ৰীড়া কৰাৰ ফলত নাৰদৰ দ্বাৰা অভিশপ্ত হৈছে। এইখিনি কথা নাট্যকাৰে বাদ দিছে। খুব সম্ভৱ নাটকৰ মূল কাহিনীৰ লগত এই ঘটনাটোৰ বিশেষ সম্পৰ্ক নথকাত আৰু বিশেষকৈ ঘটনাটো শৃংগাৰৰসাত্মক হোৱাত শিশু-কৃষ্ণপ্ৰাণ, চিৰকুমাৰ মাধৱদেৱে ঘটনাটো নাটকত ৰূপ দিবলৈ ভাল নাপালে, সেইহে কুবেৰ-পুত্ৰদ্বয় কেৱল নাৰদৰ দ্বাৰা অভিশপ্তহৈ বৃক্ষৰ ৰূপ লোৱা বুলিছে নাটকত উল্লেখ কৰিছে। আনহাতে কুবেৰৰ পুতেক দুজনে দিব্য ৰূপ লাভ কৰি শ্ৰীকৃষ্ণক স্তুতি কৰাৰ কথাখিনি নাট্যকাৰে নিজাকৈ বৰ্ণনা কৰিছে।

কুবেৰৰ পুত্ৰদ্বয় কৃষ্ণৰ পৰা বিদায় লৈ যোৱাৰ পিছত নন্দ প্ৰমুখ্যে গোপসকলক কোনো কাৰণ নোহোৱাকৈ যমলাৰ্জুন ভাঙি পৰা দেখি আচৰিত হৈছে আৰু শেষত নন্দই কৃষ্ণৰ বান্ধ মোকলাই দিছে।

ইমানতে ভাগৱতৰ 'অৰ্জুন-ভঞ্জনৰ'ৰ কাহিনীটোৰ সমাপ্তি ঘটিছে; কিন্তু নাট্যকাৰে নিজাকৈ নন্দ যশোদাৰ কাজিয়াৰ কথাখিনি সন্নিবিষ্ট কৰি এফালে যেনেকৈ লৌকিকতাৰ আশ্ৰয় লৈ হাস্যসৃষ্টি কৰিছে আনপিনে তেনেকৈ যশোদাৰ দন্দুৰী স্বভাৱটোও প্ৰকট কৰি তুলিছে।

'অৰ্জুন-ভঞ্জন' নাটৰ বিষয়-বস্তু সম্পৰ্কে ডক্টৰ সত্যেন্দ্ৰনাথ

শৰ্মাই* কৈছে, নাটখনৰ বিষয়-বস্তুৰ বিকাশৰ তিনিটা স্তৰ লক্ষ্য কৰা যায়। শিশুকৃষ্ণ আৰু মাক যশোদাৰ মাজত হোৱা স্নেহসিক্ত বিৰোধ, যমলাৰ্জুন ভঙ্গ আৰু শেষত নন্দ যশোদাৰ দম্পতি-কলহ। মূল বিষয়-বস্তু যদিও যমলাৰ্জুন ভঙ্গ ; কিন্তু দৰ্শকক বিশেষভাৱে আকৰ্ষণ কৰে— স্তনপান কৰিবলৈ নাপাই শিশু কৃষ্ণই কৰা ৰোহভেম, অভিমান আৰু উদ্ভণ্ডালিৰ বিৱৰণে আৰু যশোদাই কৃষ্ণক শাসন কৰাৰ বৃথা চেষ্টাই আৰু সৰ্বশেষত পুতেকক কেন্দ্ৰ কৰি হোৱা নন্দ-যশোদাৰ দম্পতি কলহে।"

মুঠতে 'অৰ্জুন-ভঞ্জন'ৰ মূল কাহিনী ভাগৱতৰ পৰা ল'লেও নাট্যকাৰে কাহিনী ৰচনা, চৰিত্ৰ অঙ্কন আৰু ৰস সৃষ্টিত মৌলিকতা দেখুৱাব পাৰিছে। সেইদৰে নাটকত সন্নিবিষ্ট গীত আঠোটায়ো নাট্যকাৰৰ মৌলিকত্ব দেখুওৱাৰ লগতে নাটকৰ আকৰ্যণ বৃদ্ধিত সহায় কৰিছে।

## চোৰধৰা ঝুমুৰা ঃ

'অৰ্জুন-ভঞ্জন'ত বাহিৰে মাধৱদেৱৰ বাকীকেইখন নাটক 'নাট' নুবুলি 'ঝুমুৰা' বুলি কোৱা হৈছে। নাটত থাকিবলগীয়া সকলো উপাদান এই ঝুমুৰাসমূহত নাই। বিল্বমঙ্গলৰ 'কৃষ্ণকৰ্ণামৃত'ৰ কাহিনী অংশই বিকাশ লাভ কৰিছে। প্ৰথম শ্লোকটি নান্দী হিচাপে ব্যৱহাৰ কৰা হৈছে। আনটি শ্লোকক আধাৰ হিচাপে লৈ মাধৱদেৱে চোৰধৰা ঝুমুৰাৰ কথাবস্তুক নিজস্ব কল্পনাৰে আগবঢ়াই লৈ গৈছে।

**চোৰধৰা ঝুমুৰাৰ কাহিনী অংশ** ঃ এদিনাখন এগৰাকী গোপীৰ গৃহত কোনো নথকা দেখি কৃষ্ণ লৱণু চুৰ কৰিবলৈ সোমাল। তাকে দেখি আগৰেপৰা কৃষ্ণক হাতে-লোটে চোৰ ধৰিবলৈ জুপি থকা গোপীয়ে দুৱাৰ বন্ধ কৰি শ্ৰীকৃষ্ণক চোৰ ধৰি লগৰীয়া গোৱালীসকলক মাতিলে। কৃষ্ণও কম নহয়। কৃষ্ণয়ো শ্ৰীদাম, সুদাম, আদি লগৰীয়াসকলক মাতিলে আৰু ক'লে যে, অকলশৰীয়া পাই গোপীসকলে তেওঁক চোৰ বুলি অপবাদ দিছে। লগৰীয়া শিশুসকলে কৃষ্ণৰ পক্ষ গ্ৰহণ কৰাত কৃষ্ণৰ বল বাঢ়িল

* অসমীয়া নাট্য সাহিত্য, 3য় সং, পৃঃ 71।



আৰু ঘূৰাই গোপীসকলকহে — 'আপুনহি সব দধি দুগ্ধ খাই হামাক কলংক দেসি" — বুলি ভাবুকি দিলে। উপায় নেদেখি গোপীসকলে কৃষ্ণক এৰি দিবলৈ সন্মত হ'ল। কিন্তু কৃষ্ণই সিমানতে নেৰিলে লৱণু দিলেহে গোপীসকলক এৰি দিবলৈ সন্মত হ'ল। গোপীসকলেও —'তব তোহাক হামু লৱণু দেৱব যব তোহো নৃত্য কৰহ"— বুলি কৃষ্ণক নৃত্য কৰিবলৈ সন্মত কৰিলে। কৃষ্ণই গোপীসকলৰ মনোৰথ পূৰণ কৰি নাচিবলৈ ধৰিলে। ইফালে মাক যশোদাই নিজৰ ঘৰত কৃষ্ণক নাপাই পুত্ৰ-স্নেহত আকুল হৈ যমুনাৰ পাৰে পাৰে কৃষ্ণক বিচাৰি ফুৰিছে আৰু কৃষ্ণৰ ৰূপৰ বৰ্ণনা দি পথিকক কৃষ্ণক দেখিছে নেকি সুধিছে। বাটৰুৱাই কৃষ্ণক দেখা নাই বুলি কোৱাত কান্দি-কাতি মূৰ্চ্ছা গৈছে। এনেতে এগৰাকী গোপীয়ে আহি যশোদাক কৃষ্ণৰ খবৰ দিছে আৰু নিজৰ লগত লৈ গৈ গোৱালীসকলৰ সৈতে নৃত্য কৰি থকা কৃষ্ণক দেখুৱাই দিছে। পুত্ৰ কৃষ্ণক দেখি যশোদাৰ হিয়া জুৰ পৰিছে। চতুৰ কৃষ্ণই মাকক দেখি গোৱালীসকলৰ কথা লগাইছে। যশোদাই তেতিয়া গোৱালীসকলক গালি দি শ্ৰীকৃষ্ণক ধূলা জাৰি কোলাত লৈ ঘৰলৈ আনি ধুৱাই-পিন্ধাই পঞ্চামৃত ভোজন কৰাই আনন্দ লাভ কৰিছে। ইমানতে চোৰধৰা ঝুমুৰাৰ কাহিনী অংশৰ সমাপ্তি ঘটিছে। চোৰধৰা ঝুমুৰাত বিভিন্ন ৰাগ-তালযুক্ত মুঠতে ছটা গীত আছে। ঝুমুৰাখনিৰ কাহিনী অংশ গীতকেইটাৰ যোগেদি সুন্দৰভাৱে প্ৰকাশিত হৈছে। শ্ৰীকৃষ্ণ ঝুমুৰাখনিৰ মুখ্য চৰিত্ৰ। তাৰ উপৰি যশোদা আৰু দুগৰাকী গোপীৰ চৰিত্ৰ আৰু এগৰাকী পথিকৰ চৰিত্ৰ ঝুমুৰাখনিত আছে।

## পিম্পৰা গুচুৰা ঝুমুৰা ঃ

এই ঝুমুৰাখনিও বিল্বমঙ্গলৰ 'কৃষ্ণকৰ্ণামৃত'ৰ দুটা শ্লোকক আধাৰ হিচাপে লৈ মাধৱদেৱে ৰচনা কৰি উলিয়াইছে। ঝুমুৰাখনিত শ্লোক দুটি নান্দী হিচাপে আৰম্ভণিতে সংযোগ কৰা হৈছে। ইয়াৰে এটা স্তোত্ৰ 'ব্ৰজবিহাৰ' নামৰ শ্ৰীধৰ স্বামীৰ কাব্যতো পোৱা যায়।*

*চোৰধৰা।।শ্লোক।। 3।

**পিম্পৰা গুচুৰা ঝুমুৰাৰ কাহিনীভাগ** ঃ এদিন এগৰাকী গোপীৰ ঘৰত লৰণু চুৰ কৰিবলৈ সোমাই শ্ৰীকৃষ্ণ হাতে-লোটে ধৰা পৰাত গোপীয়ে সুধিছে যে, আমাৰ ঘৰত তুমি কোন? শ্ৰীকৃষ্ণই উত্তৰ দিছে —“হামু বলভদ্ৰক কনিষ্ঠ ভাই।” গোপীয়ে তেতিয়া কৃষ্ণক প্ৰশ্ন কৰিছে যে, তুমি বলভদ্ৰৰ কনিষ্ঠ ভাই বাৰু বুজিলো, কিন্তু তুমি কিয় এই ঠাইলৈ আহিলা- গোপীৰ উত্তৰত চতুৰ কৃষ্ণই কৈছে যে, বাট হেৰুৱাই নিজৰ ঘৰ বুলি ভুল কৰি আহিছে তেওঁ গোপীৰ ঘৰত সোমাইছে। গোপীয়ে তেতিয়া কৈছে যে বাট হেৰুৱাই নিজৰ ঘৰ বুলি আহিলা বাৰু তাত একো দোষ নাই। কিন্তু লৰণুৰ কলহত কিয় হাত দিছা? কৃষ্ণই উত্তৰ দিছে —“আঃঙ্গ হামাৰ পৰম দোষ পাৱলি। ওহি পিপীলিকাসৱ লৰণু নাশ কয়ল। ইহাক দূৰ কৰিতে হাত দিয়া আছি।” তেতিয়া গোপীয়ে পুনৰ সুধিছে পিম্পৰা গুচাবলৈ লৰণু কলহত হাত দিছা বাৰু ভাল কৰিছা। কিন্তু শুই থকা ল’ৰাটো কিয় জগালা? তাৰো উত্তৰ শ্ৰীকৃষ্ণই দিছে যে, সেই ল’ৰাটোৰ স’তে কৃষ্ণই গৰু চৰাইছিল। এতিয়া এটা দামুৰি বিচাৰি পোৱা নাই। গতিকে ল’ৰাজনে জানে নেকি সুধিবৰ কাৰণেই জগাইছে। কৃষ্ণৰ প্ৰত্যুত্তৰ পাই গোপীয়ে এইবাৰ কৃষ্ণক সুধিছে। “যব তব লৰণু নাহি খাৱল, তব বচন বুলিতে তোহাৰি বদন হন্তে কৈছে লৰণুক গন্ধ বাঝ হোই?” এইবাৰ শ্ৰীকৃষ্ণই উত্তৰ দি কৈছে —গোপীয়ে নিজৰ জিভা ৰাখিব নোৱাৰি নিজৰ ঘৰতে লৰণু খাইছে এতিয়া গিৰিয়েকৰ ভয়ত কৃষ্ণক অপযশ দিছে। কৃষ্ণৰ এনে উত্তৰত গোপী নিৰুত্তৰ হ’ল। অৱশেষত অন্য গোপীসকলক মাতি মাক যশোদাৰ আগত পুত্ৰ কৃষ্ণৰ অপকাৰৰ কথা কৈছেগৈ এইদৰে— “হামাক গৃহে দধি লৰণু ৰহয়ে নাহি। শ্ৰীকৃষ্ণ বানৰ সহিতে সৱ নাশ কয়ল।” অন্য এগৰাকী গোপীয়ে কৈছে —“হে মাইঙ্গ ওহি কৃষ্ণক কথা কত কহব। হামাৰ সঞ্চিত লৰণু চুৰি কৰি খাই জোখাক ভাণ্ড ভাঙ্গি পেলাৱল।” গোপীসকলৰ পৰা কৃষ্ণৰ ওপৰত ইমানবিলাক অভিযোগ শুনি মাতৃ যশোদাই কৃষ্ণক বুজনি দি কৈছে —“হে পুতা। তোহাৰি বাপ নন্দ সৱ গোৱালক ৰাজা, হামু তাহাক পত্নী। হামাক উদৰে জনমি তোহোঁ

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

ঐছন দুৰ্জন ভেলি। হামাক গৃহে দধি নাহি দুগ্ধ নাহি, সন্দেশ নাহি। কোন বস্তু নাহি ঠিক, তোহাক হামু কি খাইতে নাহি দেশি। তোহো কি ভোজন নাহি কৰত। কাঙ্গালক ছৱাল যৈছন, তদ্বৎ তোহো বেড়াব।” এইদৰে বুজনি দি যশোদাই এশিকনি দিবলৈ ওলাইছে যাতে আগলৈ কৃষ্ণই এনেকুৱা নকৰে। এইখিনিতে এগৰাকী গোপীয়ে কৃষ্ণ যে জগতৰ ঈশ্বৰ সেই কথা যশোদাক সোঁৰৰাই দিছে। কৃষ্ণও কম নহয়। মাকৰ গালিৰ প্ৰত্যুত্তৰ দি কৈছে “আহে মাই। তোহো হামাক বিস্তৰ নাহি বোলব, হামো তোহাক ভৰ্ৎসনি সহব নাহি। কোন ছাড় পুৰাতন কলসখানি ভাঙ্গিলো কড়া দুইক ধন হানি কয়লো তাহে গাৱে নাহি সহল, আৰৰ কি সহবি?” কেৱল সেয়ে নহয়, যশোদাৰ ব্যৱহাৰত যে কেনে ধৰণৰ ডাঙৰ মানুহৰ জীয়েকৰ পৰিচয় প্ৰকাশ পাইছে তাত আশ্চৰ্য প্ৰকাশ কৰিছে আৰু পুত্ৰহীনা যশোদাৰ ঘৰত কৃষ্ণই যে পুত্ৰ হিচাপে জন্ম লৈ যশোদাৰ দুখ দূৰ কৰিছিল সেই কথাও মনত পেলাই দি অৱশেষত কৃষ্ণই যশোদাক কৈছে যে যশোদাই নিজৰ পুত্ৰৰ মোল নুবুজাৰ বাবেহে কৃষ্ণক সকলোৱে জনাকৈ লৰণু চোৰ নাম দিছে। এনেবিলাক অপমান সহ্য কৰিব নোৱাৰি কৃষ্ণই মথুৰালৈ পলাই যাব বুলি যশোদাক ভাবুকি দিছে। ইয়াতেই ‘পিম্পৰা গুচুৰা’ ঝুমুৰাৰ কাহিনী অংশৰ অন্ত পৰিছে।

এই ঝুমুৰাখনিতো বিভিন্ন ৰাগ তালযুক্ত মুঠতে তিনিটা গীত আছে। এই গীত তিনিটিয়ে ঝুমুৰাখনিৰ গোটেই কাহিনী অংশকেই সুন্দৰভাৱে প্ৰকাশ কৰিছে। ঝুমুৰাখনিৰ মুখ্য চৰিত্ৰ শ্ৰীকৃষ্ণ। ইয়াৰ উপৰি মাতৃ যশোদা আৰু দুগৰাকী গোপীৰ চৰিত্ৰ আছে। ঝুমুৰাখনিত সূত্ৰধাৰৰ উল্লেখ নাই। ‘সংগীবোল’ বুলি মাত্ৰ দুঠাইত দুফাঁকি সংলাপ আছে।

**ভূমি লেটোৱা ঝুমুৰা ঃ**

এই ঝুমুৰাখনিক ‘ভূমি লুটিয়া’ ঝুমুৰা বুলিও দুই এঠাইত উল্লেখ পোৱা যায়। বিল্বমঙ্গলৰ ‘কৃষ্ণকৰ্ণামৃত’ৰ এটা শ্লোকক আধাৰ হিচাপে লৈ মাধৱদেৱে এই ঝুমুৰাখনিৰ কাহিনীভাগৰ এটি নাটকীয় ৰূপ দিছে। শ্ৰীকৃষ্ণই মাটিত বাগৰি কন্দাৰ কথা আছে বুলিয়েই ঝুমুৰাখনিক ভূমি

লেটোৱা ঝুমুৰা বোলা হৈছে।

**ভূমি লেটোৱা ঝুমুৰাৰ কাহিনী অংশ** ঃ এদিন কৃষ্ণই ঘৰত গাখীৰ-লৱণু চুৰ কৰি খাই থাকোতে মাক যশোদাই দেখা পালে। ভয়ত কৃষ্ণই যশোদাক ফাঁকি দিবলৈ হাতৰ বাঁহীটো লুকাই থৈ গাখীৰৰ ভাণ্ড কাটি কৰি পেলাই মাটিত বাগৰি কান্দিবলৈ ধৰিলে। তাকে দেখি মাক যশোদাই চেনেহেৰে শ্ৰীকৃষ্ণই কিয় মাটিত বাগৰি কান্দিছে সুধিলে। শ্ৰীকৃষ্ণই কান্দি কান্দি ভাণ্ডৰ মাজত লুকাই থোৱা নতুন লৱণু কোনে খালে বুলি যশোদাক সুধিছে; আৰু যশোদাক সুধিছে — "আহে মায়ি, হামু কি কহব। হামাৰ পৰম সুন্দৰ বংশী এথায়ে থৈয়াছিলো, তাহে কে লৈয়া গেল? আৰ হামাৰ কি হৈতে ৰহল?" শ্ৰীকৃষ্ণৰ অভিমান দেখি মাতৃ যশোদাৰ অন্তৰ পুত্ৰ স্নেহত আকুল হৈ উঠিল। কৃষ্ণক সান্ত্বনা দিবলৈ বান্দৰে সকলো লৱণু খালে বুলি বুজনি দি কৃষ্ণৰ গাৰ ধূলি ঝাৰি কোলাত তুলি ল'লে। যশোদাৰ ঘৰত দধি-দুগ্ধৰ কি অভাৱ, সেয়ে যশোদাই কৃষ্ণক কৈছে —"তুহুঁ যত খাইতে পাৰ হামু তাহে দেৱব। তুহু ৰোষ দুখ সব চোৰহ।" কৃষ্ণয়ো মাকৰ ওচৰত আদৰ দেখুৱাই — "আহে মায়ি, হামু ক্ষুধায়ে পীড়িত হুয়াছি। হামাক দেৰহু।" যশোদায়ো গোৱালসকলে নতুন গাখীৰ লৈ আহিলেই দধি মথি নতুন লৱণু দিব বুলি কৃষ্ণক বুজনি দিলে। লগতে ক'লে — "যদি হামাৰ বচনে সঞ্জাত নাহি যাৰত, তবে পাৰাক গোপী সাখী কৰহ।" মাকৰ কথাত সন্মত হৈ কৃষ্ণই লৱণু ভোজন কৰি মাকৰ কোলাত উঠি স্তনপান কৰিলে। অলপ পিছতেই দুষ্ট কৃষ্ণই পুনৰ মাক যশোদাক লৱণু খুজি আমনি কৰিবলৈ ধৰিলে —"আহে মাই যশোদা, হামাক তুহু লৱণু দিতে আঙ্গিকাৰ কৰৈছ। সোহি লৱণু হামাক সত্বৰে দেহ। আজু লৱণু নাপায়া তোহাক চাৰব নাহি।" উপায়হীন হৈ অৱশেষত যশোদাই হৰিৰ পূজাৰ বাবে থোৱা, নতুন লৱণু শ্ৰীকৃষ্ণক দিছে। তাকে খাই শ্ৰীকৃষ্ণই আনন্দত নৃত্য কৰিছে।

ইমানতে 'ভূমি লেটোৱা' ঝুমুৰাৰ কাহিনী অংশৰ অন্ত পৰিছে। ঝুমুৰাখনিত বিভিন্ন ৰাগ তালযুক্ত পাঁচটি গীত সংযোজিত কৰা হৈছে।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

গীতকেইটাৰ মাজৰে ঝুমুৰাখনিৰ সম্পূৰ্ণ কাহিনী অংশ সুন্দৰভাৱে প্ৰকাশিত হৈছে। সূত্ৰধাৰক বাদ দি ঝুমুৰাখনিত মাত্ৰ দুটা চৰিত্ৰই আছে। শ্ৰীকৃষ্ণ আৰু মাতৃ যশোদা।

## ভোজন বিহাৰ ঝুমুৰা ঃ

এই ঝুমুৰাখনিৰ কাহিনী অংশ মাধৱদেৱে সম্ভৱতঃ ভাগৱতৰ পৰা গ্ৰহণ কৰিছিল। নিজা কল্পনা কিছু সংযোগৰ দ্বাৰাই মাধৱদেৱে কাহিনী অংশ নিজৰ ঝুমুৰাৰ বাবে উপযোগী কৰি লৈছে। বিশেষকৈ ঝুমুৰাখনিত 'নাৰদ'ৰ চৰিত্ৰ সম্পূৰ্ণৰূপে মাধৱদেৱৰ নিজা সৃষ্টি। নান্দী শ্লোকটিকে ধৰি ঝুমুৰাখনিত মুঠতে তিনিটা শ্লোক আছে। তদুপৰি এই ঝুমুৰাখনিৰ আৰম্ভণিতে এটি অতি জনপ্ৰিয় ভটিমা সংযোগ কৰা হৈছে। হৈ ভটিমাটি মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ স'তে তীৰ্থভ্ৰমণৰ সময়ত কাচিমগঞ্জত জিৰণি লওঁতে গুৰুৰ নিৰ্দেশ ক্ৰমে ৰচনা কৰাৰ কথা চৰিত পুথিত পোৱা যায়।*

**ভোজন বিহাৰ ঝুমুৰাৰ কাহিনী অংশ** ঃ এদিন বৃন্দাবনত লগৰীয়া গোপবালকসকলক লগত কৃষ্ণই গৰু চৰাই থাকোতে যমুনাৰ পাৰত এটুকুৰা সুন্দৰ ঠাই দেখি লগৰীয়া গোপবালকসকলক সেই ঠাইত বহি লগত নিয়া খোৱা বস্তু খাবলৈ কৃষ্ণই প্ৰস্তাৱ দিলে। কৃষ্ণৰ কথামতে গোপবালকসকলেও কৃষ্ণক মাজত লৈ ৰং-ধেমালি কৰি খাবলৈ বহিল। সেই সময়তে নাৰদ ঋষি আহি যমুনাৰ পাৰত উপস্থিত হৈ শ্ৰীকৃষ্ণক স্তুতি কৰি কৈছে —"হে প্ৰভোঙ্গ হামু সপ্ত বৈকুণ্ঠত বিচাৰি তোহাক নাহি পাৱলু অনন্ত শয্যাত বিচাৰি নাহি পাৱলু। হে স্বামী ত্ৰিভুৱন বিচাৰি যমুনাক তিৰে তোহাৰি পদচিহ্ন পাৱলু। তোহাক চৰণক দাসক দাস কয়ে হামাকু ভকতি দান দেহু।" ইয়াৰ পিছত নাৰদে গোপ-শিশুসকলৰ সৈতে প্ৰসাদ ভোজন কৰি শ্ৰীকৃষ্ণক সেৱা জনাই গুচি গৈছে। ভোজনত ব্যস্ত থাকোতে ঘাঁহ বিচাৰি আঁতৰি যোৱা দামুৰি পোৱালিবিলাক নেদেখি শ্ৰীদাম নামৰ

---

* গুৰুচৰিত কথা, অনুচ্ছেদ Ã 303।

কৃষ্ণৰ লগৰীয়া গোপ শিশুজনক খাবলৈ এৰি গৰু বিচাৰি যাবলৈ ওলাল। তেতিয়া শ্ৰীকৃষ্ণই গোপবালকসকলক কৈছে —“আহে সখিসৱ, তোৰাসৱ অন্নভোজন ছোড়বি নাহি। হামু বৎস বিচাৰি এখনে আনব।” এইবুলি শ্ৰীকৃষ্ণ দামুৰি পোৱালিবিলাক বিচাৰি বৃন্দাবনত সোমাল। সেই সময়তে ব্ৰহ্মাই কৃষ্ণক পৰীক্ষা কৰিবৰ বাবে দামুৰি পোৱালিবিলাক আৰু গৰখীয়াসকলক চুৰি কৰি নিলে। শ্ৰীকৃষ্ণই বৃন্দাবনত দামুৰিবোৰ বিচাৰি নাপাই যমুনাৰ পাৰলৈ ঘূৰি আহি গৰখীয়া গোপবালকসকলকো বিচাৰি নাপাই খেদ কৰিবলৈ ধৰিলে —“আজু হামাৰ বৎস কাহে গেল। শ্ৰীদাম-সুদাম ভায়াসব কাহে গেল। অন্ন ভোজন আজু বইৰি পৰমাদ ভেল।” পিছত ধ্যান কৰি শ্ৰীকৃষ্ণই গম পালে যে, ব্ৰহ্মাই শ্ৰীকৃষ্ণৰ মহিমা প্ৰমাণ কৰিবৰ বাবে দামুৰি পোৱালি আৰু গৰখীয়াসকলক চুৰি কৰি নিছে। তেতিয়া শ্ৰীকৃষ্ণই নিজে সকলো দামুৰিপোৱালি আৰু গৰখীয়াৰ ৰূপ ধাৰণ কৰি গকুললৈ ঘূৰি গৈছে আৰু নিজৰ নিজৰ ঘৰলৈ গৈ আনদিনাৰ দৰে অৱস্থান কৰাত গোৱালীসকলে ব্ৰহ্মকে পুত্ৰ হিচাপে পাইছে।

ইমানতে ‘ভোজন বিহাৰ’ ঝুমুৰাৰ কাহিনীভাগৰ অন্ত পৰিছে। ইয়াৰ পিছৰ আধৰুৱা কাহিনী অংশ মাধৱদেৱৰ ‘ব্ৰহ্মামোহন ঝুমুৰা’ত বৰ্ণিত হৈছে। ‘ভোজন বিহাৰ’ ঝুমুৰাত বিভিন্ন ৰাগ-তালযুক্ত চাৰিটা গীত পোৱা যায়। এই ঝুমুৰাখনিৰো মুখ্য চৰিত্ৰ শ্ৰীকৃষ্ণ। তাত বাহিৰে নাৰদ, শ্ৰীদাম আৰু শিশুসৱৰ চৰিত্ৰ সংযোজিত হৈছে। এই ঝুমুৰাখনিত মাতৃ যশোদাৰ চৰিত্ৰ বাদ পৰিছে।

**ব্ৰহ্মামোহন ঝুমুৰা ঃ**

এই ‘ব্ৰহ্মামোহন’ ঝুমুৰাখনি যদিও এখন পৃথক ঝুমুৰা হিচাপে পোৱা যায় প্ৰকৃততে ভোজন বিহাৰ ঝুমুৰাৰেই পৰৱৰ্তী অংশ বুলি ক’ব পাৰি। ‘ভোজন বিহাৰ’ ঝুমুৰাৰ বিষয়বস্তুৱে ব্ৰহ্মামোহন ঝুমুৰাত পৰিপূৰ্ণতা লাভ কৰিছে। ভোজন বিহাৰ ঝুমুৰাৰ দৰে ব্ৰহ্মামোহন ঝুমুৰাৰ কাহিনী অংশও ভাগৱতৰ পৰা গৃহীত। এই ঝুমুৰাখনিত কোনো নান্দী গীত আৰু শ্লোক পোৱা নাযায়। তদুপৰি ‘ভোজন বিহাৰ’ ভটিমা আৰু গীত

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

‘ব্ৰহ্মামোহন ঝুমুৰা’ত সংযোগ কৰা হৈছে।

**ব্ৰহ্মামোহন ঝুমুৰাৰ কাহিনী অংশ ঃ** ভোজন বিহাৰ ঝুমুৰাৰ দৰে ব্ৰহ্মামোহন ঝুমুৰাতো দাম, শ্ৰীদাম আদি গোপ শিশুৰ স’তে শ্ৰীকৃষ্ণ বৃন্দাবনলৈ গৰু চৰাবলৈ গৈছে। বৃন্দাবনৰ পথত অঘাসুৰ নামে অসুৰে শ্ৰীকৃষ্ণক পৰীক্ষা কৰিবৰ বাবে সৰ্প ৰূপ ধৰি মুখ মেলি আছিল। পথ বুলি ভুল কৰি শ্ৰীকৃষ্ণ, লগৰীয়াসকল আৰু গাই-দামুৰিবোৰৰ সৈতে অসুৰৰ গৰ্ভত সোমাল। তেতিয়া শ্ৰীকৃষ্ণই অৱলীলাক্ৰমে নিজৰ শৰীৰ বৃদ্ধি কৰি অসুৰক বধ কৰিলে। আৰু লগৰীয়া গোপ শিশুসকল আৰু গাই-দামুৰিবিলাক নিজৰ সঞ্জীৱনী দৃষ্টিৰে চাই জীয়াই তুলিলে।

ইফালে ব্ৰহ্মাই গোৰক্ষ-দামুৰি চুৰি কৰি নি গুহাত লুকুৱাই থৈ এবছৰৰ মূৰত বৃন্দাবনত কি ঘটিছে চাবলৈ আহি দেখিলে যে শ্ৰীকৃষ্ণই অকণো হানি-বিঘিনি নঘটাকৈ পূৰ্বৰ দৰে লগৰীয়াসকলৰ সৈতে গাই-দামুৰি চৰাই আছে। তাকে দেখি ব্ৰহ্মাই লুকুৱাই থোৱা ঠাইত চালেগৈ। তাতো গৰখীয়া আৰু দামুৰি পোৱালিবোৰ আগৰ দৰেই আছে। এইবাৰ বৃন্দাবনলৈ আহি ব্ৰহ্মাই প্ৰতিজন গৰখীয়া আৰু প্ৰতিটো দামুৰি পোৱালিৰ মাজত বিষ্ণুৰ ৰূপ দেখা পালে। এনে অদ্ভুত কাণ্ড দেখি সৃষ্টিকৰ্তা ব্ৰহ্মা মূৰ্চ্ছিত হৈ পৰি গ’ল। পুনৰ চেতনা লাভ কৰি ব্ৰহ্মাই শ্ৰীকৃষ্ণক সন্মুখত দেখি নানাভাৱে স্তুতি কৰিবলৈ ধৰিলে আৰু নিজৰ ধৃষ্টতাৰ বাবে ক্ষমা মাগিলে। ইমানতে ব্ৰহ্মামোহন ঝুমুৰাৰ কাহিনী অংশৰ অন্ত পৰিছে।

**ভূষণ হৰণ ঃ**

এইখনি ঝুমুৰাৰ মূল সম্বন্ধে জনা নাযায়। কালিৰাম মেধিয়ে এইখনিত মাধৱদেৱে ৰচনা কৰা নহয় বুলি মত প্ৰকাশ কৰি মাধৱৰ বৰগীতৰ আধাৰতে ঝুমুৰাখনি ৰচিত হোৱা বুলি অনুমান কৰিছে।* কিন্তু এইখনি ঝুমুৰাৰ ভাষা আৰু চৰিত্ৰ-চিত্ৰণ মাধৱদেৱৰ ৰচনাৰীতিৰ লগত সাদৃশ্যযুক্ত।

এদিন কদমতলত লালকাল হৈ থকা কৃষ্ণক যশোদাই দেখা

* ‘ষ্টাডিজ ইন্ দা বৈষ্ণৱ লিটাৰেচাৰ অৱ আসাম’, পৃঃ ১০০।

পালে। শ্যাম শৰীৰত সোণৰ অলঙ্কাৰৰ চিক্‌মিকনি দেখি ৰাধাই ভাবিলে যে কোনো তস্কৰে (চোৰে) "ওহি মানিক পুতলি শ্ৰীকৃষ্ণ একা দেখিয়ে চোঞ্চা মাৰি অলঙ্কাৰ নেৱব।" আলফুলকৈ অলঙ্কাৰখিনি সোলোকাই লৈ ৰাধাই কৃষ্ণক জগালে আৰু তেওঁৰ ভূষণ কি হ'ল বুলি সুধিলে। উত্তৰ দিব নোৱাৰি কৃষ্ণ নিমাতে ৰ'ল। ৰাধায়ো যশোদাৰ হাতত অলঙ্কাৰ গতাই দি সবিশেষ জনালেগৈ। অলপ পিছতে টেটোন কানায়ো মাকৰ ওচৰ চাপিল। মাকে ভূষণ কি হ'ল বুলি সোধা প্ৰশ্নৰ উত্তৰত তেওঁ জনালে যে এজনী গোপীয়ে তেওঁক কিবা নিচা লগা মিঠাই খুৱাই অচেতন কৰি গাৰ ভূষণ সোপাকে চুৰ কৰি নিলে। গতিকে তেওঁৰ একো দোষ নাই। এইদৰে কৈ থাকোঁতেই ৰাধাক ওচৰতে দেখি ধৰা পৰাৰ আশঙ্কাত কানুৱে মাকক ক'লে যে এইজনীয়ে সেই গোৱালী, যি মিঠাই খুৱাই তেওঁক অচেতন কৰিছিল। ৰাধাৰ ইমানেই সাহস যে দিন-দুপৰতে ৰাজপথত চুৰ কৰে, ৰাতি বা আৰু কি কৰে। এয়ে হ'ল কৃষ্ণৰ মনোভাৱ। তেওঁৰ মতে কানাইৰ অলঙ্কাৰ লুকুৱাই থ'ব নোৱাৰি ধৰা পৰাৰ আশঙ্কাতহে ৰাধাই যশোদাৰ হাতত ঘূৰাই দিছে। আগতেও হেনো ৰাধাই তেওঁৰ ভণ্টাগুঁটি চুৰ কৰিছিল। কৃষ্ণৰ এনে মিছা অপবাদৰ প্ৰতিবাদ ৰাধাই নকৰা নহয়, কিন্তু পুত্ৰ-স্নেহত অন্ধ যশোদাৰ কাণত সেইবোৰ নোসোমালে। তেওঁ ঘূৰি ৰাধাকহে ককৰ্থনা কৰি 'দাসীক দাসী ঢাণ্ডি গোৱালী' বুলি খেদি পঠালে। কৃষ্ণ পুনৰ সোমাল মাকৰ বুকুত।

এইখনি ঝুমুৰাত ৰাধাৰ চৰিত্ৰটো মনোমোহা। প্ৰচলিত বিশ্বাসৰ দৰে ৰাধা ইয়াত কৃষ্ণৰ প্ৰেয়সী নহয়। ড$^{0}$ কাকতিয়ে আঙুলিয়াই দিবৰ দৰে ৰাধা কৃষ্ণৰ সম্পৰ্কে ইয়াত বায়েক আৰু সৰু ভায়েকৰ দৰে মৰম চেনেহ আৰু কন্দলেৰে ভৰা।*

**ৰাস-ঝুমুৰা ঃ**

ভাগৱত পুৰাণৰ কাহিনী ভাগৰ আধাৰত এইখন ঝুমুৰাই গঢ়

* 'পুৰণি অসমীয়া সাহিত্য', পৃঃ 49।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

লৈ উঠিছে। শঙ্কৰদেৱৰ 'কেলি-গোপাল' নাটৰ কিয়দংশৰ প্ৰভাৱো ইয়াত দেখা যায়।* ঝুমুৰাখনিত শৃঙ্গাৰ ৰসৰ প্ৰাচুৰ্য চকুত পৰে।

কৃষ্ণৰ প্ৰেমিকা ৰাধাই এদিন কৃষ্ণৰ কাষত অধিক প্ৰেমৰ দাবী কৰি পৰমপুৰুষ ভগৱানৰ "স্কন্ধ বগাৱল"। পিছত নিজৰ ভুল বুজিব পাৰি ৰাধাই কৈছে যে দেৱাদিদেৱ নাৰায়ণৰ মানৱীৰূপ দেখি মায়াৰে মোহিত হৈহে তেওঁ তেনে কাম কৰিলে, গতিকে "অধৰ মধুপান দিয়ে হামাক ৰক্ষা কৰহ।" ৰাধাৰ কাকূতি বাণীত কৃষ্ণ সন্তুষ্ট হ'ল আৰু পুনৰ কেলি-কৌতুক আৰম্ভ কৰিলে।

গীতেৰে ভৰা এইখনি ঝুমুৰাত সংলাপৰ ভূমিকা কম। ৰাধা আৰু কৃষ্ণৰ বাহিৰে তৃতীয়টি চৰিত্ৰ হ'ল সঙ্গি। সঙ্গিৰ মুখতো মাথোন এটিহে বচন আছে।

**কোটোৰা খেলা ঃ**

এইখনি ঝুমুৰাৰ উৎস সম্পৰ্কে জনা নাযায়। কাহিনী ভাগত কৃষ্ণৰ ধেমেলীয়া স্বভাৱৰ ছবি এখন ফুটি উঠিছে।

এদিন কৃষ্ণই গোপশিশু সকলেৰে সৈতে ধেমালি কৰি থাকোঁতে ৰাধিকা গোৱালীয়ে গোপাল বল্লভ প্ৰসাদ বেচিবলৈ আহিল। তাকে দেখি গৰখীয়া সৰে হেতা-ওপৰা লগালে। কথাৰ উখনা-উখনিত ৰাধিকাই পোহাৰ নমাই যমুনাৰ ঘাটেদি যাবলৈ আগবাঢ়িল। পিছে সেইফালেও বাধা দিলে কানায়ে —দুষ্ট লগৰীয়াসৰৰ সৈতে। কানাইক লাগে ঘাটৰ কৰ। সেই ঘাটে নগৈ ৰাধা আহিল মথুৰা ঘাটলৈ। পিছে এইবাৰো গোপশিশু সৰে বোলে—

যেহি দি যাইবি ৰাধে সেহিদি কানাইৰ চকি।
দান নেদি যাহ যদি লৈবোঁ সকল সখি।।
ভাণ্ডৰ মধ্যে লৈবোঁ দান এ পাঞ্চ কাওন।
দণ্ডিয়া মাগন লৈবোঁ হাতেৰে কঙ্কন।।

* 'ষ্টাদিজ ইন্ দা বৈষ্ণৱ লিটাৰেচাৰ অৱ আসাম', পৃঃ 101।

উপায় নাপাই গোপীসকলে এইবাৰ কংসৰাজত গোচৰ দিয়াৰ ভয় দেখুৱালে। কিন্তু হিতে বিপৰীত হ'ল। গৰখীয়াসৰে বোলে — "তোহাৰি কংস ৰাজা হামাৰি কে?" দুষ্ট ল'ৰাজাকৰ উৎপাত সহিব নোৱাৰি গোপীসকলে তেওঁলোকক লৱণু দিবলৈ মান্তি হ'ল কানাইৰ নৃত্যৰ বিনিময়ত। কানায়ে ভুবন-ভুলোৱা নৃত্য গীতেৰে ৰং-ধেমালি কৰি লৱণু মিঠৈ খাবলৈ ধৰিলে।

এটি ভটিমা আৰু চাৰিটি সুন্দৰ গীতেৰে ঝুমুৰাখনি সমৃদ্ধ। কোনো কোনোৱে ইয়াত সুৰদাসৰ 'দধিদান লীলা' আৰু নাৰায়ণ ভট্টৰ 'ব্ৰজভক্তি-বিলাস'ৰ প্ৰভাৱ দেখা পায়।* এইখনি ঝুমুৰাৰ ভাষা-শৈলীৰ কিছুমান বিশেষ ধৰণৰ বাবে সাধাৰণতে মাধৱদেৱৰ মূল ঝুমুৰা সমূহৰ লগত একে শাৰীতে থোৱা নহয় যদিও শেহতীয়া সমীক্ষাত 'কোটোৰা-খেলা'ও মাধৱদেৱৰ স্বৰচিত ঝুমুৰা বুলি সিদ্ধান্ত কৰাৰ সপক্ষে সবল যুক্তি পোৱা গৈছে।*

## মাধৱদেৱৰ নাট, ঝুমুৰাৰ চৰিত্ৰ ঃ

আনুষংগিকভাৱে গোপ-গোপী, গোপসব, গোপীসব, কুবেৰৰ পুত্ৰদ্বয়, বাটৰুৱা, ৰোহিনী, নাৰদ, নন্দ আদিৰ চৰিত্ৰ সংযোজিত কৰিলেও মাধৱদেৱৰ নাট ঝুমুৰাৰ মুখ্য চৰিত্ৰ শ্ৰীকৃষ্ণ আৰু মাতৃ যশোদা। মাধৱদেৱৰ আটাইকেইখন নাট-ঝুমুৰাতেই শ্ৰীকৃষ্ণ আৰু মাতৃ যশোদাৰ চৰিত্ৰ দুটিয়ে মোহনীয় ৰূপত প্ৰকাশ লাভ কৰিছে।

**শ্ৰীকৃষ্ণ ঃ** মাধৱদেৱৰ নাট-ঝুমুৰাকেইখনৰ নায়ক শ্ৰীকৃষ্ণ। শঙ্কৰদেৱৰ নাটসমূহৰ নায়কো শ্ৰীকৃষ্ণ। শঙ্কৰদেৱৰ নাটৰ নায়ক, শ্ৰীকৃষ্ণ পূৰ্ণ বয়স্ক পুৰুষ। কিন্তু মাধৱদেৱৰ নাটৰ নায়ক হ'ল শিশু কৃষ্ণ। শিশু কৃষ্ণৰ চৰিত্ৰ অঙ্কনত মাধৱদেৱৰ পাৰদৰ্শিতা অতুলনীয়। শিশুৰ স্বভাৱসুলভ দুষ্টালি, মান-অভিমান আদি অভিব্যক্তিৰে মাধৱদেৱৰ নায়ক নাটৰ নায়ক শ্ৰীকৃষ্ণ চিৰন্তন মানৱৰ শিশু। আনহাতে এই শিশু কৃষ্ণই কৌটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ

* 'মাধৱদেৱ ঃ ব্যক্তিত্ব ঔৰ কৃতিত্ব'।

* নীহাৰৰঞ্জন মজুমদাৰৰ গৱেষণা-গ্ৰন্থ 'ষ্টাডিজ ইন কোৱানটিটেটিভ লিঙ্গুইছটিক্‌ছ উইথ এ ব্ৰড চাৰ্‌ভে অব মডাৰ্ণ আচামীজ লিটাৰেচাৰ'।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

পৰমপুৰুষ।

নাট ঝুমুৰাসমূহৰ মাজেৰে মাধৱদেৱে দৰ্শক, শ্ৰোতাৰ কাষত এটি ৰহস্য দাঙি ধৰিছে —সাধাৰণ গোপকুলৰ এটি শিশু হৈয়ো লৱণুচোৰ কৃষ্ণ নিখিল ব্ৰহ্মাণ্ডৰ গৰাকী। এই ভাবটোৱে কবিক চৰম আনন্দ দিছে। ভক্ত দৰ্শকজনকো বিস্ময়ত আপ্লুত কৰিছে। কৃষ্ণৰ মোহনীয় শিশু ৰূপৰ ছবিটি যেন মাধৱদেৱৰ হৃদয়ত নিবিড়ভাৱে গাঁঠি থোৱা আছে। দ্বাৰকালীলা বা মথুৰালীলাত তেওঁৰ বিশেষ ৰূপ নাই। আছে কেৱল শিশু কৃষ্ণৰ চোৰ-চাতুৰি, মান-অভিমান, ঠেহ-পেঁচ, ৰং-ৰহইচেৰে ভৰা বিতোপন শৈশৱটোত। প্ৰতিখন নাট-ঝুমুৰাত নাট্যকাৰৰ কল্পনা নৈপুণ্যৰে প্ৰকাশ পোৱা কৃষ্ণৰ চিৰশিশু ৰূপটি অতি আকৰ্ষণীয় অসমৰ গাঁৱলীয়া সমাজৰ শিশুৰ স্বাভাৱিক আৰু সাধাৰণ গুণৰাজিৰে সমৃদ্ধ।

**যশোদা ঃ** ভাগৱত-পুৰাণত কৃষ্ণমাতৃ-যশোদা এক অনন্য সুন্দৰ চৰিত্ৰ। যশোদা ৰূপৱতী, সৰ্বগুণান্বিতা, শান্তশীলা শুচিস্মিতা নাৰী। ভাগৱত পুৰাণৰ মতে দ্ৰোণ নামৰ এজন বসুৱে তেওঁৰ পত্নী ধাৰাৰে সৈতে ভগৱানক নিচেই আপোনৰূপে পাবলৈ বাঞ্ছা কৰি তপস্যা কৰিছিল। তেওঁলোকৰ এই শুভাকাংক্ষাৰ ফলস্বৰূপে দ্বাপৰ যুগৰ শেষত দুয়ো নন্দ-যশোদাৰূপে পৃথিৱীত জাত হয়।*

---

* "মুনিয়ে কহন্ত        দ্ৰোণ নামে, বসু
আছিলা নন্দে পূৰ্বত।
ধাৰা ভাৰ্য্যাসমে        গোকুলত গৈলা
বিধাতাৰ আদেশত।। 272
সেহি কালে দুইকো        ব্ৰহ্মা বৰ দিলা
কৃষ্ণত হৈব ভকতি।
দ্ৰোণে নন্দ ভৈলা        ধাৰায়ে যশোদা
দুয়ো ভৈল উতপতি।।"        - দশম স্কন্ধ, ভাগৱত।

নন্দ-যশোদাৰ মনৰ বাঞ্ছা ভগৱান শ্ৰীকৃষ্ণই পূৰণ কৰে। মথুৰাত কংসৰ বন্দীশালত জন্মৰ সময়ত শ্ৰীকৃষ্ণই তেওঁক লৈ গৈ যমুনাৰ সিপাৰৰ গোপৰাজ নন্দৰ ঘৰত থৈ আহিবলৈ পিতৃ বসুদেৱক নিৰ্দেশ দিয়ে। সেইমতে বসুদেৱে সদ্যজাত কৃষ্ণক নন্দৰ গৃহলৈ লৈ যায়। নন্দ-পত্নী যশোদাৰ শয্যাত কৃষ্ণক শুৱাই থৈ নিদ্ৰিত যশোদাৰ কন্যা সন্তান যোগমায়াক লৈ বসুদেৱ বন্দীশাললৈ উভতি আহে। এইদৰে কৃষ্ণ নন্দ-যশোদাৰ সন্তানৰূপে গোকুলত লালিত-পালিত আৰু বৰ্ধিত হয়।

ভাগৱত পুৰাণৰ অন্যতম শ্ৰেষ্ঠা নাৰী চৰিত্ৰ যশোদা শান্ত সৌন্দৰ্যৰ প্ৰতিমূৰ্তি সুশীলা নাৰী। মাতৃ কাৰুণাময়ী ৰূপৰ প্ৰতীক। ৰুক্মিণী, সত্যভামা যিদৰে কৃষ্ণৰ পিছৰ জীৱনত তেওঁৰ প্ৰতি অতি অনুৰক্তা নাৰী আছিল, সেইদৰে কৃষ্ণৰ শৈশৱ, কৈশোৰত তেওঁৰ প্ৰতি অতি অনুৰক্তা নাৰী মাতৃ যশোদা। যশোদাৰ কৃষ্ণ অনুৰাগ নিস্বাৰ্থ মাতৃ স্নেহৰ। পত্নীৰূপে ৰুক্মিণী, সত্যভামা আদিৰ কৃষ্ণ প্ৰেমত অণুমাত্ৰ স্বাৰ্থ কেনেবাকৈ থাকিলেও মাতৃ যশোদাৰ কৃষ্ণস্নেহ কিন্তু সম্পূৰ্ণ স্বাৰ্থশূন্য। কৃষ্ণ তেওঁৰ জীৱনৰ সাধনাৰ ধন, হৃদয়ৰ আনন্দ, তেওঁৰ সমগ্ৰ সত্তাজুৰি এক অনিৰ্বচনীয় স্নিগ্ধ অনুভূতি, তেওঁৰ জীৱন জেউতি। শিশুকৃষ্ণ মাতৃ যশোদাৰ স্নেহেৰে ধন্য। ভাগৱতৰ যশোদা এক মৰ্যাদাসম্পন্ন নাৰী। শঙ্কৰদেৱৰ নাট 'কালিয়দমন'তো যশোদাৰ শান্তৰূপেই প্ৰকাশ হৈছে। মাধৱদেৱৰ নাটতো যশোদা অত্যন্ত স্নেহশীলা মাতৃ। কিন্তু তেওঁ মাজে মাজে এগৰাকী সাধাৰণ গাঁৱলীয়া তিৰোতাৰ দৰে মুখৰা হৈ উঠে। সেইবাবে মাধৱদেৱৰ ঝুমুৰাসমূহৰ মাতৃ যশোদা বেছি মানৱীয় গুণসম্পন্না হৈ পৰিছে। ভাগৱত-পুৰাণৰ যশোদাৰ দৰে তেওঁ ইয়াত এটি আধ্যাত্মিক চৰিত্ৰ হৈ থকা নাই। যশোদা মুখৰা, কলহপ্ৰিয়া, বহুবঙ্কিতা দোষযুক্ত, কঠোৰ পুত্ৰ শাসিকা, আনহাতে পুত্ৰৰ মৰমত বিগলিত হৈ পৰা এগৰাকী মৰমিয়াল মাতৃ। ঝুমুৰাসমূহত দৰ্শকে যশোদাক নানা ৰূপত দেখে। চিৰন্তন মাতৃ ৰূপত, সু-গৃহিণী ৰূপত, যোগ্য পত্নী ৰূপত, ৰাজৰাণী ৰূপত, কঠোৰ পুত্ৰ শাসিকা ৰূপত আৰু স্বামীৰ এষাৰো টান মাত সহিব নোৱাৰা আত্মাভিমানী স্ত্ৰীৰ ৰূপত।

**অন্যান্য চৰিত্ৰ ঃ**

নাটকখনত অন্যান্য চৰিত্ৰৰ ভিতৰত আছে নন্দ, ৰোহিনী আৰু কুবেৰ পুত্ৰদ্বয়। চৰিত্ৰ কেইটাও নাটখনত গৌণ স্থান লাভ কৰিলেও নাটকৰ কাহিনী বিকাশ আৰু মুখ্য ভাৱৰীয়া কৃষ্ণ যশোদাৰ চৰিত্ৰ দুটি ফুটাই তোলাত সহায় কৰিছে। বৃদ্ধ নন্দৰ পুত্ৰস্নেহ আৰু কৃষ্ণক বান্ধি থোৱা কাৰণে যশোদাক দেখুওৱা ক্ৰোধৰ কথা মন কৰিবলগীয়া; কিন্তু নন্দৰ খং দেখি যশোদাই ওলোটাকৈ নন্দক ধমক দিয়াত আৰু যশোদাৰ



ধমক শুনি নন্দ 'চুপ কয়ল'। ইয়াৰ পৰা বুজিব পাৰি যে নন্দই যশোদাক মানি চলিছিল। নন্দ যশোদাৰ কলহৰ অসমীয়া দম্পতি কলহৰ এটি চিত্ৰ অঙ্কিত হৈছে।

ৰোহিণীৰ চৰিত্ৰৰ যোগেদি এগৰাকী স্নেহশীলা নাৰীৰ চৰিত্ৰই প্ৰকাশ পাইছে। যশোদাই কৃষ্ণক বান্ধিবলৈ ধৰা দেখি ৰোহিণীয়ে যশোদাক ভৰিত ধৰি কাকুতি জনাইছে যাতে 'প্ৰাণ পুতলি কৃষ্ণ'ক সাধাৰণ অপৰাধতে নাবান্ধে; কিন্তু ৰোহিনীৰ কথাত যশোদাৰ খং এখোপ চৰিহে গ'ল আৰু কৃষ্ণক টানি টানি বান্ধিবলৈ ধৰিলে। ইয়াত ৰোহিণীৰ চৰিত্ৰৰ বিপৰীতে যশোদাৰ খং আৰু নিষ্ঠুৰতা প্ৰকাশ পাইছে।

নল-কুবেৰ আৰু মণিগ্ৰীৱৰ চৰিত্ৰৰ যোগেদি কৃষ্ণৰ অলৌকিক শক্তি প্ৰকাশ পাইছে। অলৌকিক শক্তিৰ আধাৰ হোৱা কাৰণেহে শিশু কৃষ্ণই অৰ্জুন গছ দুজোপা ভঞ্জন কৰিবলৈ সমৰ্থ হৈছিল আৰু গছ দুজোপাৰ পৰা নলকুবেৰ আৰু মণিগ্ৰীৱৰ আৰ্বিভাৱ হৈছিল। কুবেৰ পুত্ৰদ্বয় স্তুতিৰ যোগেদি শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব প্ৰকাশ পাইছে।

**অৰ্জুন-ভঞ্জন নাট আৰু ঝুমুৰা কেইখনত থকা ৰস ঃ**

অৰ্জুন-ভঞ্জন নাট আৰু ঝুমুৰা কেইখনত থকা ৰস নায়ক শ্ৰীকৃষ্ণ মানৱ শিশু যদিও প্ৰকৃততে তেওঁ যে পৰম পুৰুষ ভগৱান আৰু ভক্তৰ মনোবাঞ্ছা পূৰণৰ অৰ্থতে যে মানৱী ৰূপ ধাৰণ কৰিছে এই কথা নাট আৰু ঝুমুৰা একাধিক ঠাইত বৰ্ণনা কৰাৰ ফলত পাঠক বা দৰ্শকে শ্ৰীকৃষ্ণৰ কাৰ্যবোৰ স্বাভাৱিকতে ভগৱানৰ লীলা বুলিয়ে ধৰি লয়। ফলত ভক্তিভাৱে প্ৰাধান্য লাভ কৰিছে। ফলত কৃষ্ণৰ দধি ভাণ্ড ভঙা, মাখন খোৱা, মাকৰ ভয়ত দৌৰা আদি কাৰ্যই দৰ্শকৰ মনত হাস্য ৰসৰহে সৃষ্টি কৰে। সেই দৰে নন্দ-যশোদাৰ কলহৰ চিত্ৰয়ো ৰৌদ্ৰ ৰসতকৈ হাস্য ৰসৰহে অধিক সমল যোগায়। ৰোহিণীৰ উক্তিত কাৰুণ্য প্ৰকাশ পাইছে। যশোদাই কৃষ্ণক বান্ধিব খোজোতে দু-আঙুলৰ বাবে ৰচী চুটি হোৱা আৰু ধুমুহা বজ্ৰপাত নোহোৱাকৈ অৰ্জুন গছ দুজোপা উভালি পৰা আৰু তাৰ পৰা দুজন দিব্যপুৰুষ ওলোৱা ঘটনাত অদ্ভুত ৰসৰ সৃষ্টি হৈছে।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

# অৰ্জ্জুন-ভঞ্জন যাত্ৰা

## ।। শ্ৰীকৃষ্ণায়ে নমো নমঃ।।

শ্লোক ঃ ৱালায় নীলবপুযে[1] তনুকিঙ্কিণীক-
ধ্বানাভিৰামজঘনায় দিগম্বৰায়।
শাৰ্দ্দূলদিৱ্যনখভূষণভূষিতায়
নন্দাত্মজায় নৱনীত ভূজে নমস্তে[2] ।।1 ।।

অপি চ ঃ যো লোকভাৰোদ্ধৰনায়[3] চক্ৰী-
চক্ৰেহৱতাৰং[4] ৱসুদেৱ গেহে।
গোপীজনানন্দকৰো মুকুন্দঃ
পায়াত স ৱো যাদৱৰাজসিংহঃ।।2 ।।

সূত্ৰ ঃ আহে[5] সামাজিক লোক ঃ জে চৰাচৰ গুৰু নাৰায়ণ ঃ সৰ্ব্বলোক হিত কাৰণে ঃ নন্দক মন্দিৰে ঃ বেকত হুয়াকহুঁ [6] ঃ কপট গোপবেশে ঃ পৰম মঙ্গল ৰূপ* ঃ নানান[7] খেলনা[8] কয়কহুঁ ঃ জযোৱাক[9] মন সন্তোষিয়ে ঃ জৈচন কৃড়া[10] কয়ল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ সিন্ধুড়া।। একতাল+

ধ্ৰুং ঃ আৰে বালক কানু কয়ো পৰসাৰা।
সঙ্গে জযোৱা মাই কৰত বিহাৰা।।

পা. 1।নীলায় ৱাল ৱপুযে 2।ভাৱ ধৰণায়; ভাৰহৰণায় 3।নমোস্তু 4।চক্ৰেৱতাৰং 5।হে, অহে 6।কহোঁ, কহো 7।নানা ৰসে 8। খেলান; 9।জযোৱা, জযোদা, জযোৱা, জযোৱা, জযোৱা, জযোদা; আমি 'জযোৱা' ৰূপ গ্ৰহণ কৰিছোঁ।10।ক্ৰীড়া /ক্ৰিড়া;

* কোনো কোনো পুথিত 'পৰম মঙ্গল ৰূপ' এই বাক্যখণ্ড নাই।

+ পা. (ক) গিত ৰাগ সিন্ধুৰা।। 1। তালি, (খ) প্ৰৱেশ গিত।। ৰাগ সিন্ধুড়া।। মান একতালি ইত্যাদি



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

পদ ঃ তৃভুৱন মোহন মূৰুতি সুৱেস।
শ্যাম ধাম নিল কুঞ্চিত[11] কেশ।।
আৰকত অধৰ বয়নে ৰুচি হাস।
আয়ত নয়ন পঙ্কজ পৰকাষ।।1 ।।
কৰযুগ কঙ্কণ কেয়ূৰ ৰঞ্জে।
পঙ্কজ চৰণ ভকত ভয় ভঞ্জে।।

মণিময় মঞ্জিৰ ৰুণঝুণ ৰোল।ৰূপে ভুৱন[12] মোহে[13] মাধৱ বোল।। 2।।1।।

সূত্ৰ ঃ ঐচন প্ৰৱেশ কয় ঃ শ্ৰীকৃষ্ণ এক পাস হুয়া ৰহল ঃ তদনন্তৰ ঃ এক দিৱসে জযোৱা ঃ নানা গৃহকৃত্যে দাসিসৱক নিয়োজিয়ে ঃ জৈচে আপুনি দধি মথিতে লাগল ঃ তাহে দেখহ সুনহ।।

জযোৱা বোল ঃ আহে গোৱাৰিসৱ[14] ঃ তোৰাসৱ কৈচন দধিমথন কৰহ ঃ ওহি দধিক কলসে ঃ পুৰুৱক সমান লৱণু কৈছে

নাহি পাৱত ঃ তোৰাসৱক গাৱে কি বল নাহি ঃ অৱহেলা কৰিয়ে ঃ দধি মথিয়ে ঃ লৱণুসৱ টুটাৱলি ঃ তোহোঁসৱ আনকৃত্য কৰহ ঃ আজু হামু আপুনে দধি মথন কৰব ঃ জৱে অধিক লৱণু পাৱঞো ঃ তৱ তোৰাসৱক ঃ জে জানু তা কৰব।।

সূত্ৰ ঃ ওহি বুলি জযোৱা ঃ দিব্য বস্ত্ৰ অলঙ্কাৰ পৰিধান কৰিএ ঃ মালতি আদি নানা সুৰভি কুসুমে ঃ কেস বেস বনিয়ে ঃ নবিন কুঙ্কুমে কুচ যুগ মণ্ডিয়ে ঃ কজ্জলে নয়ন[15] ৰঞ্জিয়ে ঃ কৰ্পূৰ তাম্বুল ভুঞ্জিয়েঃ জৈচন দধি মথিতে লাগল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

11।আকুঞ্চিত পা. 12।মদন, 13।ভুলে, 14।গোপিসৱ, 15। নয়ন দুকু

গীত ঃ রাগ বড়াৰি।। পৰিতাল

ধ্রুং ঃ মথন মথে জযোমতি মাই।
হৰিগুণ গাৰত বয়নে মিলাই।।

পদ ঃ কঙ্কণ হাৰ কুণ্ডলে গণ্ড লোলে।
চৰণ মাঝে মণি মঞ্জিৰ ৰোলে।।
মনোৰম ক্ষৌম[16] বসন পৰিধানে।
কম্পয়ে কুচযুগ ৰযু[17] সন্ধানে।। 1।।
উচল খোপা কুসুমে ৰঞ্জি কেশ।
কজ্জলে নয়ন উজ্জ্বল কৰু বেশ।।
আগহি নিজ তনয়ক পেখি।
ৰূপ বিনাৰত নয়নে নিৰেখি।। 2।।2।।

সূত্র ঃ সোহি সময়ে শ্রীকৃষ্ণঃ জযোৱাক আগু ঃ কৌতুকে নানা খেলনা কয় থিক। জযোৱা আপুন বালকক আগে দেখিয়ে ঃ কৃষ্ণক নির্ম্মল বদন পঙ্কজ নিৰেখিয়ে ঃ কৃষ্ণক সুকোমল লিলা ঃ সুন্দৰ ৰূপ ঃ মনোহৰ হাস্য লাস্য ঃ বিনোদ বর্ণ্ণাৰত।।

জযোৱা বোল ঃ হে বাপু কৃষ্ণ ঃ তোহোঁ হামাৰি কোটি পুৰুষক পৰম দেৱতা ঃ মাথাক মুকুট ঃ শিৰেৰ ভূষণ ঃ গলাৰ সাতসৰি ঃ কর্ণেৰ কুণ্ডল ঃ কৰেৰ কঙ্কণ। আহে বাপু ঃ তোহাঁৰি অৰুণ অধৰক বালাই লএঁো ঃ মধুৰ হাস্যে ৰহয়া জাএঁো[18]ঃ ৰাতুল চৰণক হুয়া মৰিয়ে জাএঁো ঃ ভালাৰে নয়না ঃ কিনা মধুৰ মূৰুতি ঃ ভালাৰে খেলনা ঃ বাপু মোৰ ঃ আতি শিশুকালে ঃ পুতনা শুষিলা ঃ চৰণক আগে ঃ শকট উচটিন কয়ল ঃ চক্রবাতক প্রাণ লেলহ ঃ বহু শিশুভাৰ কৰিয়ে ঃ হামাক বহুতৰ আনন্দ কৰাৰ থিক।।

16। খোম; স্যাম 17। ৰজ্জু, 18। মধুৰ হাস্যেৰ হুয়া মৰিয়ে জাএঁ



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

সূত্র ঃ জযোৱা ওহি পৰকাৰে ঃ কৃষ্ণৰ গুণ বর্ণ্ণাইতে ঃ দধিমথনক শ্রম জানয়ে নাহি ঃ শ্রীকৃষ্ণ মাধৱ শ্রম দেখিয়ে নিজে বোলয়ে লাগল[19]।।

শ্রীকৃষ্ণ বোল ঃ হামু পৰম ঈশ্বৰ ঃ লক্ষ্মিৰ নায়ক ঃ ইহাৰি গৃহে ঃ ভকতিক বস্য হুয়া ৰহলছি[20] ঃ হামু জিৱক পৰম দুর্ল্লভ ঃ হামাকু পাই ঃ মন পূৰণ নাহি ভেল ঃ বস্তুক বাঞ্ছা নাহি টুটত ঃ হামাক ভকতা গোপিসৱক ঃ কোপ কৰিয়ে ঃ লৱণু অধিক কৰিয়ে ঃ গোপিসৱক দণ্ড কৰিতে ঃ অতয়ে শ্রম কৰিতে লাগল ঃ ইহাক আয়ু লৱণু তুলিতে নাহি দেঅব।।

পদ ঃ মাৱক শ্রম পেখিয়ে তুলি হাসি।
মথন দণ্ডে ধৰল হৰি আসি[21]।।
তেজল মথন জযোমতি মাই।
মাধৱ দিন মূৰুখমতি গাই।। 3।।2।।

সূত্র ঃ শ্রীকৃষ্ণ ওহি বুলি ঃ হাসি হাসি ঃ মাৱক নিকট চাপিয়ে ঃ মথনি দণ্ড ধৰিয়ে ৰহল ঃ তাহে পেখি জযোৱা বোলল।।

জযোৱা বোল ঃ আহে পুতা শ্রীকৃষ্ণ ঃ লৱণু তুলিতে সময় ভেল ঃ পাক যুৰাইলে[22] লৱণু নাহি পাঅব ঃ তোহোঁ মথন দণ্ড ছোড়হ।।

শ্রীকৃষ্ণ হাসিয়ে বোল ঃ হে মাই ঃ তোহাৰি স্তন পান কৰিতে বহুত ইছা হুয়া আছে ঃ হামাকু স্তন পান কৰাৰ ঃ হামু স্তন পান কৰিয়ে ঃ খেলানে চলব ঃ তুহুঁ অনন্তৰে লৱণু তোলৱ।।

সূত্র ঃ কৃষ্ণক নিবন্ধ দেখিয়ে ঃ জযোৱা বোল।।

জযোৱা বোল ঃ ওহি চণ্ড বালক ঃ পয়োধৰ নাপায়া ঃ অৱ ছোড়ব নাহি ঃ ইহাক স্তন পান কৰয়ে পঠাএঁো।।

সূত্র ঃ ওহি বোলি জযোৱা হাসিয়ে ঃ কৃষ্ণক কোলে তুলিয়ে ঃ বদনে চম্বুন দিয়ে ঃ আনন্দে স্তন পান কৰাৰত ঃ শ্রীকৃষ্ণে

পা. 19। মনে বোল ; মনে বোলয়ে লাগল; 20। ৰহছি, ৰহৈছি 21। হাসি, 22। জুড়ইল

পৰম সন্তোষে ঃ মাৰক স্তন পান কয়ে লাগল ঃ সোহি সময়ে গোপিসৱ জযোৱাক ডাকি বোল।।

গোপিসৱ বোল ঃ হে মাই জযোদে ঃ ঘোষি দিয়ে ঃ থালি ভড়িয়ে ঃ জে খিৰ থয়াছ[23] সে উথলি পড়য় ঃ তোহোঁ ৰাখোসিয়া[24] ঃ হামুসৱ অৱজৱ নোহো পায়ি ঃ মাই সত্বৰ আৰ ঃ সত্বৰ আৰ।।

সূত্ৰ ঃ তাহে শুনিয়ে জযোৰা বোল।

জযোৰা বোল ঃ হে পুতা ঃ গোৱাৰিসৱ ডাকয় ঃ ঘোষিক খিৰ উথলি পড়য় ঃ হামু তাহেক ৰাখো গিয়া ঃ তুহোঁ তনপান ছোড়হ।।

সূত্ৰ ঃ জযোৱাক বোলে ঃ শ্ৰীকৃষ্ণ স্তন পান নাহি ছোড়তঃ পেখি জযোৰা কোপে কোল হন্তে ঃ মাটিত থেকচাই থৈয়া কহুঁ ঃ লৰৰি খিৰ ৰাখিতে গেল ঃ তথি গৈয়া খিৰ উতাৰি থঞোঁ বুলি ঃ তথি ৰহল ঃ শ্ৰীকৃষ্ণ মাৰক ভাৱ দেখিয়ে বোল।।

শ্ৰীকৃষ্ণ বোল ঃ হামু কোটি কোটি ব্ৰহ্মাণ্ডক নায়ক ঃ ব্ৰহ্মাদি দেৱকু পৰম দেৱতা ঃ হামাকু মহা মহা জজ্ঞে ঃ সন্তোষ কৰাইতে নাহি পাৰত ঃ সে হামু নিজগুণে ভকতক বশ্য হুয়া ভকতসৱে শ্ৰদ্ধায়ে ঃ যে বস্তু হামাকু দান কৰত ঃ তাহেক হামু পৰম সন্তোষে ঃ হামাৰ উদৰবৰ্ত্তি ব্ৰহ্মাণ্ডসৱক ঃ শুদ্ধ বস্তুএ পৰিত্ৰ হোক বুলিয়ে ঃ ভোজন কৰোহোঁ। অভক্তসৱে জে বস্তু দেৱত ঃ তাহেক মাত্ৰ ভোজন কৰোহোঁ। কিন্তু ভকতক কৃপায়ে চৌৰি কৰিকহুঁ ভকতক বস্তু স্বিকাৰ কৰোহোঁ ঃ দেখু ঃ সে হামাক ঃ ওহি সাহঙ্কাৰি ঃ নিদাৰুণি গোৱাৰি ঃ সামান্য শিশু মানিয়ে ঃ স্তন পান ছোড়ায়া ঃ মাটিত আছাড়ি পে !ই ঃ খিৰ ৰাখিতে গেল ঃ হামাতো কৰিয়ে ঃ কড়া

23। থয়া আছ ; থৈয়া আছ 24। ৰাখ আসিয়া ; ৰাখোগিয়া



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

দুইক খিৰ ঃ অধিক মানল ঃ তাহেক হানি হুইতে ঃ গাৰ নাহি সহল ঃ পেখো আজু হামু হানি কৰিতে ঃ পাৰোঁ কি নাহি পাৰোঁ ঃ তাহেক পেখোক।।

সূত্ৰ ঃ ওহি বোলি শ্ৰীকৃষ্ণ ঃ কোপে পটাপুত্ৰ হানিয়ে ঃ মঠনি মাঠি ভাঙ্গিয়ে দধিসৱ নাসিয়ে ঃ খোপি পসিয়ে ঃ বানৰসৱ সহিতে ঃ জৈছে লৱণু ভোজন কৰত ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ গৌৰী।। পৰিতাল, জৌতি[25]

ধ্ৰুং ঃ
স্তনপান বিনে ৰোষিত[26] গোৱিন্দ
কোপিত জননিক লাই।
হামাকু পয়োধৰ পান ছোড়াই
খিৰ ৰাখিতে গয়ো মাই ৰে[27]।।

পদ ঃ
অৰুণ অধৰ দুহোঁ কোপে কম্পাৰত
ওষ্ঠ কামুৰি ধৰি দন্ত।
পটা পুত্ৰ হানি মথনি মাঠি ভাঙ্গিএ
খুপি পৈসল ভগৱন্ত ৰে।। 2।।
উড়ল উপৰে[28] চড়ি লৱণু ভুঞ্জন্ত হৰি
বানৰসৱ লৈয়া সাতে[29]।
পিণ্ড লৱণু বানৰ মাঝে খেপল
বানৰে ধৰয় লুম্ফি হাতে ৰে।। 2।।
খিৰ উতাৰি আসিয়া মায়ে দেখল[30]
ভাঙ্গল মথনি মধাই।
সৱ দধি নাসল[31] কতিহু পলাৱল
দিন মাধৱ গুণ গাই ৰে।। 3।।

পা. 25। মান পৰিতাল ; পৰিতাল যতি /জতি 26। ৰসিক, ৰষিক ; 27। ‘ৰে’ নাই 28। উৱৰে 29। সাথে, 30। আসিয়ে মায়ি দেখত 31। নাযল, নাখল।

সূত্ৰ ঃ তদনন্তৰ ঃ জযোৱা খিৰ নমায়া ঃ আসিকহুঁ দেখল ঃ মথনি-মাঠি ভাঙ্গল ঃ সৱ দধি নাষ ভেল ঃ দেখি জযোৱা বোল।।

জযোৱা বোল ঃ আঃ ওহি কৃষ্ণক কাম ঃ তেখনে কোল হন্তে নাময়ে নাহি ঃ হামু বলেসে নমাৱলো ঃ স্তন পান কৰিতে নপাৱল ঃ সোহি কোপে মাঠি ভাঙ্গিয়ে ঃ দধি নাষ কয়কহুঁ ঃ মাৰণক ভয়ে পলাৱল ঃ আগু ঘৰ মাঝে চাঞেঁ।।

সূত্ৰ ঃ ওহি বোলি জযোৱা ঃ হাতে বাড়ি ধৰিয়ে ঃ পাৱ মাৰিয়ে ঃ খোপি পখিয়ে দেখল ঃ শ্ৰীকৃষ্ণ উড়ল উৱৰে বৈঠিকহুঁ ঃ নৱিন হয়ঙ্গমি[32] ঃ আপুনো ভোজন কৰত ঃ বানৰ সৱকো ভোজন কৰাৱত। তদনন্তৰ ঃ মাৰক পেখিয়ে ঃ ভয়ে সঙ্কিত নয়নে ঃ শ্ৰীকৃষ্ণ জৈচে পলাৱত ঃ জযোৱা জৈছে পাচু পাচু খেদয় ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ কমোদ।। জৌতিমান[33]

ধ্ৰুং ঃ
পলাৱে জগতপতি নন্দজায়া জযোমতি
লড়ুধৰি পাচু পাচু ধাই।
কৰি আছ অপৰাধ কবহুঁ নাহিকে বাধ
তাড়ন এড়ন নযাই।।

পদ ঃ
ভাঙ্গিয়া মথনি মাঠি দধিসৱ কৈলে নাষি
নৱিন লৱণু আছা খায়া।
মাৰৰ উঠিছে ৰাগ নাপাই নছাড়িবা লাগ
ভয়ে কাম্পে থিৰ নুহি কায়া।। 1।।

জযোৱা বোল ঃ হে বালক ঃ তুহুঁ আৰ কতি জাৱব ঃ ৰহ ৰহ ঃ হামাকু আগু আজু পলাৱব ঃ তুহুঁ জাহা জাৱব ঃ হামু তাহা[34] খেদব ঃ চোৰি কৰিএ ঃ দধি দুগ্ধ লৱণু খায়া ঃ সৱ গোকুল ছন্ন

32। হৈৱঙ্গহি 33।যতিমান, জতিমান 34।তঙ্ক





কৰিএ ঃ হামাকু হাত লগাৱল ঃ আজু তোহাক তাড়না কয়ে সিকাৱব।।

পদ ঃ
লাগল পাইলু মঞিঁ আৰ কতি জাইবি তঞিঁ
কত দুখ দিয়া আছ মোৰে।
পলাই আজি জাইবি জথা হামু ধায়া জাইবো তথা
আৰ লাগ নছাড়িবো তোৰে।। 2।।
মহা মহা জোগিগণে পৰম নিৰ্ম্মল মনে
চিন্তিয়া নপাই লাগ জাৰে।
সৱাৰো আতমা হৰি হাতে গোপি লডু ধৰি
ধায়া ফুৰে তাৰে মাৰিবাৰে।। 3।।[35]
জননিৰ দুখ দেখি হাতে কচলিয়া আখি
কান্দিয়া ৰহিলা জেন ডৰে।
দেখিয়া জযোৱা ৰাণি তনয়ৰ ভয় জানি
ধৰিলা তেজিয়া বাড়ি কৰে।। 4।।[36]
জাৰ সুমৰণে ডৰি কালো কাম্পে তৰতৰি
জাৰ নামে মুকুতি মিলয়।
জননিক হুয়া ভয় কাম্পয় হেনয় হৰি
দিন মাধৱ দাসে কয়।। 5।।

সূত্ৰ ঃ তদনন্তৰ ঃ শ্ৰীকৃষ্ণ মানুষ ভাৱ দেখায়া ঃ পলাইতে জেন নাহি পাৰিয়ে ঃ মাধৱ ভয়ে হাতে আখি ঢাকিয়ে ঃ কান্দিতে ৰহল ঃ জযোৱা পুত্ৰক ভয় দেখিয়ে ঃ হাতক বাড়ি পে !ায়া ঃ কৃষ্ণক কৰে ধৰিকহুঁ ঃ আপুন গৃহে আনিয়ে ঃ জৈচে গৰুক পাগে ঃ কৃষ্ণক বান্ধিতে লাগল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।। 9।।

35। কোনো কোনো ছপা পুথিত এইটো 4 সংখ্যক পদ। 36। কোনো কোনো পুথিত এইটি 3 সংখ্যক পদ।

গীত ঃ ৰাগ ঃ কানাড়া[37] ।। পৰিতাল

ধ্রুং ঃ লৱণু চোৰা বুলি জযোৱা মাই।
গোকণ্ঠ পাশে[38] বান্ধত জদুৰাই।।

পদ ঃ পূৰ্ব্বাপৰ অন্ত নাহি জাহাৰু।
সোহি পৰম গুৰু[39] জগত আধাৰু।।
বাহিৰে ভিতৰে জাকেৰি নাই।
গোৱাৰি বান্ধে লৱণু চোৰা পাই।। 1 ।।
গাৱ সন্ধানে জাযোৱা ৰজু টানে।
জোড়য় নাহি আঙ্গুল দুহো মানে।।
পুনু পুনু ৰজু বিচাৰ কয় আনি।
উদৰে মেহ্লাই[40] বান্ধয় সতি টানি।। 2 ।।
তৱহো নোজোড়ে আঙ্গুল দুহোঁ পাসে।
পেখিয়ে গোপ ৰমনিসৱ হাসে।।
হৰিকহো তত্ত্ব জানয়ে নাহি কোই।
মাধৱ কহ গতি গোৱিন্দ মোঞিও।। 3 ।।

সূত্র ঃ জযোৱা লৱণু চোৰা পাই ঃ কৃষ্ণক বান্ধয় সুনিয়ে ঃ গোপিসৱ জযোৱাক ঠামে আৱল। সোহি সময়ে শ্ৰীকৃষ্ণ ঃ নিজ যোগমায়া বেকত কয়ল। জযোৱা কৃষ্ণক উদৰে জড়ি মেহ্লাই ঃ আনিতে দেখত ঃ অঙ্গুল দুহোঁ আণ্টয়ে নাহি। [পুনু আৱৰ জড়ি আনিয়ে ঃ জোড়ায়া বান্ধত ঃ সোহি আঙ্গুল দুহোঁ আণ্টয়ে নাহি][41] ঃ ওহি পৰকাৰে ঃ বাৰম্বাৰ ঘৰ মাঝে ঃ জত জড়ি পাৱল ঃ সৱকহো জোড়ায়া মেহ্লাৱত ঃ তৱহোঁ দুহোঁ আঙ্গুলা আণ্টয়ে নাহি ঃ পেখিয়ে গোৱাৰিসৱ জাযোৱাক বোলল।।

37।কানড়া 38।পাগে (পাঘে) 39।জগত গুৰু 40।মেঢ়াই/মেঢ়্ৰই 41। কোনো কোনো পুথিত বন্ধনীৰ ভিতৰৰ অংশ পোৱা নাযায়





গোৱাৰিসৱ বোল ঃ হে মাই জযোদে ঃ তোহাৰি ঐচন দাৰুণ হৃদয় ঃ ওহি মানিক পুতলি শ্ৰীকৃষ্ণ ঃ সৱ গোকুলক জিৱ প্ৰাণ ঃ তোহাৰি নিজ বালক ঃ তাহেক কোন অপৰাধে ঃ অতয়ে ৰাগে ঃ গৰুক পাগে ঃ উদৰে কৈচন বন্ধন কৰহ ঃ কোন চাৰ পুৰাতন কলসখানি ভাঙ্গল ঃ কড়া দুইক ধন হানি কয়ল ঃ গোৱাল ঘৰে লৱণু কে পুছত ঃ কমন হানি ভেল ঃ হে মাই ঃ কৃষ্ণক মহিমা নাহি দেখত ঃ অতএ জড়ি জোড়ায়া বন্ধন কৰিতেছ ঃ তৱ কি বান্ধিতে পাৰহ ঃ অতএ মহিমা দেখিয়ে ঃ তথাপি জ্ঞান নাহি উপজল ঃ তৱহু কৃষ্ণক বান্ধিতে আসা কৰিতেছে ঃ হে মাই ঃ তোহাৰি পায়ৰে[42] লাগোঁ ঃ ওহি প্ৰাণধন কৃষ্ণক বান্ধবি নাহি।।

সূত্র ঃ গোপিসৱক ঐচন বানি সুনিএ ঃ জযোৱা কোপ কৰিয়ে বোলল।। 9 ।।

জযোৱা বোল ঃ আহে গোৱাৰিসৱ ঃ ওহি কৃষ্ণক কত অপজষ ঃ হামাক আগু কহইছ ঃ আজু আৰ্দ্দাসক[43] সময় নাহি হয় ঃ হামাকু বাধা কৰিতে আৱল ঃ অৱ জে বোলল ঃ তাহে হামু সহলো ঃ আৰ জৱ বোলহ ঃ তৱ হামাকু বাত বুজব।

সূত্র ঃ ওহি বুলি জযোৱা ঃ গোপিসৱক তাৰ্যিয়ে[44] ঃ পুনু কৃষ্ণক বান্ধিতে লাগল ঃ পেখিয়ে ৰোহিনি বোলল।।

ৰোহিনি বোল ঃ হে সখি জযোদে ঃ আজু তুহুঁ কি ভেলি ঃ গোকুণ্ঠ পাশে ঃ কৃষ্ণক বান্ধিতে লেলি ঃ তোহাৰি ঐচন কঠিন হৃদয় ভেল ঃ ওহি প্ৰাণ পুতলি কৃষ্ণক ঃ স্নেহ কৈচন দূৰ গৈলে[45] ঃ ওহি কৃষ্ণক বাৰম্বাৰ সহছ[46] ঃ আজু থোৰেকত অপৰাধ কয়ল ঃ তাহেক সহলি নাহি ঃ ওহি কৃষ্ণক ঃ আপুন

42।পয়ৰে ; পয়েৰে 43।অৰ্দ্ধাশক 44।তৰ্জ্জিয়ে, ভৰ্চ্চিয়ে পা. 45।কৈছন দূৰ কয়লি 46।সহইচ

পুত্ৰ বালাইতো ঃ সতগুণ অধিক দেখোঁ ঃ হামু জানোঁ তোহোঁ আপুন প্ৰাণতো অধিক দেখহ ঃ সখি ঃ বৃদ্ধ নন্দে জত ধন জন প্ৰাণ ঃ সবাতো অধিক দেখত ঃ সোহি কৃষ্ণক ওহি অৱস্থা দেখিলে ঃ তোহাৰি কুসল নাহি । হে সখি ঃ তোহাৰি গোড়ে লাগোঁ ঃ ওহি কৃষ্ণক প্ৰতি ঃ কোপ তেজহ ঃ দেখো ঃ অতএ জড়ি জোড়ায়া কি ঃ কৃষ্ণক বান্ধিতে পাৰহ ঃ কৃষ্ণক সুন্দৰ কটি ঃ মুঠিতে লুকাই ঃ তাহেক অতএ ৰজু ঃ জোড়য়ে নাহি ঃ ঐচন মহিমা দেখিয়ে ঃ তৰহু কৃষ্ণক নাহি জানত ঃ ওহি কি মানুষ বালক ঃ নহি নহি ঃ প্ৰভাৱ দেখিয়ে হামু জানল ঃ ওহি জগত তাৰণ নাৰায়ণ ঃকৌটি কৌটি ব্ৰহ্মাণ্ড ঃ জাহাৰ ৰোমৰন্ধ্ৰে[47] থিক ঃ জগত তাৰণ কাৰণে ঃ তোহাৰি উদৰে ঃ মানুষৰূপে অৱতৰল ঃ ওহি জগতক আতমা ঃ ইহাক দেখিয়ে ঃ সৱলোকৰ আনন্দ মিলল ঃ ঐচন কৃষ্ণক ঃ তোহোঁ কৈচন বন্ধন কৰহ ঃ ইহাৰ অৱস্থা দেখিয়ে ঃ হামু কৈচন প্ৰাণ ধৰো ঃ কমল নয়নক নিৰ বহইছে ঃ সুন্দৰ বদন মলিন ভেল ঃ সৱ সৰিৰ কাম্পয়ে ঃ ইহা দেখি কৈচে মৰিয়ে নজাওঁ। আহে সখি ঃ কৃষ্ণক ছোড়ি হামাক বান্ধস।।

সূত্ৰ ঃ ওহি বুলি ৰোহিনি ঃ জযোৱাক পায়ে ধৰিয়ে ঃ ক্ৰন্দন কয়কহুঁ ঃ ভূমি লুটি পড়িয়ে ৰহল। ৰোহিনিক ঐচন কাকু বানি ঃ জযোৱাক কৰ্ণ্ণপথে জাৰে নাহি[48] ঃ কৃষ্ণক বান্ধিতে আক্ৰোষ তেজয়ে নাহি।।

জযোৱা বোল ঃ ওহি গোপিসৱক আগু ঃ আজু হামু লাজ পাৱলো ঃ গৰ্ব্বক ছৱালক বান্ধএ নাহি পাৱলো ঃ দেখিয়ে গোপিসৱ ঃ

47। ৰোমকূপে 48। কৰ্ণ্ণগোচৰো জাৰে নাহি



শঙ্কৰদেৰ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

হাসিয়ে উপালম্ভ বোলয় ঃ আজু কৃষ্ণক নাহি বান্ধিয়ে ঃ হামু ছাড়বো নাহি।।

সূত্ৰ ঃ ওহি বুলি জযোৱা পুনু বহুতৰ জড়ি জোড়ায়া ঃ বান্ধয় লাগল। ৰোহিনি সহিতে গোপিসৱ ঃ হাহাকাৰ কয়কহুঁ ঃ হৰি হৰি বোলিয়ে ঃ গালে হাত দিয়ে ঃ পুনু ক্ৰন্দন কয় ৰহল। জযোৱা কৃষ্ণক উদৰে ঃ ৰজু টানিতে টানিতে ঃ বহুত শ্ৰম পাৱল ঃ সৱ সৰিৰ ঘৰ্ম্মিত ভেল ঃ গাৱক বসন খসিয়ে গেল ঃ কেস বেস ভাসল[49] ঃ খোপাক কুসুম খসিএ পড়ল ঃ তৰহু বন্ধন তেজয় নাহি ঃ পেখিয়ে শ্ৰীকৃষ্ণ মনে বোল।।

কৃষ্ণ বোল ঃ আঃ হামাৰ মায়াৰ ঐচন অৰ্তক প্ৰভাৱ ঃ হামু অতয়ে মহিমা দেখাৱল ঃ তৰহু হামাক নাহি জানল ঃ হামাক বান্ধিতে আসা কয়কহুঁ ঃ বহুত শ্ৰম পাৱল ঃ হামু আপুনে বন্ধন জৰ নাহি লেহুঁ ঃ তৰ কি হামাক বান্ধিতে পাৰব ঃ হামু ভকত বৎসল গুণে ভকতক অধিন ঃ হামাৰি ভক্তা[50] জননিক মন পূৰণ কৰোহুঁ।।

সূত্ৰ ঃ ওহি বুলি আপুনে বন্ধন লেলহ ঃ জযোৱা পুন জড়ি জোড়ায়া ঃ উদৰে মেহ্লায়া আনিকহুঁ দেখল ঃ তেখনে জড়ি আণ্টল ঃ অধিকায়ো ভেল ঃ দসন কামুৰি ঃ গাৱক বলে ঃ টানি টানি বান্ধিতে ঃ কৃষ্ণক গাৰি দেই।।

জযোৱা বোল ঃ আহে পুতা ঃ হামাকু আগে অতএ মহিমা দেখাৱল ঃ অতএ দুখ হামাক লগাৱল ঃ দেখু দেখু ঃ তোমাক হামু নাহি বান্ধিয়ে ঃ হামু নাহি ছাড়লো ঃ দেখো তোহাক কমনে ঃ বন্ধন ছোড়ায়া ৰাখব।।

শ্লোক ঃ ববন্ধ মাধৱঃ সৰ্ব্বং মায়য়া যোহখিলং জগৎ।
বধ্নাতি গোপী তমপি পশ্য ভক্তেৰ্ব্বলং মহৎ।। 3।।

49। খসল 50। ভকতা।

সূত্ৰ ঃ যোহি কৃষ্ণ আপুন মায়া পাশে ঃ ব্ৰহ্মা আদি অখিল জগতক ঃ বন্ধন কৰয়ে থিক ঃ গোৱাৰি জযোৱা ঃ ভকতিক বলে ঃ তাহেক বান্ধয়। কৃষ্ণ ভকতিক মহিমা কি কহব ঃ অনন্ত কৌটি ব্ৰহ্মাণ্ডক ঈশ্বৰ হুয়া ঃ ভকতক অধিন ঃ ইহা জানি ঃ কৃষ্ণ চৰণে মন থিৰ কৰিকহুঁ ঃ নিৰন্তৰে হৰি বোল হৰি।।

শ্লোক ঃ ঘোযস্য মোহশমনায়[51] মিথো গুণেন-
মধ্যে ৱবন্ধ জননী নৱনীতচৌৰম্[52]।
তদ্বন্ধনং ত্ৰিজগতামুদাৰশ্ৰয়া না-
মাক্ৰোশকাৰণমহে নিতৰাম্বভূৱ।। 4।।

সূত্ৰ ঃ গোৱালসৱক[53] মোহ দূৰ কৰিতে ঃ বহুতৰ গুণ জোড়ায়া ঃ উদৰ বন্ধন কৰত ঃ জানু দিয়ে গাৰক বলে টানিতে ঃ কৃষ্ণক উদৰে জত লোক থিক ঃ তাৰাসৰ বন্ধন দুখ পাই ঃ হামুসৰ মৰোঁ মৰোঁ বোলি ঃ বহুত আৰ্ত্তনাদ কয় থিক। ঐচন পৰকাৰে জযোৱা তৰ্যনা কৰিয়ে ঃ কৃষ্ণক বন্ধন কয়কহুঁ ঃ পুনু উড়ুখল সহিত ঃ গাণ্ঠি দিয়ে ৰাখল থিক। গোপিসৱক ডাকিয়ে জযোৱা বোল।।

জযোৱা বোল ঃ আহে গোৱাৰিসৱ ঃ ওহি কৃষ্ণক বন্ধন কতিহু ছোড়বি নাহি ঃ জোহি বন্ধন ছোড়ে ঃ ইহাক গতি তাহেক কৰৱ ঃ হামু নিষ্ঠ কয় বোলল ঃ বৃদ্ধ নন্দে দেখোক আসিয়া।।

গোপিসৱ বোল ঃ হে মাঞি ঃ কৃষ্ণক বন্ধন ছোড়িতে ঃ হামাৰ কোন প্ৰয়োজন থিক ঃ ওহি তোমাৰ বালক ঃ ইহাক তুহুঁ বহুত অপৰাধ পাৱল ঃ ওহিতো বন্ধন মাত্ৰ ঃ লাগে খাণ্ডা হানিয়ে কাটিয়ে খাৱ ঃ তৱে হামাৰ কি ভেল।।

---

পা. 51। ৰোযসমনায়, মোযসমনায় ; মোষাপনয়ায় 52। চৌৰং 53। গোৱালি সৱক দুখ





সূত্ৰ ঃ ওহি বুলি গোপিসৱ ঃ বহুত অপমান কয়কহুঁ ঃ আপুন থানে গেল ঃ ৰোহিনি জযোৱাক নিদাৰুণ ভাৱ দেখিএ ঃ কৃষ্ণক বন্ধন দুখ নিৰেখিয়ে ঃ নয়নক নিৰ ঝৰায়া ঃ বহুত অপমান কয় মৌনে ৰহল। কৃষ্ণক খেড়াৰ বালকসৱ ঃ প্ৰাণ বান্ধৱ মাধৱক ঐচন বন্ধন দুখ দেখিয়ে ঃ জযোৱাক গাৰি দিয়ে ঃ ক্ৰন্দন কয়কহুঁ ঃ কৃষ্ণক নিকটে ৰহল। আকাশে দেৱতাগণে ঃ কৃষ্ণক ভকত বৎসল গুণ দেখিয়ে ঃ বিমানে গগণ ছানি ৰহল। শ্ৰীকৃষ্ণ জযোৱাক জে প্ৰসাদ দেলহ ঃ ব্ৰহ্মা লক্ষ্মি ওহি প্ৰসাদ নাহি পাৱত ঃ ওহি জযোৱা নন্দন ভগৱন্ত ঃ পৰম দেৱতা ঃ জ্ঞানিক কৰ্ম্মিক পৰম দুৰ্ল্লভ ঃ ভকতক পৰম সুলভ ঃ ইহা জানি ঃ আহে লোক ঃ সুদ্ধভাৱে কৃষ্ণক চৰণে শৰণ সাৰ কৰিয়ে ঃ নিৰন্তৰে হৰি বোল হৰি।। শ্ৰীকৃষ্ণ ঐচন বন্ধন পায়া ঃ মন্দ মন্দ ৰোদন কয়কহুঁ ঃ হাত তালে নয়নক নিৰ মাজিএ ঃ বঙ্ক নয়নে মাৰক নিৰেখিয়ে ঃ উড়ুখল সহিতে ঃ জৈচন পৰকাশ কয়ল ঃ তাহে দেখহ সুনহ ঃনিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ বেলোৱাৰ।। ৰূপক তাল

ধ্ৰুং ঃ কম্পিত মাধৱ নয়ন ঝুৰাই
কটি চাপি উড়ুখল বন্ধন কাই।।

পদ ঃ আৰকত কৰতল মাজিত লোৰে।
মন্দ ৰোদন কৰে নৱনিত চোৰে।।
নৱনিত কনা[54] স্যাম অঙ্গ বিৰাজে।
তাৰক গন জছু গগণকু মাঝে।। 1।।
জাহে চৰণ ৰেণু যোগি নপাই।
ভকতিক বলে তাকু বন্ধন কাই।।

---

54।নৱনিত কলা

কহয় মাধৱ দাস দিন সুন মাই।
ওহি জগত গুৰু সুত কাহা পাই।।

শ্লোক ঃ নক্ষত্ৰমিৰ নৱনীতকণাৱকীৰ্ণম্।[55]
ৰক্ষঃ স্থলোদৰমগোচৰমাগমানাম্।।
বাষ্পাম্বুগাৰ্ভিত[56] তৰঙ্গিত নেত্ৰপদ্মম্।
ব্ৰহ্ম স্মৰামি দৃঢ়বন্ধমুলুখলেন।। 5।।

অপিচ ঃ পৰমিমমুপদেশমাদৃয়ধ্বং
নিগমৱনেষু নিতান্ত চাৰুখিন্নাঃ।[57]
ৱিচিনুত ভৱনেষুবল্লৱীনা-[58]
মুপনিষদৰ্থমুলুখলেনিবদ্ধম্।।
(উড়ুখলেনিবদ্ধং উপনিষদৰ্থং ৱিচিন্নৎ)[59]

সূত্ৰ ঃ আহে লোক ঃ তোৰাসৱক হামু ঃ এক পৰম উপদেশ বোলত ঃ তাহেক শ্ৰদ্ধায়ে আদৰ কৰহ ঃ তোৰাসৱক দুখ দেখিয়ে ঃ হামাৰ মনে খেদ জন্ময় ঃ ওহি গহন বেদ-বন-মাঝে ঃ ব্ৰহ্মক নিতান্ত বিচাৰ কৰিতে ঃ বুদ্ধি সহিতে সব শৰিৰ খিন ভেল ঃ অৱ বেদ-বচন-বিচাৰ ছাড়ি ঃ গোৱাৰি জযোৱাক ঘৰে ঃ সৱ উপনিষদ অৰ্থ ঃ ভগৱন্ত পৰমাত্মা ব্ৰহ্ম ঃ উড়ুখলে নিচয়ে বন্দি হয়ে থিক। তাহেক দেখহ ঃ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।। তদন্তৰ ঃ জযোৱা শ্ৰীকৃষ্ণক উড়ুখলে বান্ধি থৈয়াকহুঁ ঃ গৃহকৰ্ম্মে ব্যগ্ৰ হুয়া ৰহল। তাহে পেখিয়ে ঃ শ্ৰীকৃষ্ণ মনে গুণয়ে লাগল।।

কৃষ্ণ বোল ঃ দেখু ঃ আজু হামু ভকতক হাতে ঃ আপুনে বন্দি হুয়াকহুঁ ঃ বন্ধ জিৱক ঃ সংসাৰ বন্ধ ছোড়ন কৰব। ব্ৰহ্মা আদি জত দেৱতা থিক ঃ আছোক আনক বন্ধ ছোড়ব ঃ আপুন বন্ধন

পা. 55।নৱনীত কলাৱকীৰ্ণম্ 56।ৰস্পাম্বুনাৰ্চ্চিত /গৰ্ভিত 57।নিতান্তৱিচাৰুখিন্নাঃ 58।বিচিন্বত ভৱনেযুৱল্লৱীনামুপনিষাদৰ্থ নেত্ৰপক্ষণম্ 59।বাক্যাংশ আন ঠাইত পোৱা নাযায়।





দূৰ কৰিতে নাহি পাৰত ঃ ইহা জানি সৱ লোক ঃ হামাক পৰম ঈশ্বৰ মানি ঃ ভকতি কয়কহুঁ ঃ সংসাৰ ঘোৰ নিকাৰ তৰব। কুবেৰক পুত্ৰ দুহুঁ ঃ একক নাম নল কুবেৰ ঃ অপৰক নাম মণিগ্ৰীৱ ঃ দুহুঁদেৱতা নাৰদক সাপে ঃ ওহি জৱলাৰ্জ্জুন হুয়া ৰহল থিক ঃ নাৰদক বৰদানে ঃ ওহি বৃক্ষ জনমতে ঃ হামাক স্মৰণ কয় থিক ঃ আজু হামু পৰম ভকত ঃ নাৰদক বচন সাফলিএ ঃ ওহি দুখ দূৰ কৰব।।

সূত্ৰ ঃ ওহি বুলি ঃ শ্ৰীকৃষ্ণ মাৰক ভয়ে ঃ মাৰণক সঙ্কীয়ে ঃ লাসে লাসে উড়ুখল টানিয়ে ঃ দুহুঁ বৃক্ষক মাঝ হুয়া চলিতে ঃ উড়ল পথালি হুয়া ঃ বৃক্ষত লাগল। পেখিয়ে ঃ শ্ৰীকৃষ্ণ মাটিত জানু পাৰিয়ে ঃ কঙ্কাল ফান্দিয়ে ঃ টান দিয়ে ঃ বৃক্ষ দুহোঁ উভঞ্জি[60] পে !ৱল। মহাচণ্ড শবদে বৃক্ষ পড়ল ঃ সোহি বৃক্ষ হন্তে ঃ দুহোঁ দেৱতা ঃ দিব্যৰূপ ধৰিয়ে ঃ বাজ হুয়াকহুঁ ঃ কৃষ্ণক দেখল ঃ নাৰদক পৰসাদে ঃ দুহুঁ দেৱতা ঃ পৰম ঈশ্বৰ বুলি ঃ শ্ৰীকৃষ্ণক জানল ঃ জয় কৃষ্ণ জয় কৃষ্ণ বোলি ঃ দণ্ডৱতে বাৰম্বাৰ পৰনাম কয় কহু ঃ কৰজোড়ি ঃ জানু পাড়ি ঃ নম্ৰভাৱে জৈচে তুতি কয় লাগল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ তুড় ভাটিয়ালি।। জতি তাল[61]

ধ্ৰুং ঃ এ হৰি কৰিয়ো কৰিয়ো মেৰি কৰুণা মুৰাৰি।
চাড়ব নাহি আৰ চৰণ তোহাৰি।।

পদ ঃ তুহুঁ নিৰঞ্জন জিতো জগত আধাৰু।
ভাৰ-হৰণ হেতু ভয়ো অৱতাৰু ।।
তাৰবি লোক বিনোদ পৰকাসি।
তুৱা পদ কমলে সেৱক ভৈলোঁ আসি।। 1।।

60।উভাৰি পা. 61।ৰাগ তুড় জতিমান ; তুৰ যতিমান

পুৰুষ বাসনা দূৰ কৰি হামাৰি।
বচনে ৰহোক গুণ নাম তোহাৰি।।
তুৱা কথা শ্ৰৱণে ৰহোক অৱিৰাম।
কৰ মেৰি ৰহোক তোহাৰি কয়ে কাম।। 2।।
তুৱা পদ সুমৰি ৰহোক মন থিৰ।
তোহাৰি চৰণ বন্দি ৰহু মেৰ সিৰ।।
তুৱা নিজ মূৰুতি ভকতসৱ চাই।
ৰহু মেৰি বয়ন মাধৱ গুণ গাই।। 7।।

কথা ঃ হে পৰমানন্দ ঃ পৰম পুৰুষ পুৰুযোত্তম ঃ দেৱক পৰম দেৱতা ঃ জগতৰ আদি কাৰণ ঃ প্ৰধান পুৰুষ নিয়ামক ঃ সৃষ্টি স্থিতি প্ৰলয় প্ৰৱৰ্ত্তক ঃ ভগৱন্ত নাৰায়ণ ঃতুহুঁ ভূমিক ভাৰ হৰণ কাৰণে ঃ কপট মানুষৰূপে বেকত হয়াছ ঃ তুহুঁ মাত্ৰ সত্য ঃ ওহি জগত মায়াময় ঃ জানি তোহাৰি চৰণে সৰন পসিয়ে ঃ কেৱল ভকতিক মাত্ৰ আসা কৰোহোঁ ঃ তোহাৰি অচিন্ত্য প্ৰভাৱ ঃ ওহি জগতক বাহিৰে ভিতৰে ঃ অৰ্ন্তযামি ৰূপে ঃ জিৱক নিয়ম কৰিতেছ। জাৰাসকল তোহাক ঈশ্বৰ জানিএ ঃতোহাৰি চৰণ সেৱা কৰত ঃ তাৰাসৱ সুখে সংসাৰ তৰয় ঃ জে সৱো তোহাক ভজয়ে নাহি ঃ তাহেক কালৰূপে সংহাৰ কৰহ । হে প্ৰভু ঃ তোহাৰি নিজ দাস ঃ নাৰদক প্ৰসাদে ঃ তোহাক হামু জানলু। হে কৃষ্ণ ঃ তোহাৰ পদকমলে ঃ কৌটি কৌটি পৰনাম কৰোঁহো ঃ হামাক দাসক দাস জানিয়ে ঃ কৃপা কৰহু ঃ হামাৰি বচনে তোহাৰি গুণ নাম মাত্ৰ ৰহোক ঃ কৰ্ণ্ণ দুহোঁ তোহাৰ কথা সুনিয়ে ৰহোক ঃ কৰ দুহোঁ তোহাৰি কৰ্ম্ম কৰিয়ে ৰহোকঃ তোহাৰি চৰণ সুমৰি হামাৰ মন ৰহোক ঃ মস্তকে তোহাৰি চৰণ বন্দিয়ে ৰহোক ঃ চক্ষুৰে তোহাৰি মূৰুতি ঃ ভকতক নিৰেখিয়ে ৰহোক।।





সূত্ৰ ঃ ওহি বুলি দেৱতা দুহোঁ কৃষ্ণ চৰণ নিৰেখিয়ে ৰহল ঃ তদনন্তৰ শ্ৰীকৃষ্ণ বোল।।

শ্ৰীকৃষ্ণ বোল ঃ হে নলকুবেৰ মণিগ্ৰঞ[62] ঃ হামাৰ ভকত নাৰদক কৃপায়ে ঃ তোৰাসৱক উত্তম মতি ভেল ঃ হামাৰ ভকতক দৰসনে সংসাৰ দুখ দূৰ গৈল ঃ তোমাক পৰমাৰ্থ যুগুত বচন সুনিয়ে ঃ পৰম সন্তোষ ভেলোঁ ঃ তোহোঁসৱ জে প্ৰাৰ্থনা কয়ল ঃ সে সৱ পূৰণ হোক ঃ অৱ আপুন থানে সত্ত্বৰে চলি জাৱ।।

সূত্ৰ ঃ কৃষ্ণক আদেশ সুনিয়ে ঃ বাৰম্বাৰ প্ৰদখিন কৰিয়ে ঃ দণ্ডৱতে পৰনাম কয়কহুঁ ঃ আপুন থানে সত্ত্বৰ চলি গেল ঃ তদনন্তৰ ঃ নন্দ আদি গোৱালসৱে ঃ পৰম চণ্ড সবদ সুনিয়ে ঃ লৰৰি আসিকহু দেখল ঃ জঞ্জলাৰ্যুন[63] বৃক্ষ দুহোঁ উভৰি পড়ল।।

শ্লোক ঃ ৱিনাৱাতং ৱিনাৱৰ্ষং[64] ৱিদ্যুৎপ্ৰপতনং ৱিনা।
ৱিনা হস্তিকৃতংদোষং[65] কেনেমৌ পাতিতৌ দ্ৰুমৌ।।

সূত্ৰ ঃ গোৱালসকলে ঃ পৰম অদ্ভুত দেখিয়ে ঃ চৌপাশে ফিৰি ফিৰি চাৱত ঃ বিস্ময় হুয়া অন্যো অন্যে বোলে।।

গোৱালসৱ বোল ঃহে গোৱালসৱ ঃ ওহি কি অদভূত ঃ বাত নাহি ঃ বৃষ্টি নাহি ঃ নিৰ্ঘাত বজ্ৰপাত নাহি ঃ হস্তিসৱক বিক্ৰান্ত দোষ নাহি ঃ অতএ কালক বৃক্ষ ঃ কৈচন উভৰি পড়ল।।

সূত্ৰ ঃ অনন্তৰে ঃ বৃদ্ধ নন্দে দেখল ঃ বৃক্ষক মাঝে পসিয়ে ঃ শ্ৰীকৃষ্ণ বান্ধ সহিতে ঃ উড়ুখল টানিতে আছয়।।

নন্দ হাসিয়ে বোল ঃ আহা ঃ ওহি মাণিক পুতলি কৃষ্ণক ঃ কমন দাৰুণ হৃদয় ঃ গৰুক পাগে ঃ উড়ুখলে বন্ধন কয়ল ঃ হামু জত ধন জন জিৱন সৱাতো অধিক ঃ ওহি কৃষ্ণক মানত ঃ আহেক ঐচন অৱস্থা কমনে কয়ল ঃ ওহি বৃক্ষ পড়িয়ে ঃ

62। মণিগ্ৰীৱ 63।জঞ্জল অৰ্যুন 64।ৱিনাৱসং 65।ৱিনাহস্তিতকৃতাদোষান্।

প্ৰাণ পুত্ৰ কৃষ্ণ ঃ ক্ষেনেকে মৰয় ঃ কিন্তু হামু কতিহু প্ৰাণিক পিড়া নাহি কৰোঁহোঁ ঃ সোহি কাৰণে ঃ কৃষ্ণক গোসাঞিঁ ৰক্ষা কৰল। হে বাপু কৃষ্ণ ঃ তুহুঁ হামাক আয়ুয়ে[66] চিৰকাল জিৱ ঃ তোহাৰিসকল আপদ দূৰ গেল ঃ তোৰা বালাই লঞঁ ঃ তোহাৰি জননি জযোৱাক জে জানু তা কৰব।।

সূত্ৰ ঃ ওহি বোলি নন্দ কৃষ্ণক বন্ধন ছোড়ি ঃ ধূলা ঝাৰি ঃ কোলে তুলি ঃ গলত ছাপিকহুঁ ঃ বদনে চুম্বন কৰিকহুঁ ঃ পৰম আনন্দ ৰস পাৱল ঃ সৱ সৰিৰ সিহড়ল ঃ নয়নে আনন্দ লোতক ঝড়য় ঃ মুক্ষতো অধিক সন্তোষ লভিয়ে ৰহল। তদনন্তৰে ঃ গোৱালসকলে ঃ কমন পৰকাৰে বৃক্ষ পড়ল ঃ তাহেৰ হেতু নাহি জানল ঃ তাহে দেখি বালকসৱ বোল।।

বালকসৱ বোল ঃ হে বৃদ্ধসৱ ঃ ওহি কৃষ্ণে মাঝে উড়ুখল টানিএ ঃ বৃক্ষ উভঞ্জি পে !াৰল ঃ হামুসৱ দেখল। আৰৱ অদভূত দেখল ঃ তা সুনহ ঃ ওহি বৃক্ষহন্তে ঃ অগনি সমান ৰূপ ধৰিয়ে ঃ দুহোঁ দিব্য পুৰুষ বাঝ হুয়াকহুঁ ঃ কৃষ্ণক দণ্ডৱতে পৰনাম কৰিএ ঃ বহুতৰ তুতি কয়ল ঃ শ্ৰীকৃষ্ণ আস্বাস বোলল ঃ পুনু কৃষ্ণক প্ৰদক্ষিণ কৰিয়ে ঃ উত্তৰ দিসক চলি গেল।।

সূত্ৰ ঃ গোৱালসৰে ঃ ছৱালক বাক্য বুলিএ ঃ নাহি মানল ঃ খৃষ্ণক অতৰ্ক মহিমা ঃ তাৰাসৱ কতিহুঁ নাহি জানত ঃ তদনন্তৰ ঃ কৃষ্ণক কোলে কৰিএ ঃ নন্দ আপুন গৃহে আসিএ ঃ গৃহিনি জযোৱাক তৰ্যয়ে লাগল।।

নন্দ বোল ঃ আহে দাসিক দাসি বান্দি ঃ ঢাণ্ডি গোৱাৰি ঃ ওহি প্ৰাণপুত্ৰ কৃষ্ণক ঃ কমন অপৰাধে ঃ গৰুক পাগে ঃ জৈচন খণ্টচোৰ[67] সত্ৰুক বান্ধয় ঃ তোহোঁ সোহি পৰকাৰে ঃ বন্ধন কয়লি ঃ তোহাৰি কোন সত্ৰু ঃ হামু কত তপ কৰিএ ঃ

পা. 66।আউএ 67।খাণ্টচোৰ



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

দেৱকে বৰে ঃ বৃদ্ধ বয়সত ঃ কৃষ্ণক পুত্ৰ পাৱলো ঃ সোহি প্ৰাণ পুত্ৰ ঃ বৃক্ষ পড়িএ ঃক্ষেনেকে[68] মৰি জাই ঃ গোসাঞিক বৰেসে এড়াৱল ঃ তোহোঁ কি নিমিত্তে মানুসি ভেলি ঃ ৰাক্ষসতোধিক আপুন পুত্ৰক খাইতে চাৱল ঃ কৃষ্ণক নাখায়া হামাক খাৰ। আহে নাগিনি ঃ তোহাক বস্তুৱে নাণ্টল ঃকোন চাৰ কলস ভাঙ্গল ঃ হামাৰ ঘৰে দধি-দুগ্ধ লৱণু কে পুছত ঃ নদি বহাইতে পাৰোঁ ঃ তাহেৰ নিমিত্তে ঃ কৃষ্ণক অতঁয়ে সাতি কয়লি ঃ তোহাক আজু মাৰিয়ে প্ৰাণ লেৱবো ঃ ৰহ ৰহ হামাক বাত বুজব।।

সূত্ৰ ঃ ওহি বুলি নন্দে মাৰিতে ধাৱল ঃ দেখিয়ে ৰোহিনি ৰাখল আসিয়া ঃ তদনন্তৰ ঃ জযোৱা নন্দক বোল।।

জযোৱা বোল ঃ আহে বুঢ়িয়া ঃ কাহেক আগে ঐচন ৰাগ দেখাৱ ঃ তোহাৰি ভাৱনা চুৰ কৰব ঃ তোহো হামাৰি ৰাখোআল[69]ঃ নিসা ভাগে উঠিয়ে ঃ কলস কণ্ডিয়া ঃ বাঞকা সিকিয়া জুড়িয়ে ঃ কান্ধে কৰিএ ঃ মলিন বসন পৰিয়ে ঃ গোষ্টক চলবি ঃ ধেনু ৰাখিবি ঃ গাই দুহিবি ঃ দুধক ভাড় বহিবি ঃ হামু ঝনকতা কনকতা[70] জেবস্তু দেৱত ঃ তাহেক ভোজন কৰবি ঃ তুহোঁ গৃহেৰ কোন অধিকাৰ থিক ঃ ইহাৰ ভাল মন্দ তুহু কি জানস ঃ হামু গৃহেৰ গৃহিনি ঃ সৱ অধিকাৰ হামাৰ। আহে বুঢ়িয়া ঃ তোহাক কে পুচত ঃ ছিঃ হামাক মাৰিতে আৱল ঃ হামাক চাটু বুলিতে জনম জাইঃ আজু ৰাগ চড়ল ঃ ছিঃ ঘিনাসে লাগেঃহামু কথা কহিতে জানু ঃ সৱলোকে নিন্দা বোলৱ ঃ কি কৃষ্ণক ধুৱাইতে খুৱাইতে দুখ পাৱত ঃ হামাক মাৰিতে আসা কয় থিক। হে ৰোহিনি ঃ তোহো বাধা নাহি কৰবি ঃ হামাক মাৰিয়ে চাহোক ঃ তৱ হামাৰ বোল বুঝব।।

68।খেনেকে 69।ৰাখোৱাল 70।কনকণ্টা ঝনকটা

সূত্ৰ ঃ ওহি পৰকাৰে জযোৱা ঃ নন্দক চুপ কয়ল ঃ নন্দ দোৱজ মাতিতে নাহি পাৰল ঃ তদনন্তৰ ঃ শ্ৰীকৃষ্ণ জৈচে গোকুলবাসিক ঃ নানা বিনোদ কৌতুক ৰস আনন্দ কৰাৱল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ কৈলাণ।। খৰমান

ধ্ৰুং ঃ জয় জয় জগজন তাৰণ কাৰণ
নাৰায়ণ বৰ দেৱং।
হৰ চতুৰানন আদি অমৰগন
কৰু জাকৰ পদসেৱং।।

পদ ঃ ৰোম বিৱৰমহ কোটি কোটি[71] অণ্ড
তাণ্ডৱ কৰু সম ৰেণুং।
নিজজন ৰঞ্জন ভঞ্জন ব্ৰজদুখ
মোদি বিনোদিত বেনুং।।
কলসি ভাঙ্গল দধিসৰ নাসল
কৰত ভোজন নৱনিতং।
ভিতি পলাৱল বান্ধল জননি
অৰ্জ্জুন ভঞ্জন ৰিতং।।
নাচত গাৱত ভাৱ দেখাৱত
হাসত বহু লয়লাসে।[72]
হৰিকহু চৰণ কমল মধু আসে
কহ দিন মাধৱ দাসে।।

সূত্ৰ ঃ ঐচন পৰকাৰে শ্ৰীকৃষ্ণঃ গোকুলবাসীক ৰঞ্জিএ ঃ নানান বিনোদ কৰিএ ঃ ৰহল থিক। হে লোক ঃ দেখু দেখু ঃ পৰম ঈশ্বৰ পুৰুষোত্তম ঃ তৃগুণ নিয়ন্তা ঃ গুনাতিত পৰম দেৱতা ঃ জিৱক তৰণ নিমিত্তে ঃ আপুনে সাক্ষাতে

পা. 71।কোটি কোটি 72।ৰস লাসে





বেকত হুয়া ঃ কপট মানুষ চেষ্টা দেখায়া ঃ বিৱিধ লিলা বিস্তাৰ কয়ল। ইহাক শ্ৰৱণ কীৰ্ত্তন কৰিএ ঃ সব লোক সুখে তৰব ঃ অন্যথা জে নিৰ্গুণ দেৱতা ঃ সহজে জন্ম কৰ্ম্ম ৰহিত ঃ ঈশ্বৰক ঃ ওহি গৰিহিত কৰ্ম্ম কৰিতে ঃ কোন প্ৰয়োজন থিক। ওহি কৃষ্ণক বালক চৰিত্ৰ ঃ মাঠি ভাঙ্গি দধি নাসন ঃ লৱনু ভূঞ্জন ঃ উডুখলে বন্ধন ঃ অৰ্যুন ভঞ্জন জাত্ৰা ঃ জাৰাসৱে শ্ৰদ্ধায়ে সুনে ঃ শ্ৰদ্ধায়ে গাৱে ঃ শ্ৰদ্ধায়ে ভাৱনা কৰব ঃ তাৰাসবৰ শ্ৰীকৃষ্ণ চৰণে ঃ নিৰ্ম্মল ভকতি বাঢ়ব । ইহা জানি কৃষ্ণ চৰণে মন নিৱিৰ কৰিএ ঃ ডাকি নিৰন্তৰে হৰি বোল হৰি।। *।। ইতি দধিমথন নাট।।

**।। অৰ্জ্জুন-ভঞ্জন নাম যাত্ৰা সম্পূৰ্ণ ভেল।।**

**।। শ্ৰীশ্ৰীৰমন কৃষ্ণায় নমঃ।।**

## চোৰধৰা

## ।। শ্ৰীকৃষ্ণায় নমো নমঃ।।

কস্তংৱাল বলানুস্ত্বমিহ কিং মন্মন্দিৰাশঙ্কয়।
বুদ্ধং তন্নৱনীতং কুম্ভৱিৱৰে হস্তং কিমৰ্থং ন্যসঃ।।
কৰ্ত্তুং তত্ৰ পিপীলিকাপনয়নং সুপ্তাঃ কিমুদ্বোধিতা ৱালাঃ।
ৱৎস গতিং ৱিৱেক্তুমিতি সংজল্পন্ হৰি-পাতু ৱঃ।।
কন্দুক্ৰীড়াৱিগলিতং ঘন স্বেদমুগ্ধানন শ্ৰীঃ।
কচ্চিদৃষ্টং কুৱলয়দলশ্যামলঃ কোপি ৱালঃ।।
পৃচ্ছন্ত্যেৱং পথি পথি যযৌ ব্যাকুলা নন্দপত্নী।
তীৰে তীৰে তপনদুহিতুঃ কৃষ্ণমন্বেষয়ন্তী।।[1]

শ্লোক ঃ যো লোকভাৰোদ্ধৰণায় চক্ৰী
চক্ৰেহৰতাৰং ৱসুদেৱগেহে।
গোপীজনানন্দকৰো মুকুন্দঃ
পায়াৎ সৰো যাদৱ ৰাজসিংহঃ।। 1 ।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ (জে চৰাচৰ গুৰু নাৰায়ণ) ঃ সৰ্ব্বলোক হিত কাৰণে[2] ঃ গোপিজন মধ্যে ঃ চোৰ চাতুৰি নানা ৰস খেলন কয়কহুঁ ঃ গোপিসৱক মনোৰথ পুৰিয়ে ঃ জৈচন ক্ৰীড়া কয়ল ঃ তা দেখহ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

---

পা. 1। শ্লোক সংখ্যা নাই। ড০ বিৰিঞ্চি কুমাৰ বৰুৱা হৰিনাৰায়ণ দত্ত বৰুৱা, তথা পূৰ্ণ চন্দ্ৰ গোস্বামী সংস্কৰণত শ্লোক কেইটি ছপা হৈছে। কিন্তু কালিৰাম মেধি সংস্কৰণত নাই। ইয়াত নাটৰ কাহিনীভাগ সংক্ষেপে বৰ্ণিত হৈছে। 2। ড০ বৰুৱা আৰু দত্ত বৰুৱা সংস্কৰণত এই বাক্যাংশ নাই। আমাৰ আধাৰ পুথিতো 'জে চৰাচৰ গুৰু নাৰায়ণ' অংশ নাই।





গীত ঃ ৰাগ বসন্ত।। তাল জতি[3]

ধ্ৰুং ঃ দেখতু ৰে হৰি গোপিনি মেলা।
কৰত চোৰ চাতুৰি ৰস খেলা।।

পদ ঃ পৰমানন্দ লিলা পৰকাসি।
বহুৰসে ৰঞ্জল[4] গোকুল বাসি।।
সৱ ৰস সাগৰ নন্দকু লাল।
মাধৱ কহ গতি মুকুতি গোপাল।। 1 ।। 1 ।।

সূত্ৰ ঃ হে সামাজিক লোক ঃ এক দিৱসে গোপিক সুন্য গৃহ দেখিয়ে ঃ শ্ৰীকৃষ্ণ লৱণু চোৰ কৰিতে পৈসল ঃ তথি গোপি বাহু মেলি ঃ দ্বাৰ বন্ধ কয়কহুঁ ঃ পড়াক গোপিসৱ সহিতে ঃ শ্ৰীকৃষ্ণক জৈচে চোৰ ধৰল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ আসোআৰি[5]।। পৰিতাল

ধ্ৰুং ঃ আজু কাহা জাসি বোলয়ে গোৱালি[6]।
পেখিয়ে আসি তৰল বনমালি।।

পদ ঃ দ্বাৰ বেঢ়ল গোপি বাহু প্ৰসাৰি।
লৱণু চোৰি কৈছে কৰসি মুৰাৰি।।

গোপিসৱ বোল ঃ হে কানাই ঃ তুহু লৱণু চোৰি কৰিয়ে ঃ বাৰম্বাৰ হামাক ভাণ্ডিয়া জাসি[7] ঃ আজু কাহা জাৱব ঃ ৰহ ৰহ হামাকু হাতে পড়লি ঃ তোহাৰি ভাৱনা চুৰ কৰৱ।।

পদ ঃ ঘৰ মহ চোৰ গোৱালি ঘনে ডাকে।
পড়াকো গোৱালি আৱল সৱজাকে।।

গোপি বোল ঃ হে সখিসৱ[8] ঃ হামাৰ মন্দিৰে চোৰ পসিয়ে থিক ঃ হামু দ্বাৰ বন্ধ কয় ৰাখছি ঃ তুহুঁসৱ সত্বৰে আহ ঃ হামাক মাৰি চোৰ পলাৱব।।

---

3। তাল যতি / জৌতি 4। ৰঞ্জল পা. 6। গুৱালি 7। ভাণ্ডিয়ে জায়সি 8। সখি গোৱাৰিসৱ

গোৱাৰিসৰ বোল ঃহে সখি ঃ তুহুঁ দ্বাৰ নাহি ছোড়বি ঃ হামু সৱ এ আৰত।।

পদ ঃ ধৰল সৱহি মিলি হৰিক চোৰ।
মাধৱ কহ গতি গোৱিন্দ মোৰ।। 2।।

সূত্ৰ ঃ তদনন্তৰ ঃ শ্ৰীকৃষ্ণ লৱণু চোৰ পড়ল দেখিয়ে ঃ গোপিসৱক ৰাজমাৰ্গে আনিয়ে ঃ চোৰ চাতুৰি কয় জৈচে গোপিসৱক ভঙ্গ কৰাৱল ঃ তাহে দেখহ সুনহ।।

শ্ৰীকৃষ্ণ বোল ঃ আহে সখিসৱ ঃ শ্ৰীদাম ঃ সুদাম ঃ বিসাল ঃ ঋষভ ঃ স্তোক-কৃষ্ণ ঃ সুবল ঃ অৰ্য্যুন ঃ তুহুঁ সৱ সত্বৰে-আৰ ঃ হামাক একস্বৰ দেখিয়ে চোৰ বুলিয়ে বহুত ঝুণ্টা জগড়া কৰইছে।।

সিসুসৱ বোল ঃ আহে গোৱালিসৱ ঃ হামাৰ স্বামি শ্ৰীকৃষ্ণক ঃ কৈচে কলঙ্ক দেসি[9] ঃ তোৰাসৱক হামু ছাড়ব নাহি।।

শ্ৰীকৃষ্ণ বোল ঃ হে গোৱাৰিসৱ ঃ হামু বালকসৱ সহিত ঃ ৰাজমাৰগে মহ খেলাইতে থিক ঃ তুহুঁসৱ হামাক কলঙ্ক দেখি।।

গীত ঃ ৰাগ ঃ বেলোৱাৰ।। একতালি[10]

ধ্ৰুং ঃ গোৱাৰিনি কৈচন কলঙ্ক হামাৰি।
ৰাজমাৰগ মহ ফিৰত বালক সৱ
কাহেকে চোৰ গৱাঁৰি[11]।।

পদ ঃ আঞ্চোৰে ধৰি হৰি আৰ আৰ বুলি
টানাই বাৰহি বাৰা।
মাৰক আও আজু নিয়া ভেটাৰব
বুঝ তুহুঁ বাত হামাৰা।।

শ্ৰীকৃষ্ণ বোল ঃ আহে ঢান্দি[12] গোৱাৰিসৱ ঃ হামাক কলঙ্ক দিয়ে ঃ তোহোসৱ কি এড়াইতে চাৰ ঃ তোৰাসৱক আজু মাৰক আগু নিয়া ভেটাৰবোঁ ঃ তব হামাক বাত বুঝব।।

9। দেৱসি 10। বেলোৱা ; মান-একতালি 11। গোৱাৰিপা. 12। ঢাণ্ডি ; ঢান্তী, ঢাঙ্গী





পদ ঃ হামাকু চোৰ বোলসি তুহুঁ ঢান্ধি[12]
আপুনহি দধি দুধ খাৱা।
গোৱাৰি ছাড়য় জৱ হৰিতভো ছাড়ে নাহি[13]
মাধৱ এহু ৰস গায়া।। 3।। 3।।

শ্ৰীকৃষ্ণ বোল ঃ হে গোৱাৰিসৱ ঃ আপুনাই সৱ দধি দুধ খায়া ঃ হামাক কলঙ্ক দেসি ঃ তোৰাসৱক হামু ছাড়ব নাহি।।

গোপিসৱ বোল ঃ আহে কানাই ঃ তোহাক হামু চোৰ নাহি বুলিয়ে ঃ তুহুঁ আপুন গৃহে জাৱ ঃ তোহাক হামুসৱ ছাড়ল।।

শ্ৰীকৃষ্ণ বোল ঃ আহে ঢান্দি[12] গোৱাৰিসৱ ঃ তুহুঁ জৱ চোড়হ ঃ হামু তোহাক নাই ছাড়ো ঃ তৱ ছোড় জব ঃ হামাক কিছু লৱনু দেহ।।

গোপিসৱ বোল ঃ হে কানাই ঃ তোহাক হামু লৱনু দেৱব ঃ তুহুঁ জব নৃত্য কৰহ।।

গীত ঃ ৰাগ আসোৱাৰি।। পৰিতাল[14]

ধ্ৰুং ঃ নাচতু গোৱিন্দ গোপিনি আগে।
কৰ পাতি পাতি লৱনু মাগে।।

পদ ঃ যো কৰকমল ভকত ভয়হাৰি।
সোহি কৰপাতি মাগে লৱনু মুৰাৰি।।

শ্ৰীকৃষ্ণ বোল ঃ আহে গোৱাৰিসৱ ঃ হামু নৃত্য কৰিতে ঃ বড়ি শ্ৰম পাৱলোঁ ঃ হামাক কিছু লৱনু দেহ ঃ হামু লৱনু ভোজন কৰিয়ে ঃ নৃত্য কৰব।।

গোপি বোল ঃ আহে কানাই ঃ তুহুঁ জব ভল্ল কয় নৃত্য কৰহ ঃ তব তোহাক লৱনু দেৱব।।

12। ঢাণ্ডি ; ঢান্তী, ঢাঙ্গী 13। হৰি ছোড়য়ে নাহি 14। আসোআৰি।। তাল-পৰিতাল

পদ ঃ গোৱাৰি বোলয় নিক নাচ গোপালা।
তব তোই লৱনু দিৱত হামু ভালা।।
লৱনু আসে লাসে গোৱিন্দ নাচে।
কৰ ভৰি গোপি লৱনু জাচে।।
লৱনু খায়া খায়া নাচে কানাই।
আনন্দে গোপিনি তালি বঝাই।।
জো হৰি এতিনি ভুৱন অধিকাৰি।
গোকুল সহ মোহি লৱনু ভিখাৰি।।
ভকতি অধিন হৰি দিন দায়াল।
কহয় মাধৱ গতি বাল গোপাল।। 4।।

সূত্ৰ ঃ ওহি পৰকাৰে শ্ৰীকৃষ্ণঃ গোপিসৱক মনোৰথ পুৰিয়ে ঃ আনন্দে তথি থিক ঃ তদনন্তৰে ঃ জযোৱা আপুন বালক পুত্ৰক ঘৰে নাহি পেখিয়ে ঃ পুত্ৰ স্নেহে আকুল হুয়া ঃ যমুনাক তিৰে তিৰে চায়া বেড়াইতে ঃ জৈচে পথিক জনত বাত পুচত ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ শ্ৰী ।। পৰিতাল[15]

ধ্ৰুং ঃ যশোৱা পুচত পথিক জনে আকুলিত মনে।
হামাৰ বালক কেবা দেখিলা নয়নে।।

জযোৱা বোল ঃ হে পথিক জন ঃ তুহুঁ যদি হামাৰি বালক দেখল ঃ তৱ হামাত সত্বৰে কহ।।

পথিক বোল ঃ হে মাই জযোদে ঃ তোহাৰি বালক কৈছন ৰূপ।।

জযোৱা বোল ঃ হে পথিক ঃ হামাৰি বালক ঃ জৈচনৰূপ ঃ তা সুনহ।।

শ্লোক ঃ কন্দুক্ৰীড়া-ৱিগলিত-ঘনস্বেদমুগ্ধাননশ্ৰীঃ
কচ্চিত্দৃষ্টঃ কুৱলয়দলশ্যামলঃ কোহপি ৱালঃ।
পৃচ্ছত্যেৱং পথি পথি যয়ো ব্যাকুলা নন্দপত্নী
তীৰে তীৰে তপনদুহিতুৰ্কৃষ্ণমন্বেষয়ন্তী।।

পা. 15।একতালি



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

পদ ঃ ভণ্টা খেলাইতে শ্ৰমজলে সোহে মুখ।
সুন্দৰ বদন নিৰেখি মিলে সুখ।।
কুৱলয়-দল-জিনি জ্বলে শ্যাম তনু।
পথে পথে জযোৱা পুচয় পুনু পুনু।।

কথা।। জযোৱা বোল ঃ আহে পথিকঃ হামাৰ বালক ঐচন ৰূপ ঃ ভণ্টা খেড়ি খেলাইতেঃশ্ৰমজলেবদন পঙ্কজ সোভা কৰইছে ঃকুৱলয় দল জিনিয়ে স্যাম সৰিৰ প্ৰকাশ কৰইছে ঃপেখিতে পৰম আনন্দ মিলত।।

পথিক বোল ঃ হে মাই ঃ ঐচন তোহাৰি বালক হামু নাহি দেখি।

পদ ঃ বিহানে বঝাইলা[16] খেড়ি খেলাইবাৰ তৰে।
ভৈগৈল বিয়াল পুতা এভো নাইলা ঘৰে।।
যমুনাক তিৰে তিৰে ফিৰে নন্দজায়া।
ভৈলা অচেতন সতি কৃষ্ণক[17] নপায়া।।
নয়নে নিগড়ে নিৰ কান্দে জযোমতি।
কাহা গৈলে পাইবো লাগ পুত্ৰ যদুপতি।।
ধৰণি লুটিয়া মুৰুচিত ভয়োঁ মাই।
কহয় মাধৱ হৰি বিনে গতি নাই।।

সূত্ৰ ঃ ওহি পৰকাৰে জাযোৱা কৃষ্ণক বিচাৰি নপাই ঃ কান্দি কান্দি[18] ঃ মুৰুচিত হুঁয়া পৰল[19]। তদনন্তৰ ঃ এক গোপি আসিকহুঁ ঃ জাযোৱাক আগে ঃ যে বোলল ঃ তাহেক দেখহ[19]।।

গোপি বোল ঃ আহে মাই জযোদে ঃ তুহুঁ কি নিমিত্তে ক্ৰন্দন কৰহ।।

জযোৱা বোল ঃ হে মাই[20] হামু অভাগিনিত কি পুছহ ঃ হামু অনেক পুন্য কৰিয়ে ঃদেৱতাক বৰে ঃ কৃষ্ণক পুত্ৰ পাৱলোঁ ঃ সে প্ৰাণ পুত্ৰ ঃ খেড়ি খেলাইতে বিহানে বজাৱল ঃ বিয়াল

16।বজাইলা 17।পুত্ৰক 18।পৰম চিন্তায়ে কান্দি কান্দি 19।মাটি লোটি পড়ল।পা. 20।হে মাই গোৱাৰি

ভৈগৈল ঃ এখনো নাৱল ঃ সে প্ৰাণ পুত্ৰক নাপাই ঃ হামাৰি প্ৰাণ কৈচে ৰহব।।

গোপি বোল ঃ হে মাই[21] ঃ তোহোঁ তাপ তেজহ ঃ তোহাৰ বালক হামু দেখলোঁ ঃ তাহেক বাত কহছি ঃ তা সুনহ।।

গীত ঃ ৰাগ ঃ বড়াৰি ।। এতালি[22]

ধ্ৰুং ঃ তেজহু তাপ সুনহ মেৰি মাই।
হামু দেখলোঁ তেৰি বালক কানাই।।

পদ ঃ লৱনু চোৰ ধৰি আছয় গোৱালি।
কৰত কানাই চোৰ চাতুৰালি।।
পড়াকহুঁ লোক মানত গোপি সাখি।
হাতকহুঁ লৱনু গোপিনি মুখে মাখি।।
বোলত কানাই হামু কৈছে চোৰ।
তুহুঁ চুৰুনি মুখহি সাখি তোৰ।।
লাজল গোপি চাতুৰি নাহি আণ্টে।
দেখলোঁ কানাইক জিনিল ৰাজ বাটে।।
আঞ্চোৰে ধৰি আনত হৰি টানি।
কাতৰ কৰত গোপিনি ভঙ্গ মানি।।
সুনিয়ে তাপ তেজল জযোমাই।
কহয় মাধৱ গতি বালক কানাই।।

গোপি বোল।। ঃ হে মাই জযোদে ঃ তুহুঁ তাপ তেজহ ঃ হামু তোহাৰি বালক দেখলোঁ ঃ এক গোৱালিৰ (লৱনু চোৰি কৰিতে ঘৰ মহ পৈসল ঃ তাহে পেখি ঃ সে গোৱালি)[23] লৱনু চোৰ ধৰয়ে থিক। শ্ৰীকৃষ্ণ তাহেক উত্তৰ কৰৈছে ঃ আহে ঢান্দি ঃ হামু কৈছে চোৰ ঃ বালকসমে ৰাজমাৰগে

21। হে মাই জযোদে 22। বৰাড়ি।। একতাল / ৰামাকীৰি 23। বন্ধনীৰ ভিতৰৰ অংশ আমাৰ আধাৰ সাঁচিপতীয়া পুথিত পোৱা নাযায়।



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

ফিৰত ঃ তুহুঁ আপুনে দধি খায়া ঃ হামাক চোৰ বোলত ঃ তাহে সুনি ঃ গোপি পড়াক গোপি সাখি মানত। শ্ৰীকৃষ্ণ[24] আপন হাতক লৱনু ঃ গোপিক মুখে মাখি বোলত ঃ আহে গোপিসৱ ঃ দেখু দেখু ঃ আৰৱ সাখিত কমন প্ৰয়োজন ঃ উনিকৰ মুখহি সাখি ঃ সুনি গোপি লাজ পাৱল ঃ কৃষ্ণক উত্তৰে আণ্টায়ে নাহি পাৰি ঃ গোপি ভঙ্গ মানল ঃ তাহে পেখি শ্ৰীকৃষ্ণঃ আঞ্চোলে ধৰি টানিয়ে আনত ঃ গোপি কাতৰ কয় বোলত ঃ হে কানাই ঃ তুহুঁ হামাক ছোড়হ ঃ তোহাঁক হামু লৱনু দেৱব। তাহে সুনি শ্ৰীকৃষ্ণ গোপিক ছাড়ল ঃ গোপি কৃষ্ণক লৱনু দেলহ ঃ শ্ৰীকৃষ্ণ তাহেক ভোজন কয়কহুঁ ঃ আনন্দে নৃত্য কয়ল। আহে মাই জযোদে তুহুঁ কি পুন্য কয়ে কৃষ্ণক পাৱল। (শ্ৰীকৃষ্ণ সৱ গোপিক প্ৰাণ)[25] (শ্ৰীকৃষ্ণ সৱ গোকুল বাসিক আনন্দ কৰাৱয় থিক ঃ অব তোহাঁৰি কানাই বহুত চোৰ চাতুৰিয়ে ঃ গোপিক ভঙ্গ কৰাই ঃ নানা বিধ কৌতুক নৃত্য কৰিয়ে থিক। ইহা জানি ঃ হে মাই ঃ চিন্তা শোক ছাড়হ)[26]।।

জযোৱা বোল ঃ হে মাই গোৱাৰি ঃ কোন ঠানে হামাৰ বালক থিক ঃ তহি হামাক নিয়া জাৱ।।

গোপি বোল ঃ হে মাই ঃ চলহ ঃ (চলহ ঃ হামাৰি সঙ্গে আৱ)[27]।।

সূত্ৰ ঃ ওহি বোলি জযোৱা গোপি সহিত গৈয়া (গোৱালি সৱক ঠামে)[28] শ্ৰীকৃষ্ণক দেখল। শ্ৰীকৃষ্ণ গোপিসৱক মধ্যে নৃত্য

24। আধাৰ পুথিত নাই 25। ছপা পুথিত নাই 26। আধাৰ সাঁচিপতীয়া পুথিত নাই। তাৰ পৰিৱৰ্তে নিম্নোক্ত পাঠহে পোৱা যায়ঃ ‘যশোৱা বোল।। আহে গোপিসৱ ঃ অনেক পুণ্য কৰিয়ে ঃ দেৱক বৰে ঃ কৃষ্ণক পুত্ৰ পাৱল ঃ সে প্ৰাণ পুত্ৰ আসু বিহানে কতিবা গেল ঃ তাহেক বিচাৰি নাপাৱল।। গোপিবোল।। হে মাই জযোদে ঃ তুহুঁ সঙ্কা নাহি কৰবি ঃ শ্ৰীকৃষ্ণ কুযলে থীক।।’পা. 27। আধাৰ সাঁচিপতীয়া পুথিত পোৱা নাযায় 28। আধাৰ সাঁচিপতীয়া পুথিত পোৱা নাযায়

কয় থিক। (আপুন পুত্ৰক দেখিয়ে ঃ জযোৱাক সৰ সৰিৰ জুড়াৱল)[29] ঃ দেখি জযোৱা কৃষ্ণক কোলে কয়ে ঃ গলে বান্ধি ঃ বদনে চুম্বন কয়ে ঃ পৰম আনন্দ পাৱল। শ্ৰীকৃষ্ণ মাৱক তন পান কয়ে ঃ মাৱক বদন নিৰেখি ঃ কান্দি কান্দি ঃ গোপিক সৰ বৃত্তান্ত কহল। সুনি জযোৱা গোপিক গাৰি দেই[30]।

জযোৱা বোলে ঃ আহে ঢাণ্ডী গোৱাৰি ঃ দাসিক দাসি ঃ হামাৰ ওহি বালক শ্ৰীকৃষ্ণক ঃ তুহুঁ চোৰ বুলিয়ে ঃ কলঙ্ক কৰসি ঃ ছিঃ তোহাৰি মুখে চাড় পৰোক ঃ হে বাপু শ্ৰীকৃষ্ণ ঃ ওহি বান্দিসৰক থানে আৰৰ নাহি আৱবি ঃ হামাৰ ঘৰে দধি দুধ লৱনু কে পুছত ঃ জত খাইতে পাৰহ ঃ হামু দেৱব ঃ মাথাক মুকুট ঃ গলাৰ সাতসৰি ঃ বুকৰ সিতল চন্দন।।

সূত্ৰ ঃ ওহি বুলি জযোৱা ঃ গোৱালিসৰক ঠেঙ্গনা দিয়ে খেদাইকহুঁ ঃ আপুন আঞ্চোৱে কৃষ্ণক ধূলা ঝাৰি ঃ বুকে বান্ধি ঃ কোলে কৰি ঃ বদন চুম্বন দিয়ে ঃ পৰম আনন্দে ঃ আপুন গৃহে আনি ঃ সিতল জলে স্নান কৰাই ঃ ভোজন কৰাৱল ঃ সুগন্ধ চন্দনে ঃ দিব্য অলঙ্কাৰে ভূসিত কৰাই ঃ কৃষ্ণক সুন্দৰ বদন নিৰেখিয়ে ঃ মোক্ষতো অধিক আনন্দ লভিয়ে ঃ পৰম সন্তোযে ৰহল। আহে সভাসদ লোক ঃ শ্ৰীকৃষ্ণক পৰম কৃপালু গুণ দেখহ ঃ কোটি ব্ৰহ্মাণ্ডক ঈশ্বৰ হুয়া ঃ নন্দক গৃহে বেকত হুয়া ঃ নানান বিনোদ নৃত্য কয়ল ঃ ইহাক শ্ৰৱণ কীৰ্ত্তন কৰিয়ে ঃ সৱলোক সংসাৰ ঘোৰ নিকাৰ তৰব

29। আধাৰ সাঁচিপতীয়া পুথিত পোৱা নাযায় 30। সুনি যশোৱা গোৱাৰিসৰক গাৰি দিয়ে ঃ জে বোলল ঃ তা দেখহ সুনহ।।





ঃ ইহা জানি শ্ৰীকৃষ্ণ চৰনে সৰন সাৰ কৰিয়ে ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

**।।ইতি চোৰধৰা ঝুমুড়া সমাপ্তম্।।**

## পিম্পৰা গুচুৰা ঝুমুৰা
## ।। শ্ৰীকৃষ্ণায় নমো নমঃ।।

শ্লোক ঃ কস্ত্বম্বাল বলানুজস্ত্বমিহ[1] কিং মন্মন্দিৰাশঙ্কয়া
বুদ্ধং তন্নৱনীত কুম্ভ ৱিৱৰে হস্তং কিমৰ্থং ন্যসঃ[2] ।।
কৰ্ত্তুং তত্ৰ পিপীলিকাপনয়নং সুপ্তাঃ কিমুদ্বোধিতাঃ
ৱালা ৱৎসগতিং ৱিৱেক্তুমিতি সংজল্পন্ হৰিঃ পাতু ৱঃ।।

অপি চ ঃ ৱদনে নৱনীতগন্ধৱাহং
ৱচনে তস্কৰচাতুৰীধুৰীণম্।
নয়নেকুহকাশ্ৰুনাশ্ৰিতোযশ্চৰণে[3]
কোমলতাণ্ডুৱংকুমাৰম্[4] ।।

গীত ঃ ৰাগ-শ্ৰীগান্ধাৰ ।। পৰিতাল

ধ্ৰুং ঃ মোৰ ঘৰে কেনা তুমি বোলয় গোৱালি।
বলাইৰ কনিষ্ঠ মঞিঁ বোলে বনমালি।।

গোপি বোল ঃ আহে বালক ঃ হামাৰ মন্দিৰে তুহুঁ কে।

কৃষ্ণ বোল ঃ আহ ঃ হামাক নাহি চিনহ ঃ হামু বলভদ্ৰৰ কনিষ্ঠ ভাই।

পদ ঃ গোপি বোলে এথা তুমি আইলা কি কাৰনে।
মোৰ ঘৰ বুলি আইলোঁ বোলে নাৰায়নে।।

কথা।। গোপি বোল ঃ আহে বালক ঃ তুহুঁ বলাইক কনিষ্ঠ ঃ আঃ জানলো ঃ কি নিমিত্তে এথা আৱলি থিক।।

কৃষ্ণ বোল ঃ আহে গোপি ঃ হামু হামাৰ মন্দিৰ বুলি আৱলো ঃ পন্থ বিছোড়লোঁ[5] ।।

পা. 1।কস্ত্যম্বাল ৱলানুজমিহ 2।নেষসি 3।কুহু কাশ্ৰমাশ্ৰয়েথাশ্চৰণে 4।কুমাৰকং 5। বিচুৰল





পদ ঃ জানিলো আসিলা তুমি ঘৰ নজানিয়া।
লৱনু কলসে কেন আচ হাত দিয়া।।

কথা গোপি বোল ঃ হে কৃষ্ণ ঃ তুহুঁ ঘৰ-নাহি জানি আৱলি ঃ ইহাত কোনো দোস নাহি ঃ হামাৰ লৱনু কলসি ভিতৰে ঃ কৈছে হস্ত নিৱেসয়ে থিক।।

কৃষ্ণ বোল ঃ আ ঃ হামাক বড় দোস পাৱল ঃ ওহি পিপিলিকা ঃ সব লৱনু নাস কয়ল ঃ ইহাক দূৰ কৰিতে হাত দিয়া আছি।

পদ ঃ হৰি বোল গোপি বড় দোস পাইলি বাছি।
পিম্পৰা গুচাইতে লাগি হাত দিয়া আছি।।
গোপি বোলে উপকাৰ কৰি আছ ভাল।
কিসক জগাইলা মোৰ নিন্দেৰ ছৱাল।।

কথা।। গোপি বোল ঃ হে কানাই ঃ তুহুঁ হামাৰ ভল্ল উপকাৰ কয়ল ঃ আঃ ওহি নিদ্ৰাক বালক কি নিমিত্তে জগাৱল।।

কৃষ্ণ বোল ঃ হে গোৱাৰি ঃ উহি বালক সমে ধেনু ৰাখল ঃ হামাৰ এক বাচৰু নাহি পাৱত ঃ তাহেক পুচিতে ঃ ওহি বালক জগাৱলো।।

পদ ঃ কানু বোলে বৎস মঞিঁ খুজিয়া[6] নপাইলোঁ।
তাৰে পুচিবাৰ তোৰে ছৱাল জগাইলোঁ।।
গোপি বোলে শুন অৰে টেটন[7] কানাই।
তোহাঁৰ মুখত দেখো লৱনু গন্ধাই।।

কথা।। গোপি বোল ঃ হে কানাই ঃ তুহুঁ বড়ি নাগৰ ঃ হামাক সব লৱনু খাই ঃ ঝুঁণ্টা[8] বাত কহইছ ঃ জৱ তুহুঁ লৱনু নাহি খাৱল ঃ তৱ বচন বুলিতে তোহাৰ বদন হন্তে ঃ কৈচন লৱনুক গন্ধ বাঝ হোই।।

কৃষ্ণ বোল ঃ হে গোৱাৰি ঃ তুহু বড়ি দাৰুণ হৃদয় ঃ আপুনি জিহবা ৰাখিতে নপাৰি ঃ আপুন গৃহে লৱনু খাৱলি ঃ অৱ ভতাৰক

পা. 6।বিচাৰি 7।টেণ্টন 8।অৱ ঝুণ্টা

ভয়ে ঃ হামাক অপযশ দেৱত ঃ হামাৰ গৃহে লৱনু কে পুচত ঃ খাইবাক নপাই ঃ তোহাৰি গৃহে চোৰি কৰি লৱনু খাৱলোঁ।।

পদ ঃ কানু বোলে সুন অৰে গোপি নিদাৰুনি।
তোহোৰ মুখত গন্ধ তঞিঁসে চুৰুনি।।
সুনিয়া গোপিনি খুজি[9] নপাইলা উত্তৰ।
মিচা মাতি গোপিৰে ভাণ্ডিলা দামোদৰ।।
সকল কলাৰ গুৰু প্ৰভু নাৰায়ন।
গোপিৰে ভাণ্ডিবা তুমি একুন জতন।।
কহয় মাধৱ হৰি সৰণ তোমাৰ।
মিচা মাতিবাৰ কমন বেহাৰ[10]।।

সূত্ৰ ঃ হে সামাজিক ঃ শ্ৰীকৃষ্ণ ঐচন বানি সুনি ঃ গোপি উত্তৰ নাহি পাৰল ঃ পৰম লজ্জিত হোই পুনু শ্ৰীকৃষ্ণক জে বোলল তা সুনহ।।

গোপি বোল ঃ হে কানাই ঃ তোহাক হামু উত্তৰে নাহি পাৰল ঃ আজু তোহাৰি মাৰক আগু সৱ কথা কহিয়ে ঃ হামু তোহাক জে জানু কৰব।।

সূত্ৰ ঃ উহি বুলি গোপি পড়াক গোপি সৱক ডাক দিয়ে ঃ এক থান হোই ঃ সৱহি গিয়া জযোৱাক আগু কহল।।

কথা।। গোপি বোল ঃ আহে মাই জযোদে ঃ তোহাৰি বালক কানাই ঃ হামাক জে জে অপকাৰ কৰত ঃ তা সুনহ। হামাৰ গৃহে দধি দুধ ৰহয়ে নাহি ঃ শ্ৰীকৃষ্ণ বালক[11] সহিতে নাষ[12] কয়ল।।

অপৰ গোপি বোল ঃ হে মাই ঃ উহি কৃষ্ণক কথা কত কহব ঃ হামাৰ সঞ্চিত লৱণু চুৰি কৰি খাই ঃ জোখাক ভাণ্ড ভাঙি পেহলাৱল।।

অপৰ গোপি বোল ঃ হে মাই ঃ ওহি কানাইক হামু চোৰ ধৰল ঃ হামাক ভাণ্ডিতে বহুত উত্তৰ দেলহ ঃ হামাক জে বোলল ঃ সে

9। এবোল সুখিয়া গোপি 10। বেৰহাৰ 11। বানৰ 12। সৱ নাষ



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

কথা কহিতে হামাৰেসে লাজ ঃ ওহি কানাইক কথা হামু কত কহব ঃ কৃষ্ণক নিমিত্তে হামু ৰহয়ে নপাৰি।।

জযোৱা বোল ঃ হে বালক যাদৱ ঃ তোহোঁ গুৱালক পাড়া কতিহুঁ জাৱব নাহি ঃ তোহাৰি অপযশ হামু কত সহব ঃ হামু জে কহি তা সুনহ।।

গীত ঃ ৰাগ ঃ শ্ৰী ।। জতিতাল[13]

ধ্ৰুং ঃ জাদৱ নাজায়ো নাজায়ো তুমি গুৱালিৰ পাড়া।
কতনো সহিবো মঞিঁ তোমাৰ জগড়া।।

পদ ঃ কেহোঁ বোলে চুৰি কৰি খাইলে লৱনি।
সৱ দধি দুধ খাই বোলে কেহোঁজনি।।
কেহোঁ বোলে ভাঙ্গিলে জোখাৰ মোৰ ভাণ্ড।
এমন বয়সে তুমি এতমান চাণ্ড।।
মোহোৰ ঘৰেৰ দধি মন দেএঁগ যদিঙ্গ
প্ৰতি দিনে দিনে বৱাইবাক পাৰোঁ নদি।।
তথাপি নোজোড়ে হৰি খাইবাক তোমাৰে।
চুৰি কৰিবাৰে জাৱ পড়াৰ ঘৰে ঘৰে।।
নানান সুৰষ কৰি নানান বাখৰে।
জতন কৰিয়া সাজোঁ খাইবাৰ তোম্মাৰে।।
জত পাৰ মানে খাৱ পেট ভৰি ভৰি।
দুখিৰ ছৱাল জেন ফুৰ চুৰি কৰি।।
আৰু যদি জাৱ তুমি গুৱালিৰ বাৰি।
তেমনে মাৰিবোঁ জেন গাৱে থাকে খাড়ি।।
কহয় মাধৱ মাই গালি পাৰ কাৰে।
ওহিতো নিয়ন্তা হৰি আতমা সৱাৰে।।

কথা ঃ হে পুতা ঃ তোহাৰি বাপ নন্দ ঃ সৱ গোকুলক[14] ৰাজা ঃ হামু তাহেৰ পতনি ঃ হামাক উদৰে জনমি ঃ তুহুঁ ঐচন দুৰ্যন[15]

পা. 13। যতি তাল /পৰিতাল 14। গোৱালক / গুৱালক 15। দুৰ্জন

ভেলি ঃ হামাক গৃহে দধি নাহি ঃ দুধ নাহি ঃ লৱনু নাহি ঃ সন্দেস নাহি ঃ কোন বস্তু নাহি ঃ তোহাক হামু খাইতে নাহি দেসি ঃ তুহুঁ কি ভোজন নাহি কৰত ঃ কাঙ্গালক চৱাল জৈচন তুহুঁ বেড়াৱ ঃ আজু তোহাক সিখা দেৱব ঃ গোৱালক পড়া জৈচে নাহি জাৱ।

সখি বোল ঃ হে মাই ঃ তুহুঁ কাহেক ঐচন গাৰি দেসি ঃ ওহি জগতক আতমা ঃ ব্ৰহ্মাৰুদ্ৰাদি দেৱতা সৱো ঃ জাহেৰ আজ্ঞা বানি ঃ পৰম সাদৰে বহত ঃ তাহেক তুহুঁ নিয়ম কৰিতে চাৱ ঃ উচিত নহে।।

কৃষ্ণ বোল ঃ হে মাই ঃ তুহুঁ কতিহো গাৰি নাহি দেৱব ঃ তুহু বাৰম্বাৰ জত অপামন দিয়া আছ ঃ তাহেক হামু সহইছি[16]ঃ অৱ বচনেক বোলো তা সুনহ।।

গীত ঃ ৰাগ ঃ ভাঠিয়ালি ।। একতাল[17]

ধ্ৰুং ঃ আলো মাই[18] ঃ গালি তুমি নপাৰিবা মোৰে।

জত অপমান মোৰে দিয়া আচা বাৰে বাৰে
ভালে আমি সৈয়া আচোঁ তাৰে।।

পদ ঃ কোন চাৰ পুৰাতন সে কড়া দুইৰ ধন
কলসি ভাঙ্গলো দেখি ৰাগে।
সৈবাৰ নৰৈল মোৰ জেন পায়া খণ্ট চোৰ
বান্ধিলা গৰুৰ লৈয়া পাগে।।
এই অপৰাধ খানি নসৈলা নন্দেৰ ৰাণি
আৰৰ সহিবা তুমি কি।
তোমাৰ লক্ষণ দেখি জগতে জানিলে তুমি
জেন বৰ মানুষৰ ঝি।।
তপ জপ জজ্ঞ জত নাহি দান পুণ্য ব্ৰত
আচিলা জনমে আণ্ঠুকুৰি।

16।সহছি 17।সাঁচিপতীয়া পুথিত তালৰ উল্লেখ নাই 18।আগো





আমি পুত্ৰ হুয়া আসি সেদোস কৰিলোঁ দুৰ
আৰে তোমাৰ আমাত চাতুৰি।।
আতি নিদাৰুণ জানি যুৱাকালে নুপজিলোঁ
বৃদ্ধাকালে পুত্ৰ ভৈলোঁ এথা।
সামান্য নাৰিয়ো জানে বৃদ্ধ হুয়া নজানিলা
আপুন পুত্ৰৰ দায়া বেথা।।
জগত ঢাকিয়া ঘোৰ দুৰ্যস থাকিল মোৰ
নাকৈলা আমাৰ কোন কাম।
জত উপকাৰ গুণ সকলে ঢাকিয়া দিলা
আমাৰ লৱনু চোৰা নাম।।
ৰাজাৰ কুমাৰ হুয়া গৰু চাৰি খাঞোঁ ভাত
দুৰ্গম সঙ্কট বনে বনে।
তথাপিতো আমি ভাল বোলাইবাক নপাৰিলোঁ
আৰ ভাল বোলাইবো কমনে।।
সহিয়া থাকিলে ভাল সকলে জগতে বোলে
উচিত বুলিতে লাগে দন্দ।
যত বোল মাতমানে সকলে সহিলো আমি[19]
তথাপিতো আমি ভৈলোঁ মন্দ।।
অপমান সহিবাক নপাৰি পলায়া জাইবোঁ
কংসৰ নগৰি মধুপুৰি।
আমাক নাপায়া লাগ কান্দিয়া মৰিবা পাছে
সকলে ভাৱনা হৈবে চুৰি।।

পা. 19। জত অপমান দুখ ঃ সকলে সহিয়া থাকি ঃ

জাহাৰ মায়াৰ অন্ত ব্ৰহ্মা হৰো নপাৰন্ত
হেন হৰি চাতুৰি খেলাই।
কহয় মাধৱ প্ৰভু আৰ কিছু নুবুলিয়ো
তোমাৰ জননি দুখ পাই।।

কথা।। কৃষ্ণ বোল ঃহে মাই ঃ তুহুঁ বিস্তৰ নাহি বোলব ঃ হামু তোহাৰি ভৰ্চনা সহব নাহি ঃ কোন চাৰ পুৰাতন কলস ভাঙ্গল ঃ কড়া দুইক ধন হানি কয়ল ঃ তাহেক গাৰে নাহি সহল ঃ আৰ কি সহব ঃ তোহাৰি ভাৰ দেখি ঃ সৱলোকে জানল ঃ তুহুঁ জৈচে বড় মানুষক ঝি ঃ অঃ হে মাই ঃ তুহু জনম আঠুঁকুৰি হয়ে থিক ঃ হামু পুত্ৰ হুয়া সে দোষ দুৰ কয়লো ঃ অৱ হামাক আগু চাতুৰি লগাৱ।। অঃ কি দাৰুণ হৃদয় ঃ আপুন পুত্ৰক দায়া নাহি মানত ঃ জগত ঢাকিয়ে লৱনু চোৰ নাম দেলহ ঃ আৰ হামাক কি কৰিতে কি ৰহল। অৱ অপমান সহিতে নাপাৰি পলাৱব ঃ তোহাৰি ভাৱনা চুৰ কৰব ঃ হামাক নপাই পাচু কান্দি মৰব।।

সঙ্গি বোল ঃ হে পৰমেশ্বৰ ঃ আৰৰ কিচো নাহি বোলব ঃ তোহাৰি জননি দুখ পাই ঃতোহাৰি মায়াৰ অন্ত ঃ ব্ৰহ্মা আদি দেৱতা সৰো নাহি পাৰত ঃ সামান্যক কি কহব ঃ হে পৰমেশ্বৰ ঃ তোহাৰি অভয় চৰণে ঃ কৌটি পৰনাম কৰোহোঁ।।

সূত্ৰ ঃ হে সামাজিক লোক ঃ পৰম ঈশ্বৰক শ্ৰীকৃষ্ণ ঃ পৰম কৃপা গুণে অৱতৰি ঃ নান বিনোদ কয়ল ঃ ইহাক শ্ৰৱন কীৰ্ত্তন কৰি ঃ সুখে সংসাৰ তৰৱ ঃ জানি কৃষ্ণ চৰণে মন থিৰ কৰি[20] ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

## ।। পিম্পৰা গুচোৱা ঝুমুৰা সমাপ্তম্।।

পা. 20। সৰন সাৰ কয়





## ভূমি লেটোৱা ঝুমুৰা
## ।। শ্ৰীকৃষ্ণায় নমঃ।।

শ্লোক ঃ মুগ্ধং নিপীতদুগ্ধং[1] দধিকণদিগ্ধং ঘনাঘনস্নিগ্ধম্।
অম্বৰমিৱ তাৰকিতং[2] কঞ্চন গোপাৱালকং ৱন্দে।।

সূত্ৰ ঃ আহে সামজিক লোক ঃ জে চৰাচৰ গুৰু নাৰায়ণ ঃ সৰ্ব্বলোক হিত কাৰণে ঃ নন্দক মন্দিৰে বেকতহুয়া কহোঁ ঃ কপট গোপবেসে ঃ পৰম মঙ্গলৰূপ ঃ নানান ৰসে খেলনা কয়কহুঁ ঃ জযোৱাক মন সন্তোসিয়ে[3] ঃ জৈচন কৃড়া কয়ল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীতঃ ৰাগ ঃ আসোৱাৰি ।। পৰিতাল[4]

ধ্ৰুং ঃ খেলত গোৱিন্দ জযোৱাকু সঙ্গে।
মানৰি ভাৱ দেখাৱত ৰঙ্গে।।

পদ ঃ সৃষ্টি[5] স্থিতি লয় কাৰণ যোয়ি।
জাকেৰি লিলা জানত নাহি কোই।।
সোহি মহেশ্বৰ গোপ কুমাৰা।
লোক তাৰণ হেতু কৰত বিহাৰা[6]।।
যোহি কৃপাময় দেৱক দেৱা।
মুকুতি বিৰম্বন যাকৰ সেৱা।।
নানান ৰসে খেলে সোহি দয়ালা।
কহয় মাধৱ গতি বাল গোপালা।।

সূত্ৰ ঃ তদন্তৰ ঃ শ্ৰীকৃষ্ণ এক দিৱসে ঃ জযোৱাক মন্দিৰ পশিয়েঃ খিৰ লৱনু চুৰি কৰি খাৱল। সোহি সময়ে জযোৱাক

পা. 1। লিপিতদুগ্ধং 2। তাকিতং 3। সন্তোষ কয়ে 4। প্ৰৱেশ গিত।। ৰাগ -- আসোআৰি।। পৰিতাল 5। শ্ৰীষ্টি 6। ভয়ো অৱতাৰা

দেখিয়ে ঃ ভয়ে জননিক ভাণ্ডিতে ঃ জৈচে কপট কয়ে
কান্দিতে লাগল ঃ তাহে দেখহ ঃ সুনহ।

শ্লোক ঃ নীতং নৱ নৱনীতং কেন চ পীতং পয়ঃ ক্ক মে মুৰলীম্।।[7]
ইতি সমুদীৰ্য্য লুঠন্তং ভূমৌ ৰালং নমামি বালগোপালম্।।
এৱং ভূতং ভূমৌ লুঠন্তং গোপালং নমামি।।

সূত্ৰ ঃ সকল নাগৰ চুড়ামনি ঃ আপুন হাতক বাঁসি ঃ আঁৰ
কৰিয়ে ঃ খিৰ লৱনুক ভাণ্ডাগোড়ায়ে ঃ মাটি লোটি ঃ
জৈচে কান্দিতে লাগল ঃ তা দেখহ[8]।।

গীতঃ ৰাগ ঃ ভাটিয়ালি ।। একতালি

ধ্ৰুং ঃ ভূমি লুটি ঃ কান্দে গোপিনাথ ঃ ভাণ্ডিতে মায়ৰে।
চুৰি কৰিয়া ঃ খিৰ লৱনু ঃ খাৱে ভাণ্ড নিজৰে[9]।।

সূত্ৰ ঃ ঐচন ক্ৰন্দন পেখি[10] ঃ জযোৱা পুত্ৰ স্নেহে ঃ পৰম আকুল
হুয়া পুচত।।

জযোৱা বোল ঃ আহে বালক ঃ তুহো কি নিমিত্তে মাটি লোটি ক্ৰন্দন
কৰহ।।

কৃষ্ণ বোল ঃ হে মাই জযোদে ঃ ওহি ভাণ্ডৰ মধ্যে নৱ লৱনি
থৈয়াছিলোঁ ঃ তাহেক কে নিয়া গেল ঃ ওহি ভাণ্ড মধ্যে ঃ
ঘন খিৰ থৈয়াছিলোঁ ঃ তাহেক কে বা খাইলেক।।

পদ ঃ কেবা নিয়া খাইলে মোৰ এ নৱ লৱনি।
এহি বুলিয়া হুমহুমি কান্দে যদুমনি।।
ঘন খিৰ ফুটি থৈয়াছিলোঁ তাৰো গৈলে খায়া।
উহি বুলিয়া কান্দে কানু ভাণ্ডটি গড়ায়া।।

কৃষ্ণ বোল ঃ আহে মায়ি ঃ হামু কি কহৱ ঃ হামাৰ পৰম সুন্দৰ পৰমধন
বাঁসি ঃ এথায়ে থৈয়াছিলোঁ ঃ তাহেক কে লৈয়া গেল ঃ
আৰ হামাৰ কি হইতে ৰহুল।।

---

7।মুৰৱী 8।কোনো কোনো পাঠত ‘তা দেখহ ঃ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।’
9।খায়া খালি ঘৰে 10।সুনিয়ে





পদ ঃ এথায়ে আছিল বাঁসি কেবা নিল তাৰে।
এতিনি প্ৰসাদ মোৰ ভৈল একেবাৰে।।
এহি বুলি গেড়ি পাড়ি কান্দে যদুৰাই।।
কহয় মাধৱ গতি বালক কানাই।।

সূত্ৰ ঃ ওহি বুলি জগতক ঈশ্বৰ শ্ৰীকৃষ্ণ ঃ মাৱক ভাণ্ডিএ ঃ
মাটিলোটি ক্ৰন্দন কয় ঃ ৰোস কৰিয়ে ৰহল। তাহে পেখি
জযোৱা ঃ পুত্ৰক স্নেহে ঃ নানাবিধ কাকুতি কৰিয়ে ঃ জৈচে
সান্ত কৰিতে লাগল ঃ তাহে দেখহ[11]।।

গীত ঃ ৰাগ ঃ শ্ৰী ।। জতি[12]

ধ্ৰুং ঃ গোপাল সুনৰে[13] বাপ ৰোস কৰ দূৰ।
তোমাৰ পাৱেৰ বালাই লএঁঞা মঞি বাপেৰ ঠাকুৰ।।

জযোৱা বোল ঃ আহে পুতা শ্ৰীকৃষ্ণ ঃ তোহাৰি পয়ৰে লাগোঁ ঃ অৰুণ
অধৰ বালাই লএঁঞা ঃ ওহি স্যাম সৰিৰক অৱস্থা
দেখিয়ে ঃ কৈছে মৰিয়ে নজাঞঁ। তোহাৰি ঐচন অপমান
পেখিয়ে ঃ হামাৰ হৃদি সহএ নাহি ঃ আহে বাপু ঃ ৰোস
তেযহ ঃ উঠহ।।

পদ ঃ মানিক যিনিয়া[14] জ্বলে দুখানি অধৰ।
ৰোস দুখ ভৰে আতি ভৈগৈল ঝামৰ।।
কান্দিতে কান্দিতে পুত্ৰ বড়ি পাইলা দুখ।
নেত্ৰজলে মলিন সুন্দৰ চান্দমুখ।।
হাটে বাটে গেল দাসিসকলে তোহ্মাৰে।
যমুনাৰে গেলো হামু নিৰ ভৰিবাৰে।।
তোমাৰ বাপ নন্দঘোষ তাঞেঁ নাহি ঘৰে।
সকলে লৱনু খাইলে পোষণ বানৰে।।

---

পা. 11।তা দেখহ ঃ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।। 12।গিত।। ৰাগ--শ্ৰী।
গান্ধাৰ। পৰিতাল 13।সোনাৰে ; শুনৰে 14।জিনিয়া

কথা ঃ আহে পুতা ঃ তোহাৰি বানৰে সকল লৱনু খাৱল ঃ তুহুঁ হামাত ৰোষ কৰিএ ঃ মাটি লোটি ঃ কৈচন ক্ৰন্দন কৰসি। ওহি মানিক পুতলি সৰিৰ ঃ ধুলি ধুষৰিত[15] ভেল ঃ ইহা দেখি হামাৰ বড়ি দুখ লাগে ঃ বাপু ক্ৰন্দন ছোড়হ।।

পদ ঃ দুৰ্যন[16] বানৰে দিলে আপুনি আসঙ্গ।
সে খাই লৱনুখানি মোৰে কেনে খঙ্গ।।
খাইলে খাইলে[17] মাৰিবো বানৰ পাইলে লাগ।
এখনো কাতৰে কৰোঁ এড়া ৰোষ ৰাগ।।
তোমাৰ বানৰে খাইলে মোৰ কিবা ঘাটি।
হামাত ৰোসে বাগৰ গাৰে লাগে মাটি।।
মানিক পুতলি তনু ধুলায়ে ধুসল।
কান্দিতে ভাগিল গলা ভৈগৈল বিকল।।

কথা ঃ ওহি বুলি ধুলা ঝাড়ি তুলি ঃ কোলে কৰিএ ঃ জযোৱা যে বোলল ঃ তা সুনহ।।

জযোৱা বোল ঃ আহে পুতা ঃ হামাৰ মন্দিৰে ঃ দধি-দুধ-লৱনু কোন বস্তু সম্পূৰ্ণ নাহি থিক ঃ তুহুঁ যত খাইতে পাৰ ঃ হামু তাহেক দেৱব ঃ তুহুঁ ৰোষ দুখ সব চোড়হ।।

কৃষ্ণ বোল ঃ আহে মাই ঃ হামু ক্ষুধায়ে[18] পিড়িত হয়াছি ঃ হামাক লৱনু দেৱহ।।

জযোৱা বোল ঃ আঃ অখনে গোৱালসৰে দধি আনব[19] ঃ তাহেক হামু মথিয়ে ঃ নবিন লৱনু দেৱব ঃ ছিনি কৰ্প্পুৰ মাখিয়ে ঃ খিৰৰে লাড়ু দেৱব ঃ তুহুঁ তাহেক আনন্দে ভোজন কৰবি ঃ যদি হামাৰ বচনে সঞ্জাত নাহি জাৱত ঃ তৱ পৰাক গোপি সাখি খৰহ।।

15।ধুসৰিত/ধুষৰিত 16।দুৰ্জ্জন 17।খাইলো খাইলো পা. 18। খুধায়ে 19। আঃ এখনে গোৱালসৰে দুধ আনব





পদ ঃ এখনে আনিব দুধ মাখিবো আপুনি।
যত পাৰ খাইবা দিৱো এ নৱ লৱনি।।
খিৰেৰ লাড়ু সাজি দিবো ছিনিকয় মাখি।
সঞ্জাত নজাৱ পড়াৰ লোক কৰা সাখি।।
এবোল সুনিয়া হৰি তেজল ৰোদন।
ধুলা ঝাড়ি কোলে লৈয়া মাৰে দিলা স্তন।।
স্তন পান কৰি হাসি তোলে নাৰায়ণ।
কহয় মাধৱ গতি নন্দেৰ নন্দন।।

সূত্ৰ ঃ ওহি বুলি জযোৱা ঃ কৃষ্ণক কোলে তুলি ঃ এতু কাল স্তন পান কৰাইতে ঃ শ্ৰীকৃষ্ণ জযোৱাক কোলে জৈচন ভাৱে পৰকাস কয়ল ঃ তা দেখহ।।

গীত ঃ ৰাগ ঃ স্যাম[20] ।। পৰিতাল

ধ্ৰুং ঃ জযোৱা গোপাল কোলে লিজে।
বয়ন ভৰি ঘন চুম্বন দিজে।।

পদ ঃ কবহু ভৰি এ হৰি চান্দ বয়নে।
পুৰল মন পয়োধৰ পানে।।
কবহুঁ বয়নে হেৰি হৰি হাসে।
জগতক জিৱ জযোৱা কোলে ভাসে।।
সনক সনাতন জা কৰু সেৱা।
জযোৱা কোলে সোহয় সোহি দেৱা।।
ভকত বৎসল হৰি দিন দায়াল।
কহয় মাধৱ গতি বাল গোপাল।।

সূত্ৰ ঃ ঐচন পৰকাৰে শ্ৰীকৃষ্ণ মাৰক ভাণ্ডিয়ে ঃ লৱনু ভুঞ্জিয়ে ঃ কোলে চড়ি তন পান কৰিয়ে ঃ পৰম আনন্দে জৈচে লৱনু মাগল ঃ তাহেক দেখহ[21]।।

20।শ্যাম 21।তাহেক দেখহঃ সুনহঃ নিৰন্তৰে হৰি বোল হৰি বোল

গীত ঃ ৰাগ ঃ শ্ৰী ।। জতি তাল[22]

ধ্ৰুং ঃ মাগে লৱনু হৰি জযোৱাকু আগে।
কৰ পাতি বোলয় লৱনু মেৰি লাগে।।

কৃষ্ণ বোল ঃ আহে মাই জযোদে ঃ হামুকু তুহুঁ লৱনু দিতে অঙ্গিকাৰ কৰয়িছ[23] ঃ সোহি লৱনু হামাক সত্বৰে দেহুঁ ঃ আজু লৱনু নাপায়া তোহাক চাড়ব নাহি ঃ তুহুঁ হামাক লৱনু সহিএ বাৰম্বাৰ ভাণ্ডিয়া আছ ঃ আয়ু ছাড়ব নাহি।।

পদ ঃ পুৰুযে বুলিয়া আছা লৱনু দিবাৰে।
সোহি লৱনু মাই লাগয় হামাৰে।।
লৱনু নপাইলে আজি নাছাড়িবো তোৰে।
গুনি চাৱা বাৰে বাৰে ভাণ্ডি আচ মোৰে।।

জযোৱা বোল ঃ আহে বাপু শ্ৰীকৃষ্ণ ঃ আয়ু লৱনু গৃহে নাহি ঃ আন দিৱসে দেৱবোঁ।।

সূত্ৰ ঃ শ্ৰীকৃষ্ণ মাৰক আঞ্চোৰে ধৰি বোল।।

কৃষ্ণ বোল ঃ আহে মাই জযোদে ঃ তোহাৰি বচনে সঞ্জাত নাহি ঃ এত বুলি হামাকু লৱনু দেৱব নাহি ঃ লৱনু নাপায়া তোহাক ঃ কতিহু জাইতে নাহি দেৱবোঁ।।

পদ ঃ মাৱৰ আঞ্চোৰে ধৰি বোলে নাৰায়নে।
লৱনু নপায়া আজি ছাড়িবো কমনে।।
থৈয়াছিল হয়ঙ্গমি হৰি পুজিবাৰে।
এড়াইতে নপাৰি মাই দিলা আনি তাৰে।।

সূত্ৰ ঃ কৃষ্ণক নিবন্ধ দেখিয়ে ঃ হৰিক পুজা নিমিত্তে ঃ হয়ঙ্গমি নৱিন লৱনু থৈয়াচিল ঃ তাহেক জযোৱা কৃষ্ণক দেলহ। সোহি লৱনু ভোজন কৰিয়ে ঃ শ্ৰীকৃষ্ণ জৈচন নৃত্য কৰত ঃ তা দেখহ।।

22। গিত ।।ৰাগশ্ৰী-গৌৰী।।জতিমান 23।কৰইছ





পদ ঃ নৱিন লৱনু পায়া পৰম কৌতুকে।
চৰাচৰ গুৰু হৰি ভুঞ্জিলা উৎসুকে।।
লৱনু ভুঞ্জিয়া নাচে তৃজগত পতি।
কহয় মাধৱ হৰি পদ ৰেনু গতি।।

কথা।। সূত্ৰ ঃ আহে লোক ঃ যোহি শ্ৰীকৃষ্ণক চৰনাৰবিন্দ ঃ ব্ৰহ্মাদি দেৱতাসৱো সদায়ে সেৱত ঃ মহা মহা জজ্ঞে ঃ জাক তুষ্ট কৰাইতে নাহি পাৰত ঃ সোহি পৰমেশ্বৰ ঃ ভকতিক বস্য হয়া ঃ গোৱৰিক থামে ঃ লৱনু মাসিয়ে ঃ পৰমানন্দে ভোজন কয়ল। ঐচন কৃষ্ণক মহিমা। ইহা জানি কৃষ্ণক মনে ধৰিয়ে ঃ নিৰন্তৰে হৰি বোল হৰি[24]।।

## ।।ইতি ভূমি লেটোৱা যাত্ৰা।।

পা. 24। পুষ্পিকা ঃ ইতি ভূমি লেটোৱা ঃ লৱনু মাগি খোৱা ঃ বালক কৃষ্ণ যাত্ৰা নাট ঃ সম্পূৰ্ণ ভেল।। শ্ৰীকৃষ্ণ চৰণে সমৰ্পণ।

## ভোজনবিহাৰ ঝুমুৰা

## ।। শ্ৰীকৃষ্ণায় নমঃ।।

শ্লোক ঃ নমঃ শ্ৰীকৃষ্ণৱাসুদেৱানন্তশক্তে -
নাৰায়ণাখিলগুৰোৰ্ভগৱান্নমস্তে।
নমো ব্ৰহ্মমূৰ্ত্তিশ্ৰীহৰে ৱিশ্বেশ্বৰ -
কমল নয়নাচ্যুত নমস্তে নমস্তে।।

অপি চ ঃ ৱেদানামৰ্থতত্ত্বজ্ঞং শ্ৰীশঙ্কৰৰূপিণং।
ৱন্দেতম্পৰমানন্দং সৰ্ব্বভূতৱিনাশকম্[1] ।।

অপি চ ঃ গোৱিন্দং পৰমানন্দং সঙ্গে গোপৈঃ সমন্বিতম্।
বৃন্দাৱনৱিহাৰিণং শ্ৰীকৃষ্ণং প্ৰণমাম্যহম্।।[2]

অৰ্থ ভটিমা ঃ প্ৰাতস[3] সময়ে জযোৱা জননি
মুখ চুম্বিত স্যাম জগাৱন কু[4]।
উঠ মেৰে[5] লাল মদন গোপাল
আৰে তেৰি গোৱাল বোলাৱন কু[6]।।
অৱ ৰুটিয়া[7] লেহু মাখন চঞ্চু[8] পুৰি
মুৰুৰি লেহু স্যাম বজাৱন কু[9]।
বৃন্দাৱনে জাহি আনন্দ কৰু
যমুনাতেটে ধেনু চৰাৱন কু[10]।।

পা. 1। বিনায়কম্। কালিৰাম মেধিৰ 'অঙ্কাৱলী'ত এই শ্লোক নাই, 2। বিৰিঞ্চি কুমাৰ বৰুৱা 'অঙ্কীয়া নাট' আৰু পূৰ্ণচন্দ্ৰ গোস্বামী সম্পাদিত 'শ্ৰীশ্ৰীমাধৱদেৱ বাক্যামৃত'ত এই শ্লোক নাই, 3। প্ৰাত, প্ৰাতুঃ 4। জগাঅনকো, জগাৱন, কো 5। মেৰি 6। বলাঅনো কো/কু, 7। ৰুটিয়াসৱ 8। চঞ্চো 9। বজাৱন কো, বজাৱনো কু, বজাঅন কু 10। আধাৰ পুথিত এই পদফাঁকি তুলিবলৈ বৈ গ'ল





চোড়ি ভৱন চলহু নন্দ নন্দন
গোধন চাৰণ কাৰণ[11] ৰে।
দাম সুদাম সখিসৱ মিলত
আনন্দে গোৱিন্দ খেড়ি খেলাৱত ৰে।।
সত সত বৎস বিমল নৱিন[12]
চৱিন চলাৱত ৰে।
সিঙ্গা উপাঙ্গ বেনু মুহ বাজত
হেৰি গোৱাল ভুলাৱত ৰে।।
গিৰিপতি ধ্যান তেজি অৱধান[13]
মুৰুৰিক সান বিমোহিত ৰে।
তোহোঁ জগন্নাথকি দাসকি মাধৱ
মুহ ভৰি ৰাম কহাৱত ৰে।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ জে চৰাচৰ গুৰু নাৰায়ণ ঃ (জাকেৰি স্ৰজনা সয়ল সংসাৰ ঃ ব্ৰহ্মামহেশ্বৰ বন্দিত পাদপদ্ম ঃ পৰম পুৰুষ পুৰুষোত্তম)[14] ঃ সৰ্বলোক হিত কাৰণে ঃ নন্দক মন্দিৰে[15] ঃ বেকত হয়াকহোঁ কপট গোপ বেসে ঃ পৰম (মঙ্গল ৰূপ ঃ নানাৰসে খেলনা কয়কহুঁ ঃ ব্ৰজবাসিসৱক জৈচন আনন্দ কৰাৱল)[16] ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল।।

গীত ঃ ৰাগ-সিন্ধুড়া ।। পৰিতাল[17]

ধ্ৰুং ঃ কানু সাজে সাজে কানু সাজে সাজে
সিঙ্গাৰ নিসান বাজে।।

11। কানু 12। বিমল তৰুণ ঃ 13। অৱসান, বয়সান 14। 'অঙ্কাৱলী'ত বন্ধনীৰ ভিতৰত দিয়া অংশ নাই 15। ঘৰে 16। বন্ধনীৰ ভিতৰৰ অংশ সাঁচিপতীয়া পুথিত নাই। পা.17। 'মান-জ্যোতি'

পদ ঃ নিসি অৱসানে বাংসিৰ নিসানে[18]
ডাকয়[19] ছিৰি গোপালে।
ভোজন সম্ভাৰ লৈয়া ভায়ীসৰ[20]
সাজিয়া আইস সকলে।।
আজু বনমহ কৰব ভোজন[21]
জানিয়া সিশুসকলে।
কৰিয়া জতন সাজি দধি অন্ন
আইলসৱে কুতুহলে।।[22]
গাৱে গাৱে বৎস অনেক সহস্র
চলাৱে গোৱালগনে।
কৃষ্ণৰ অসংখ্য বৎস বাটিলৈয়া
চলি ভৈলা[23] বৃন্দাবনে।।
সিঙ্গা বাংসি বেত পিত ধৰা নেত
গুঞ্জ গেৰু মৈৰা পাখি।
নটবৰ জিনি সাজি[24] যদুমনি
ফিৰে[25] বনে বৎস ৰাখি।।
হাসিয়া মোহন বাংসিটি বজাৱে
গোৱাল বালক সঙ্গে।
ৰূপে কোটি কাম জিনি বহু ৰসে
খেলান খেলাই ৰঙ্গে।।
জাক ব্ৰহ্মজ্ঞানী ব্ৰহ্ম বোলে দাসে
বোলয় পৰম দেৱ।
মায়াবিমোহিত বোলে নন্দ সুত
ব্ৰহ্মা কৰে জাক সেৱ।।

18। নিসানে গ' 19। ডাকৰে 20। ভাই /ভয়াসৰ 21। ভোজন গ' 22। কৌতুহলে 23। আইলা, গৈলা 24। সাজে 25। ফুৰে, চলে



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

অনেক জনমে জোগেশ্বৰো জাৰ
নপাৱে পদধূলাক।
কহয় মাধৱ আখিৰ গোচৰ
ব্ৰজবাসী দেখে তাক।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ শ্ৰীকৃষ্ণ বৃন্দাবনে নানা নৃত্য কয় ঃ যমুনাক বালি পাৱল ঃ সুকোমল বালি পেখিয়ে ঃ শ্ৰীকৃষ্ণ সিশুসৰক জে বোলল ঃ তা সুনহ।।

কৃষ্ণ বোল ঃ আহে সখিসৱ ঃ পেখু পেখু ঃ কেন ৰম্যস্থান ঃ পৰম সুকোমল বালি ঃ পদ্ম গন্ধে ভ্ৰমৰে আকুল কৰিতেছে ঃ পদ্মক বেঢ়িয়া ভ্ৰমৰে গুঞ্জৰে ঃ আহাৰ লগত বৃক্ষো মাতয়[26] ঃ বেলা গৈল ঃ আসা অহিতে ভোজন কৰোঁহো। পানি পিয়া ঃ কাচত বৎসসৰ চৰোক[27]।।

সূত্ৰ ঃ শ্ৰীকৃষ্ণক বাক্য[28] সুনিএ ঃ বালসৰ[29] বোল।।

বালকসৰ ঃ আঃ হামাৰো উহি সন্মত।।

সূত্ৰ ঃ ওহি বোলি বালকসৱে ঃ গাৱে গাৱে গোৱৎসক জল পান কৰাৱল ঃ আপুনো জল ভোজন কয়ল ঃ পৰম খুধাতুৰ হুয়া ঃ কৃষ্ণক মধ্য কৰিএ ঃ দধিভাত মেলিএ ঃ ভোজন কৰত ঃ কাহোঁ সিকিয়া ঃ কাহোঁ পাসন ঃ কাহোঁ পুষ্পপত্ৰ ফলপল্লৱ ঃ নানাবিধ পাত্ৰ বিধান কৰিএ ঃ অন্ন ভোজন কৰত ঃ জৈচে পদ্মৰ চকাক পাত্ৰ আৱৰল ঃ পদ্মৰ কন্নিকা[30] ভৈলা নন্দেৰ তনয় ঃ গোপসিশুগণ পদ্মপত্ৰৰ অন্ন খায়ে ঃ অন্যে অন্যে হাস পৰিহাস কৰিএ ঃ ভোজন কৰত।।

26। আহেৰঙ্গ ইহাৰ লগে বৃক্ষো মাতৰ 27। বৎসসৰ কাসতে চৰোক 28। বানি 29। সিশুসৰ 30। কৰ্ণিকা

শ্লোক ঃ ৰিভ্ৰদ্বেণুংজঠৰপটয়ো শৃঙ্গৱেত্ৰেচ কক্ষে
ৱামে পাণৌ মসৃণকমলং তৎফলান্যঙ্গুলীষু।
তিষ্ঠন্মধ্যেস্বপৰিসুহৃদো হাসয়ন্নৰ্ম্মভিঃ স্বৈঃ
স্বৰ্গলোকে মিষতি ৰিভুজে যজ্ঞভুগ্বাল কেলিঃ।।

সূত্ৰ ঃ বামকাখে সিঙ্গা বেত বাংসি বেৰটিত থৈয়া ঃ আঙ্গুলিত ফল ঃ দক্ষিণহাতে গ্ৰাস ধৰিএ ঃ কৰ্ণিকাৰ সদৃশ মাজে বসিয়ে ঃ সুহৃদসৱক পৰিহাস কৰিএ ঃ শ্ৰীকৃষ্ণ অন্নভোজন কৰত। গগনে দেৱতাগণে ঃ কৃষ্ণক ভকতবৎসল গুণ দেখিএ ঃ সিৰে কুসুম বৰিসল ঃ তা দেখহ ঃ নিৰন্তৰে হৰি বোল।।

গীত ঃ ৰাগ-বসন্ত ।। জতিমান

ধ্ৰুং ঃ কৰত গোপাল ভোজন বেৰহাৰা[31]।
গোপ বালকসৱ চৌভিতি বৈঠল
পঙ্কজ পত্ৰ আকাৰা।।

পদ ঃ তাসু মাঝে নন্দ সুত বিৰাজিত[32]
পঙ্কজ কেশৰ সমানা।
কুসুম পাসন[33] পত্ৰফল পল্লৱ
কৰু বহু পাত্ৰ বিধানা।।
তাসু উৱৰে থাপি অন্ন ব্যঞ্জন
বহুৰসে চাৰু সুগন্ধি।
দধি দুধ লৱনু চোৰ চাতুৰি ৰসে
ভোজন কৰত আনন্দি।।
বাম কাখে সিঙ্গা বেত বেৰটি মহ
মোহন বাংসি বিৰাজে।

পা. 31।বিহাৰা 32।বিৰাজত 33।পাষান





বাম পাণিতলে থাপি অন্ন ব্যঞ্জন
ভোজন কৰত যদুৰাজে।।
সুহৃদসৱক হৰি বহুৰসে আনন্দে
ৰঞ্জিত হাস পৰিহাসে।
কতিহু কৰতালি বাৱত গাৱত
কতিহু নাচত লয়লাসে।।
সকলে জজ্ঞভাগ ভোজন কৰত জোহি
তাসু কৰ ফলদানা।
সোহি মহেস্বৰ ভোজন কৰত বনে
তহি নিগম পৰমানা।।
গগনে দেৱতাগণে ৰঙ্গ দেখত সিৰে
বৰিসত কুসুম আপাৰা।
মাধৱ মুৰুখমতি জনমে জনমে গতি
হৰি পদ পঙ্কজ হামাৰা।।

সূত্ৰ ঃ সোহি সময়ে ঃ ভিক্ষুক নাৰদ আষি ঃ জৈচে প্ৰসাদ প্ৰাৰ্থল ঃ তা দেখহ ঃ সুনহ।।

শ্লোক ঃ নাৰদো ভিক্ষুকব্যাজাদ্ বৃন্দাৱনাগতস্তদা।
বিষ্ণো বিষ্ণো তদাশংস্য প্ৰসাদং বুভুজে মুদা।।
মুনিৰাজস্ততঃ কৃষ্ণপাদচিহ্নাম্বুজাদিকম্ ।
বুভুজে শিৰসা স্পৃষ্ট্ৱা প্ৰেমাকুলিত মানসঃ[34]।।

সূত্ৰ ঃ ঐচন প্ৰকাৰে শ্ৰীকৃষ্ণঃ সখিসৱ সহিতে ভোজন কয় থিক। সোহি সময়ে দেৱঋষি নাৰদ ঃ শ্ৰীকৃষ্ণক বিচাৰি ঃ যমুনা তিৰে আসিএ ঃ শ্ৰীকৃষ্ণক স্তুতি কয় বোলিতে লাগল।।

নাৰদ বোল ঃ হে প্ৰভো ঃ হামু সপ্তবৈকুণ্ঠত বিচাৰি তোহাক নাহি পাৱলু ঃ অনন্ত শয্যাত বিচাৰি নাহি পাৱলু ঃ হে স্বামি ঃ

34।মানসঃ

ত্ৰিভুৱন বিচাৰি ঃ যমুনা তীৰে তোহাৰি পদচিহ্ন ভেট পাৱলু। তোহাৰ চৰণক দাসক দাসকয় ঃ হামাকু ভকতি দান দেহু ।।

সূত্ৰ ঃ তদনন্তৰ শিশুসৱক বোলল।।

নাৰদ বোল ঃ হে ভাইসৱ ঃ তোৰাসৱে কিসক কন্দল কৰহ ঃ তোৰাসৱে হামাক কিছু প্ৰসাদ দেহু ঃ ভক্ষিয়ে ভালমন্দ তোহাক কহব।।

সূত্ৰ ঃ ঐচন বানি সুনিএ ঃ শিশুসৱ প্ৰসাদ দেলহ। নাৰদ প্ৰসাদ লৈয়া ঃ বিষ্ণু স্মৰি ঃ শ্ৰীকৃষ্ণক পাদ চিহ্ন পঙ্কজ শিৰে পৰখি ঃ প্ৰণাম কৰিএ ঃ প্ৰসাদ ভুঞ্জিয়ে ঃ চলিএ গেল।।[35]

সূত্ৰ ঃ ঐচন পৰকাৰে শ্ৰীকৃষ্ণ ঃ অন্ন ভোজন কৰত ঃ তদনন্তৰ ঃ তৃণ লোভে বৎসসৱ বিদূৰে গেল ঃ তাহেক শ্ৰীদামনামে গোপ ঃ নিহালি চাৰত[36]।।

শ্ৰীদাম বোল ঃ আহে সখিসৱ ঃ বৎসসৱ বিদূৰে গেল ঃ দৃষ্টি গোচৰে নাহি ঃ হামাৰ অন্নভোজনে কোন অভিলাস থিক।।

সূত্ৰ ঃ ওহি সুনি বালকসৱে ঃ হাতে গ্ৰাস পেলাইতে চাহে। তাহে পেখি ঃ শ্ৰীকৃষ্ণ নিসেধকয়ে বোল।।

কৃষ্ণ বোল ঃ আহে সখিসৱ ঃ তোৰাসৱ অন্নভোজন চোৰবি নাহি ঃ হামু বৎস বিচাৰি এখনে আনব।।

সূত্ৰ ঃ ওহি বোলি শ্ৰীকৃষ্ণ ঃ কাখে সিঙ্গাবেত ঃ হাসে গ্ৰাস ধৰিএ ঃ বৎস বিচাৰিতে বৃন্দাবনে পৈসল ঃ সোহি সময়ে ব্ৰহ্মা ঃ কৃষ্ণক মহিমা পৰীক্ষা কৰিতে ঃ বৎস বৎসপালসৱ চুৰি কৰি নিয়া গৈল। শ্ৰীকৃষ্ণ বৃন্দাবনে বৎস বিচাৰি নাপাই ঃ পুনু যমুনাক বালি আৱল। অহিতো সিশুসৱক নাহি দেখিএ ঃ ভকতবৎসল শ্ৰীকৃষ্ণ ঃ ভকতক স্নেহে আকুলহয়া ঃ জৈছে বিলাপ কয়ল।।

---

পা. 35। সকলো পুথিতে এই অংশ পোৱা নাযায় 36। চাৰল





কৃষ্ণ বোল ঃ হা হা ৰাম ঃ বৎসসৱ কাহে গেল ঃ শ্ৰীদাম সুদাম ভায়াসৱ কাহে গেল ঃ অন্নভোজন আজু বৰি পৰমাদ ভৈল।

গীত ঃ ৰাগ ঃ শ্ৰী ।। জতিমান

ধ্ৰুং ঃ অন্নভোজন আযু বৰি পৰমাদ ভেল।
মোৰ ভায়াসৱ কাহে গৈল।।

পদ ঃ নপাইলো ভায়া উদিশ।
আযু ভায়া গেল কোন দিশ।।
নদি নদ বিচাৰিলো পৰ্বতৰ জৰা।
গহন কাননে হামু ফিৰো একাশ্বৰা।।
উপৰে উৰৱ পাখি তাৰে পুছা কানু।
এপন্থে দেখিলা জাইতে হামাৰি বৎস ধেনু।।
প্ৰাণ ভাই বলোৰাম সঙ্গে নাহি মোৰে।
বাচৰু হৰায়া হামু ফিৰো একেশ্বৰে।।
গোকুল জাইতে হামু কি বুলিবে আজি।
নন্দজযোদা মোৰে মাৰিবে গৰজি।।
বৃন্দাবন মাঝে কৃষ্ণ বসিলা আসনে।
ব্ৰহ্মায়ে কৰিলা চুৰি জানিলা ধিয়ানে।।
কহয় মাধৱ দাস আতি সিশুমতি।
পৰম আকুল ভৈলা গোপসিশু প্ৰতি।।

## ইতি ।। ভোজনবিহাৰ নাট সমাপ্তম্।।

## ওপৰঞ্চি
## ব্ৰহ্মামোহন ঝুমৰা
## ।। শ্ৰীকৃষ্ণায় নমঃ।।

সূত্ৰ ঃ আহে সভাসদ লোক ঃ জে পৰম পুৰুষ পুৰুষোত্তম ঃ জাহাৰ কটাক্ষে সৃজন পালন সংহাৰ হয় ঃ সোহি ভগৱন্ত ভূমিক ভাৰ হৰণ নিমিত্ত ঃ নন্দক মন্দিৰে বেকত হুয়াকহুঁ ঃ গোপসিসু সহিতে ঃ বৃন্দাবনে নানাবিধ- বিহাৰ কয়ল ঃ সোহি শ্ৰীকৃষ্ণ ঃ ওহি সভামধ্যে বেকত হুয়া ঃ অঘাসুৰ-বধ-ভোজন-বিহাৰ-ব্ৰহ্মামোহন (জাত্ৰা) কৰব ঃ তাহেক সাৱধানে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল।।

অথ ভটিমা ঃ প্ৰাতস সময়ে জযোৱা জননি
মুখ চুম্বিত স্যাম জগাৱনকু।
উঠ মেৰে লাল মদন গোপাল
আৰে তেৰি গোৱাল বলাৱন কু।।
(শেষ অংশৰ বাবে ‘ভোজন-বিহাৰ’ দ্ৰষ্টব্য।)

সূত্ৰ ঃ আহে সভাসদ লোক ঃ শ্ৰীকৃষ্ণ নটবৰ বেসে ঃ জৈছে সিসুসৰ সহিতে ঃ বৃন্দাবনে প্ৰস্থান কয়ল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

গীতঃ ৰাগ-সিন্ধুৰা।।

ধ্ৰুং ঃ কানু সাজে সাজে কানু সাজে সাজে
সিঙ্গাৰ নিসান বাজে ৰে।

পদ ঃ (‘ভোজন-বিহাৰ’ দ্ৰষ্টব্য।)



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

সূত্ৰ ঃ ঐচন পৰকাৰে গোপগন বৃন্দাবন পাৱল ঃ তাহে পেখি অঘাসুৰ ঃ জৈচে আৱল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

গীতঃ ৰাগ ।। কানৰা ।।

ধ্ৰুং ঃ আৰে পৰম প্ৰতাপে অঘপাপ।
ধৰিয়ে বেস ভয়ঙ্কৰ সাপ।।

পদ ঃ এহি কৃষ্ণ মাৰিছা বহিনি ভাই।
গিলিবো আজু তাহেক বেন্ত বাই।।
ওহি বুলি অঘে বেন্ত প্ৰয়াসি।
ভেণ্টল বাট মাধৱক হাসি।।

সূত্ৰ ঃ অঘাসুৰ আসি জে বোলল ঃ তা দেখহ সুনহ।।

কথা।। অঘাসুৰ বোল ঃ অঃ ওহি কৃষ্ণে ভাত্ৰি বহিনিক বধ কয়ল ঃ কৃষ্ণক বধি দুইহন্তৰ তৰ্পণ কৰবু।।

সূত্ৰ ঃ ওহি বুলি অঘাসুৰ বদন প্ৰকাশি ৰহল ঃ তাহে পেখি শিশুসৰ জে বোলল তাহে দেখহ সুনহ।।

সিসুসৰ বোল ঃ আহে ওহি সৰ্প দেখো ঃ দেখো ঃ উৰ্দ্ধ ওঠ মেঘত ঃ তল ওঠ মাটি সমতল হুয়া ঃ জিহ্বাখান ৰাজ আলি সম থিক। আহে সখিসৰ ঃ হামাক গিলিতে জত্ন কয়ল ঃ অঃ কৃষ্ণক হাতে ইহাক কন্ধ পৰব।।

সূত্ৰ ঃ ওহি বুলি সিসুসৰ কৃষ্ণক প্ৰসন্ন মুখ দেখি ঃ নিৰ্ভয়ে চাপৰি বজাই ঃ অঘৰ গৰ্ভে জে প্ৰৱেস কয়ল ঃ তা দেখহ সুনহ।।

গীতঃ ৰাগ ।। কানৰা

ধ্ৰুং ঃ চললি গোপসিসু কৃষ্ণক চাই।
পৰম ৰঙ্গে হাতে তালি বজাই।।

পদ ঃ কৃষ্ণ মুখ দেখি নিৰ্ভয়ে ৰঙ্গ পাই।
অঘক গৰ্ভে সৰে প্ৰৱেসিলা জাই।।

বধিবে খোজন্তে দেখি নাৰায়ণে।
পসল গৰ্ভে গো গোপগণে।।

সূত্ৰ ঃ তদন্তৰ ঃ গোৰউ গোপগণ ঃ অঘগৰ্ভে পৈসল ঃ দেখি কৃষ্ণে খেদমনে জে বোলল ঃ তা দেখহ সুনহ।।

শ্ৰীকৃষ্ণ বোল ঃ হা হা গোপগণ নষ্ট ভৈল ঃ ওহি অসুৰে জিন্ন এখনে কৰব।।

সূত্ৰ ঃ ওহি বুলি আপুনে গৰ্ভে পসি ঃ গল ভেটি ঃ নিস্বাসা নিৰোধি ৰহল। মহা পিড়া পাই ঃ মুৰ্দ্ধা ফুটি ঃ অসুৰ প্ৰাণ তেজল। অসুৰে কৃষ্ণতে লিন গৈল ঃ মহা মুক্ষ পাৱল ঃ তাহে পেখি শ্ৰীকৃষ্ণ ঃ বৎস সিসু সবাকো ঃ অমৃত দৃষ্টিয়ে জিৱাৱল।।

(ইয়াৰ পিছত ‘ভোজন বিহাৰ’ নাটৰ প্ৰথম গীতৰ শেষৰ পৰা সেই নাটৰ তৃতীয় গীত বা সৰশেষলৈ আটাইখিনি যোগ হ’ব।)

সূত্ৰ ঃ শ্ৰীকৃষ্ণ সৱে জানি ঃ ব্ৰহ্মাক মোহিৰে ইচায়ে ঃ আপুনে সৱ গৰু গোৰখ ভৈল ঃ জাৰ জেন ঠান বেতবাসি ঃ সৰিৰক আকৃতি হুই ৰহল। সোহি সময়ে ব্ৰহ্মা আসি ঃ সৱ সিসু গোবৎস সহিতে কৃষ্ণক দেখিয়ে ঃ বিস্ময় হুয়া ঃ গহ্বৰ দেখল ঃ সৰ্ব্বৰতে সৱ থিক ঃ দেখি ব্ৰহ্মা বোল।।

কথা ঃ আহে ঃ ওহি কৃষ্ণ গোপ-বৎস কথাকে পাৱল। ইহাৰে বা কিছু নিয়া গেল।

সূত্ৰ ঃ ওহি বুলি ব্ৰহ্মা গণিগাণি গাৰে গাৰে লেখি পাৱল ঃ আত থৈয়া আছে সব থিক ঃ পৰম বিস্ময়ে পুনো বৃন্দাৱনে আৱল ঃ অহিতো তত্তৎ সিসু দেখি জে বোলল ঃ তাহে দেখহ সুনহ।।

ব্ৰহ্মা বোল ঃ আহে কি ভৈল ঃ কোন সচা কোন মিছা ঃ ইহাক নাহি জানলু।





সূত্ৰ ঃ ওহি বুলি ব্ৰহ্মা ঃ তধা দিয়া ৰহল ঃ তদনন্তৰ ঃ দেখে শ্ৰীকৃষ্ণ বৎস সিসুৰূপ এড়ি ঃ তেখনে সৱ চতুৰ্ভুজ ভৈল ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল।।

গীতঃ ৰাগ ।। কানৰা

ধ্ৰুং ঃ কানাই ভাল লিলা কৰে ঃ কানাই ভাল লিলা কৰে।
ব্ৰহ্মাক মুহিতে হৰি বড় জত্ন কৰে।।

পদ ঃ ব্ৰহ্মায়ে মুহিলা মোৰ পৰিক্ষা কৰিলা।
এহি বুলি হৰি সৱ চতুৰ্ভুজ ভৈলা।।
গৈয়া একু ব্ৰহ্মা জেৰে উপাই কৰয়।
দেখিয়া বিধিৰ আৰে মিলিলা বিস্ময়।।
বিমোহিত হুয়া মুৰ্চ্চা গৈলা সৃষ্টিকৰে।
জতনে বুলিও হৰি হৰি সৰে নৰে।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ ব্ৰহ্ম শ্ৰীকৃষ্ণৰ নিৰুজ ৰূপ দেখি ঃ চকুত নিমিসে তিমিৰ লাগি ঃ হংসজান হন্তে ওফৰি পৰল ঃ কৃষ্ণক মুহিবে খোজন্তে আপুনি মোহ ভৈলা ঃ মেৰু পৰ্ব্বতক লাগে উইচলা ঃ প্ৰচণ্ড বাউক আগে সিমেলিৰ তুলা ঃ সাগৰক আগে ক্ষুদ্ৰ নদি ঃ মহাসলক আগে দণ্ডি কৰে পুঠী ঃ সূৰ্যক আগে জেহেন জ্বলে বন্তি ঃ সিংহক আগে জেহেন শ্ৰিগাল প্ৰায় ভৈলা ঃ বাতমাত হৰল। দেখি কৃষ্ণ ব্ৰহ্মাক দায়ায়ে নিজ ব্ৰহ্মাৰূপ এড়ি সে ভৈল ঃ বিধিকো জিয়াৱল। অল্প অল্প কএ ব্ৰহ্মাএ চক্ষু মেলি চায়ল ঃ বৃন্দাবন মধ্যে কৃষ্ণক দেখি ঃ জৈচে তুতি কয়ল ঃ তাহে দেখহ সুনহ।।

কথা।। তুতি ঃ ব্ৰহ্মা বোল।।
নমো নমো নন্দ সুত তনু মেঘস্যামা। শোভে আতি পিতবাসা দেখি অনুপামা।। কাখত সিঙ্গা বেত বেৰটিত ঃ

হাতত ভাতৰ গ্ৰাসা ঃ ওহি মুৰুতিত জত মহিমা থিক ঃ হামু ঃ নজানো ঃ সামান্য কে জানব। হে কৃষ্ণ ঃ তুমি ধনঞ্জয় সখা ঃ বৃষ্ণি বংশ শ্ৰেষ্ঠ ঃ দানৱদহনু ঃ অনন্তবির্য্য গোৱিন্দ। হে ভগৱন্ত ঃ তোহ্মাক নমো ঃ জাৰাসৱ জ্ঞানৰ নিমিত্তে আশ্ৰম এড়ি ঃ নিজ থানে থাকে ঃ তোমাৰ কথাক সুনয় ঃ তিনিয়ো জগততে জদি তুমি ঃ তথাপি ভকতে জিনয় ঃ তাৰা ৰাগ লোভ গৃহ বন্দিশাল ঘোৰে চোৰে ঃ মহা মোহনি হল পাৰ ঃ জাৰত তোহ্মাক পৰম ঈশ্বৰ বুলি মানয়। তুমি সহজে কৃপালু ঃ পুতনা মাৰিবাক মনে তন দিলা ঃ আহাক সবান্ধৱে গতি দিলা ঃ ব্ৰজবাসি তোমাত ঃ তনু মন সমৰ্পল ঃ পুতনাতোধিক কি প্ৰসাদ দিবা ঃ ইহা নজানো ঃ ইসৱৰ ঋণি ভৈলা। হে কৃষ্ণ ঃ মঞিঁ পৰম অজ্ঞানি ঃ জগত স্ৰজো ঃ এহি গৰ্ব্বে অন্ধ ভৈলু ঃ তোমাক পৰিক্ষা কয়লু। হে প্ৰভু ঃ তোহ্মাৰ পুত্ৰ জানি দোস মৰস ঃ দেৱতা জন্মতো কৰি ব্ৰজবাসি শ্ৰেষ্ঠ ঃ ধন্য ধন্য ব্ৰজবাসি ঃ তোমাৰ চৰণ-ৰেণু পাৱত ঃ জে পদৰজ দেৱগনে বিচাৰি নপাৰে। হে কৃষ্ণ ঃ হামাক অতয়ে কৃপা কৰহ ঃ বৃন্দাবনে তৃণ হয়া ৰহোঁ ঃ তোমাৰ ভক্তৰ সঙ্গে ঃ তোমাৰ সেৱা কৰি ৰহোঁ ঃ তাই কৃপা কৰহ।।

সূত্ৰ ঃ ঐচন বহুত তুতি কৰি ঃ ব্ৰহ্মা কৃষ্ণ কৃষ্ণ কড়ি ঃ দণ্ডৱতে পৰল ঃ দেখি কৃষ্ণ ব্ৰহ্মাক আশ্বাসি পঠাৱল।।

কৃষ্ণ বোল ঃ আহে ব্ৰহ্মা ঃ তুহু নিজ থানে জাৱ ঃ তোহাৰি ভকতিত হামু পৰম তুষ্ট ভৈলু ঃ সত্বৰে চলহ।।

সূত্ৰ ঃ শ্ৰীকৃষ্ণ ব্ৰহ্মাক পঠাই ঃ নিজ মায়াবলে ঃ সিসুসৱক ভোজন থানে আনল ঃ সিসুসৱ পূৰ্ব্বতে মণ্ডল আকাৰে বৈঠি ৰহল ঃ শ্ৰীকৃষ্ণ বাছৰু সহিতে সোহি ঠামে আৱল ঃ দেখি সিসুসৱ জৈছে বোলল ঃ তা দেখহ সুনহ।।





সিসুসৱ বোল ঃ আহে শ্ৰীকৃষ্ণ ঃ তাহো কি সত্বৰ আৱল ঃ হামু তোহাক চাৰি একগ্ৰাসা নাহি খাৱল ঃ জদি প্ৰত্যয় নাজাৱ তৱে সপত কৰবো।

সূত্ৰ ঃ ওহি বুলি সিসুসৱ ঃ কৃষ্ণক আলিঙ্গি ঃ না না বিধ নৃত্য গিতে বাজনা বজাই ঃ পৰমানন্দ ৰসে জৈছে ভোজন কয়ল ঃ তা দেখহ সুনহ।।

গীত ঃ ৰাগ ।। বেলোৱাৰ

ধ্ৰুং ঃ ভাই দেখো পৰমানন্দ পৰম সাজনে।<br>
ব্ৰহ্মাক মুহিয়া খেলে নিত্য নিৰঞ্জনে।।

পদ ঃ পূৰ্ব্বৱতে বসি ৰঙ্গে কৰয় ভোজন।<br>
খেলে সঙ্গে ৰঙ্গে ঢঙ্গে গোপ সিসুগন।।<br>
জিতো জগতৰ গুৰু নিজ কৃপাময়।<br>
তান সঙ্গে অন্ন ভুঞ্জে গোপসিসুচয়।।<br>
সুনিতে বিস্ময় কহিবাকো বিপৰিত।<br>
মাধৱ চৰণে মজি ৰহু মেৰি চিত।।

সূত্ৰ ঃ ঐচন প্ৰকাৰে ভোজন কৰি ঃ শ্ৰীকৃষ্ণ গোপ সিসুসৱক সহিতে ঃ গোকুলে জাইতে যে বোলল ঃ তা দেখহ সুনহ।।

শ্ৰীকৃষ্ণ বোল ঃ আহে সখিসৱ ঃ চল গোকুলে জাই ঃ দেখো দেখো ওহি অঘাসুৰক ওহি থানে মাৰল।।

সিসুসৱ ঃ আহে ঠাকুৰ কানাই ঃ তোহ্মাৰ সঙ্গে গোকুলে জাই ঃ হা বাবা ঃ ভালো ভালো চলহ চলহ।।

সূত্ৰ ঃ ঐচন প্ৰকাৰে শ্ৰীকৃষ্ণ ঃ জৈছে আনন্দে চলল ঃ তা দেখহ সুনহ।।

## ।।ব্ৰহ্মামোহন ঝুমুৰা সমাপ্ত।।

## ৰাস ঝুমুৰা

## ।। শ্ৰীকৃষ্ণায় নমঃ।।

গীত ঃ ৰাগ-বেলোৱাৰ ।। ৰূপক তাল

ধ্ৰুং ঃ দেখ জগতগুৰু কানু আৱত।
সঙ্গে সুন্দৰি ৰাধে ৰঙ্গ মিলাৱত।।

পদ ঃ ৰতন ভুষণ চাৰু অঙ্গ সুহাৱত।
বিবিধ অনঙ্গৰসে[1] ভুৱন ভুলাৱত।।
লহু লহু সুমধুৰ বংসি বজাৱত[2]।
মাধৱ মুৰুখমতি এহু ৰস গাৱত।। 1 ।।

কথা ঃ ৰাধা বোল ।। হে পৰমেশ্বৰ ঃ তোহাৰি চৰনক আগু হামু কৰ জোড়ি মাগোঁ ঃ হামাক ওহি দান দেহু ঃ তোহাক অধৰ-মধুপান বিনা ঃ হামাকু আৰৰি কিছো লাগয়ে নাহি। পৰম সুকোমল ঃ তোহাৰি চৰণ পল্লৱ ঃ ভুৱন-দুল্লৰ্ভ ঃ হামাৰ স্তন জুগলে ঃ জোহি ব্যাধি বাৰয় ঃ তাহেক ওঁহি চৰণে দুৰ কৰহ ঃ জানি তোহাৰি চৰণ দাসি ভেলো ঃ হামাক ওহি আসা[3] বঞ্চনা কৰবি নাহি।।

গীত ঃ ৰাগ ঃ বেলোৱাৰ ।। ৰূপক তাল

ধ্ৰুং ঃ হৰিকু আগু ৰাধা আঞ্জুৰি[4] জোড়ি মাগে।
তোহাৰি অধৰ মধু পান বিছুৰি হৰি
হামাকু আৰৰি নাহি লাগে ।

পা. 1।আনন্দৰসে, 2।লোলাৱত 3।বাঞ্ছা 4।আঙ্গুলি





পদ ঃ ভুৱন দুৰ্ল্লভ দেৱ তুৱাপদ পঙ্কজ
হামাকু কুচ-ৰুজ-হাৰি[5]।
তাহেক আসে দাসি ভেলু তেৰা
বঞ্চবি নাহি হামাৰি।।
ৰাধাকু বানি সুনিয়ে হৰি হাসত
ভাষত বচন[6] গোৱিন্দে।
কহয় মাধৱ দিন মেৰি মন মজিৰহু
হৰিপদযুগ অৰৱিন্দে।। 2 ।।

কথা।। কৃষ্ণ বোল ঃ আহে ৰাধে ঃ তুহুঁ জে বোলল ঃ হামু তাহেক সুনলোঁ ঃ অৱ হামু বচনেক বোলু তা সুনহ ঃ তুহু ভল্ল বচন চাতুৰি জানহ ঃ হামু তেৰা বাত বুঝব। হামু কৌটি ব্ৰহ্মাণ্ডক পৰম দেৱতা ঃ তুহু হামাক স্কন্ধ বগাৱলি ঃ হামু সৱ গোপ সুন্দৰি তেজিয়ে ঃ তোহাৰি সঙ্গ কয়ল ঃ তুহু সৱাতো অধিক মানিয়েকহু ঃ হামাক মান গোৱল ঃ অৱ চাতুৰি লগাৱল ঃ অঃ হামাৰি হইতে কি ৰহল।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ দেখু দেখু ঃ পৰম পুৰুষ পুৰুষোত্তম ঃ ব্ৰহ্মাদি দেৱক পৰম দেৱতা ঃ কোথেৰ[7] অনাচাৰি গোপ নাৰি ঃ সে সহিত বচন চাতুৰি খেলাৱত ঃ হৰি ভকতিক মহিমা কি কহব ঃ জানি নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ কৌ ।। জাতিমান

ধ্ৰুং ঃ সুন্দৰী ৰাধে বাত বুজলওঁ [8] তোই।
কৌটি ব্ৰহ্মাণ্ড পালক হামু দেৱা
কান্ধ বগাৱলি মোই।।

5।কুচযুগ-হাৰা 6।ভকত বছল পা. 7।কোথাকাৰ 8।বুঝাৱলু, বুঝাৱল 9।যত

পদ ঃ সৰ[9] গোপ কামিনি তেজি সুন্দৰি ৰাধে
সঙ্গ বঢ়াৱল[10] তেৰা।
সৰকহোধিক সোভাগিনি মানিয়ে
মান গোৰাৱলি[11] মেৰা।।
জতজিৱ জগতক আতমা গোৱিন্দ
আপহি আপ ৰহৈছা[12]।
কহয় মাধৱ মাই তাহে নজানিয়ে
গৰৱ কবসি তুহুঁ কৈছে।। 3।।

কথা।। ৰাধা বোল ঃ আহে পৰমেশ্বৰ ঃ তুহুঁ জে কহল ঃ হামু তাহেক সুনল ঃ অৱ হামু বচনেক[13] বুলি ঃ তা সুনহ।।

গীতঃ ৰাগ মাউৰ ।। মান জোতি

ধ্রুং ঃ যাদৱ হেঃ কৈছন বাত বেগড়ি[14]।।
সকল নিগমে তেৰি অন্ত নপাৱত
হামু পামৰি গোপ নাৰি।।

পদ ঃ তুহুঁ পৰমগুৰু নিখিল ভুৱন পতি
মানুষ ভাৱ তোহাৰি।
চতুৰ বয়ন তেৰি মায়া বিমোহিত
জানে নাহি যোগ বিচাৰি।
তেৰা ঐচন ভাৱ নজানিয়ে
কয়লুঁ গৰৱ নাথ তোই।
ৰাধা উচিত বাত কহয় মাধৱ দিন
গতি গোৱিন্দ পদ মোই।। 4।।

কথা।। ৰাধা বোল ঃ আহে পৰমেশ্বৰ ঃ তুহুঁ জগত গুৰু ঃ নিখিল ভুৱন পালক ঃ তোহাৰি অচিন্ত্য মহিমা সকল নিগমে অন্ত নপাৱত ঃ ব্ৰহ্মা আদি দেৱতাসৰো ঃ তোমাৰ মহিমা নাহি

10।বড়াৱলু, কৰাৱলো 11।গড়াৱলি 12।ৰহস্যা 13।বাতেক 14।বিগাৰি





জানত ঃ মহা মহা যোগেশ্বৰসৰো ঃ যোগ বিচাৰি জানয়ে নাহি ঃ তোহাৰি ঐচন অচিন্ত্য প্ৰভাৱ মানুষ ভাৱ পেখিয়ে ঃ হামু মোহিত ভেলোঁ ঃ পামৰি গোপ নাৰি তোহাক নাহি জানিয়ে ঃ কান্ধ বগাৱলুঁ ঃ পৰম অপৰাধ আচৰলুঁ। হে নাথ ঃ ওহি অপৰাধ মৰষ স্বামি ঃ তোহাক চৰণে লাগোঁ ঃ আঞ্চোৰ পাতি ঃ কৰজোড়ি মাগোঁ ঃ তোহাৰি অধৰ মধুপান কৰাই ঃ হামাক ৰক্ষা কৰহ ঃ হামু তোহাৰি চৰণক নিজ দাসি ভেলোঁ ঃ হামাক ছাড়বি নাহি।।

সঙ্গি বোল ঃ হে পৰম ঈশ্বৰ ঃ ৰাধা উচিত বাত কহইছে ঃ মায়া মোহিত হয়া ঃ তোহাৰি অৰ্তক মহিমা ঃ ব্ৰহ্মাণ্ড ভিতৰে কতিহো জানয়ে নাহি ঃ জানি ৰাধাক অপৰাধ মৰস স্বামি।।

কৃষ্ণ বোল ঃ আহে ৰাধিকে ঃ হামু পৰিহাস কৌতুকে কয়ল। তাহে নাহি বুঝল। দুঃখ ছোড়হ ঃ হামাক সপত উঠহ উঠহ ঃ পৰম উচুকে হাঁস কেলি কৰোঁ গিয়া।।

সূত্ৰ ঃ তদনন্তৰ ঃ ৰাধাক কাৰুণ্য বানি সুনিয়ে ঃ শ্ৰীকৃষ্ণ পৰম সন্তোষ হুয়া ঃ ৰাধাক মন পূৰি ঃ পৰম আনন্দে জৈ চ ন কেলি কয়ল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ কল্যাণ ।। খৰমান

ধ্ৰুং ঃ ব্ৰজ মঙ্গল ৰাস ৰসিক গুৰু
কৰত অনঙ্গ ৰস কেলি।
ৰাধা পূৰত মন সাধু অধৰ মধু
পানে মোহিত মতি ভেলি।।

পদ ঃ ঘন ঘন ভুজ দুহুঁ মেলি আলিঙ্গত
চুম্বত বয়ন মিলাই।
হৰিকহুঁ কণ্ঠে[15] আলিঙ্গি ৰহু ৰাধে
নয়নে বয়ন ধিআই।।

পা. 15।কান্ধ 16।পাৱ

পৰমানন্দ অনঙ্গ ৰস সাগৰে
তথিয়ে মজিয়ে ৰহু মাই।
হৰিকো পৰশ ৰস বিছুড়ি ৰহত তনু
মাধৱ এহু ৰস গাই[16] ।। 5 ।।

সূত্ৰ ঃ হে সামাজিক লোক ঃ শ্ৰীকৃষ্ণ কলিৰ মলিন লোকক অনুগ্ৰহে ঃ লিলা নৰ তনু ধৰি ঃ নানা বিনোদ লিলা কয়ল। তাহেক শ্ৰৱণ কীৰ্ত্তন কৰি ঃ চণ্ডাল পৰ্য্যন্তে পৰম গতি পাৰত ঃ জানি শ্ৰীকৃষ্ণৱ চৰণে ঃ এক সৰন হুয়া ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

## ইতি।। ৰাস ঝুমুৰা সমাপত।।

16।পাৰ



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

## ভূষণ-হৰণ ঝুমুৰা
## ।। শ্ৰীকৃষ্ণায় নমঃ।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ জে নন্দনন্দন শ্ৰীকৃষ্ণঃ ঃ জাহেৰ পাদপদ্ম ঃ ব্ৰহ্মাৰুদ্ৰাদি ধ্যানে ধৰয় ঃ সোহি শ্ৰীকৃষ্ণ ঃ ভক্তা গোপিসৰক নানান ৰসে ঃ জৈচন আনন্দ দেলহ ঃ তাহে দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

সূত্ৰ ঃ তদনন্তৰে শ্ৰীগোপাল ঃ মাৰে মাৰিবাৰ ডৰে পলাঅল ঃ কদম্বতলে একা সুতিয়া ৰহল ঃ তদনন্তৰ পানিক জাইতে ঃ ৰাধা দেখি জে বোলল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ-ভাঠিআলি ।। একতাল

ধ্ৰুং ঃ গোপাল পলায়া আছা মাৰে মাৰিবাৰ ডৰে।
ভূষন হৰায়া হৰি ভয়ে নাইষা ঘৰে।।

পদ ঃ কদম্বতলে চৰাল কানাই একা সুতি আছে।
পানি গৈয়া ৰাধা দেখি আইলা হৰিৰ কাছে।।

সূত্ৰ ঃ ৰাধা খেদ কয়কহুঁ বোলল।।

ৰাধা বোল ঃ হাঁ হাঁ ওহি মানিক পুতলি কৃষ্ণ ঃ একা দেখি চোঞ্চা মাৰি অলঙ্কাৰ লেৱব ঃ আঃ হামাক কোন বিধি মিলাৱল।।

গীত ঃ চোঞ্চা নিৰে অলঙ্কাৰ মাৰিয়া[1] সমূলি।
ভূষন খসায়া ৰাধা লৈলা এহি বুলি।।
আঁৰ কৰিয়া থৈয়া ৰাধা জগাইলা হৰিৰে।
পুচে অলঙ্কাৰ কেনে নাহিকে সৰিৰে।।

পা. 1।আনন্দৰসে

ৰাধা বোল ঃ আহে কানাই ঃ তোহাৰি সৰিৰে কৈছে অলঙ্কাৰ নাহি ঃ আঃ জানলোঁ ঃ তোহোঁ ভূষণ হৰায়া একা সুতিএ আচহ ঃ আজু জযোদা সুনিলে বিকলে মৰব ঃ তোহাক তাৰণা কয় সিখাৱব।।

গীত ঃ
ভূষন হৰায়া আচা সুতিয়া একলে।
জযোদা সুনিলে আজি মৰিব বিকলে।।
নমাতিবা আচা হৰি নপায়া উত্তৰ।
পানি লৈয়া বাহুৰিয়া ৰাধা আইলা ঘৰ।।
জযোদাৰ হাতে নিয়া অলঙ্কাৰ দিয়া।
সকলে বৃতান্ত ৰাধা কৈলা প্ৰপঞ্চিয়া।।

সূত্ৰ ঃ তদনন্তৰ ঃ ৰাধাক ঐচন বানি সুনিএ ঃ শ্ৰীকৃষ্ণ উত্তৰ নাপাই ঃ মাতিতে নাহি পাৰল ঃ তাহে পেখি ৰাধা পানি ভৰিএ ঃ ঘৰে আসিকহুঁ ঃ জযোৱাকু আগু গিয়া সৱ কথা কহল।।

ৰাধা বোল ঃ আহে মাই জযোদে ঃ তোহাৰি বালক কানাই ঃ কদম্বৰতলে একা সুতিএ ৰহৈছে ঃ তাহে পেখিয়ে হামো ঃ চোঙ্গাক ভয়ে ঃ আৰ কৰিএ ঃ অলঙ্কাৰ আনল ঃ তোহোঁ জে জুৰাই তাহে কৰহ ঃ হাঁ হাঁ মাই ঃ হামো জে বোজলহো ঃ কানাইক কেবা মাৰি ঃ অলঙ্কাৰ নিয়া গৈল হোই।।

গীতঃ
ইসৱ নাজানি হৰি ঘৰে নাইসা ভয়ে।
জযোৱা পুচিতে হৰি সৱাৰে বাধয়ে।।
কহয় মাধৱ ঘৰে জাস নাৰায়ন।
ৰাধায়ে মাৰৱ হাতে দিয়াছে ভূষন।।

সঙ্গি বোল ঃ হে নাৰায়ণ ঃ তোহোঁ ঘৰে জাস ঃ তোহাৰি মাৰৱ হাতে ৰাধায়ে ভুষন দেলহ ঃ হামো নিষ্টে কহলো।।

সূত্ৰ ঃ তদন্তৰ ঃ ওহি সুনি শ্ৰীকৃষ্ণ ঃ মাৰকু আগু গিয়া ঃ জৈছে ভূষন মাগল ঃ তা দেখহ।।



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

কৃষ্ণ বোল ঃ হে মাঞিঁ ঃ তোহোঁ হামাক ভূষন কৰাৱ[2] ঃ জৱ তোহো সাৰোত্তৰ পুচত ঃ তৱ হামাক দোষ বিচাৰি নাহি পাৰব ঃ হে মাই ঃ জৈচন হামাক দোষ ঃ তাহেক বাত কহৈচি ঃ তা সুনহ।।

গীত ঃ ৰাগ শ্ৰী ।। একতাল

ধ্ৰুং ঃ মাঞিঁ ভুষণ কৰাৱ হামাৰি।[3]
জবহোঁ সাৰোত্তৰ পুচত নাহি
পাৰব দোষ বিচাৰি।।

পদ ঃ
এক গোৱাৰিনি মাতিএ হামাকু
দেলহ বুলি মিঠাই।।
তাহেক ভোজন কৰিএ শয়নকহুঁ
চেতন হৰাৱলোঁ মাই।।
সিৰ ফিৰাৱত নয়ন দুলাৱত
ঘন ঘন আৱত হামি।
জ্ঞান বিৰোহিত হোই কদম্বতলে
একা সুতাঅলোঁ আমি।।
ৰাধা ভুষন চুৰি কৰিএকহুঁ
পুচত বাত হামাৰি।
হামো থিক অচেতন হোই
কি কহবো বচন বিচাৰি।।
কহয় মাধৱ দাস নাৰায়ন
তুৱা পাৰে সৰন গোসাঞিঁ।
তুমহি অখণ্ডিত জ্ঞান নিৰন্তৰ[4]
ঝুণ্টা কহিতে নজুৰাই।।

---

পা. 2।হামাৰ ভূষণ হৰাৱল 3।হৰালো হামাৰি 4।নিৰঞ্জন, বিৰোচিত

কৃষ্ণ বোল ঃ আহে মাই জযোদে ঃ হামাকু মাতিএ ঃ এক গোৱাৰিনি মিঠাই দেলহ ঃ তাহেক ভোজন কৰিএ ঃ চেতন হৰাৱল ঃ হে মাই ঃ হামাক দুখ কি কহব ঃ সিৰ ফিৰাৱত ঃ নয়ন দুলাৱত ঃ ঘন ঘন হামি আৱত ঃ জ্ঞান ৰহিত হোই ঃ কদম্বতলে একা সুতাৱলো ঃ হে মাই ঃ সোহি সময়ে ৰাধা আসিকহুঁ ঃ হামাক ভূষন চুৰি কয় ঃ হামাত বাত পুচত ঃ হামো অচেতন হোই ৰহেচি ঃ কি বচন বিচাৰি কহবো ঃ হে মাই ঃ হামাৰ ঐচন দোষ।।

সঙ্গি বোল ঃ হে নাৰায়ণ ঃ তুৱা পাৰে সৰন হামাৰি ঃ তোহোঁ নিৰঞ্জন ঃ জ্ঞান অখণ্ডিত তোহাৰি ঃ তোহো ঝুণ্টা বাত কহৈচে ঃ তোহোৰ ঝুণ্টা কহিতে চিত নোহে।

সূত্ৰ ঃ তদনন্তৰে ঃ শ্ৰীকৃষ্ণ ৰাধাক আগু দেখিএ ঃ জৈছে চাতুৰি কয় লাগল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীতঃ ৰাগ-গৌৰী ।। পৰিতাল

ধ্ৰুং ঃ ৰাধাকু আগু গোৱিন্দ কৰত[5] চাতুৰি।

তোমহি ৰাধে হামাকেৰি কৈচন
ভূষন কয়লি চুৰি।।

পদ ঃ হামাৰি ওহি নগৰ গোকুল মহ
ৰাধা বাঢ়লি চোৰ।
একা হামো সুতিয়ে ৰহলছি[6]
ভূষন কয়লি চুৰি মোৰ।।
দিৱস সময়েকহুঁ ৰাজবাট মহ
সাহস ঐচন তোই।
ৰয়নি সময়েকহুঁ তোহাৰি ৰাধে
চুৰি কৰিতে কোন হোই।।

পা. 5। বোলত 6। সুতিয়া ৰহৈছি





হামো বিচাৰ কয় দেখলো আৱৰি
চোৰ ৰাধা বিনে[7] নাই।
ঘৰহি ঘৰহি সৱ ফিৰত চকোয়া
ঐচন বাত জনাই।।
গোপয়ে নাহি পাৰি মেৰি ভুষন
দেলহ মাৱকু ঠাই।
নন্দ নন্দনকহুঁ ঐচন খেলনা
দিন মাধৱ দাসে গাই।।

কৃষ্ণ বোল ঃ ঐয়ে ৰাধিকে ঃ তোহোঁ হামাৰ ভূষন কৈছে চুৰি কয়লি ঃ আঃ নগৰ গকুল মহ ৰাধা চোৰ বাঢ়লি ঃ হামু একলে সুতিয়া আচি ঃ তোহো হামাৰ ভূষন চুৰি কয়লি ঃ আঃ সি সাহস ঃ দিৱস সময়ে ৰাজমাৰ্গ মহ ঃ যদি ৰজনি সময় হোই ঃ তৱ তোহাৰি চুৰি কৰিতে কোন ভয় থিক। আহে পড়াক লোকসৱ ঃ হামু বিচাৰ কয়ে দেখল ঃ ৰাধা বিনে চোৰ নাহি ঃ আহে বালকসৱ ঃ ওহি বাত ঘৰে ঘৰে কহ ঃ চোৰ ৰাধা বিনে নাহি ঃ ঐয়ে ৰাধা ঃ হামাৰি ৰতন ভূষন ঃ তাহেক গোপয়ে নাহি পাৰি ঃ মাৱকু আগু দেলহ ঃ তোহো জৱ গোপয় পাৰহ ঃ তৱ কি মাৱকো আগে দেহ।।

সূত্ৰ ঃ তদনন্তৰ ঃ কৃষ্ণক অতএ বাক্য সুনিয়ে ঃ ৰাধা জে বোলল ঃ তা দেখহ।।

ৰাধা বোল ঃ আহে পৰমেশ্বৰ ঃ তোহোঁ বিস্তৰ নাহি বোলব ঃ কাহেক আগে অতয়ে চাতুৰি কৰহ ঃ হামো বচনেক বুলি ঃ তা সুনহ।।

7। বিনু

গীত ঃ ৰাগ আশোআৰি ।। পৰিতাল

ধ্রুং ঃ গোৱিন্দকু ৰাধা বোলত বানি।
খাইয়া লাগি[8] গোৱাৰিক ঠামে
হামাকু দোষ বখানি।।

পদ ঃ হোই অচেতন থিক কদম্বতলে
হামো পাৰলো লাগ।
চোঙ্গঁা মাৰি ভূষন নাহি লেলহ
থিক তোহাকেৰি ভাগ।।
ভূষন প্রান হামো তেৰি ৰাখলো
হামাৰি ঐচন দোষ।
হামো বাত পুচিতে নাহি উত্তৰ
ৰহলি কয় থোসমোস[9]।।
জননিক ভয়ে লুকি দিয়ে ফিৰত
গোৱাৰিক ডেৰা সমাই।
হামাকু আগু খেলাৰত ঐচন
চাতুৰি ভূষন পাই।।
হামো জৰ চোৰ হএঁা কতি দেলোহোঁ
তোহাৰি জননিক আগে।
কহয় মাধৱ ৰাধা গোৱিন্দক
প্রেম চাতুৰি অনুৰাগে।।

ৰাধা বোল ঃ আহে কানাই ঃ তোহো গোৱাৰিক ঠামে ৰাগি[10] খাই ঃ অৰ হামাক দোষ বখানহ ঃ তোহো অচেতন হোই কদম্ব তলে থিক ঃ তৰ হামো লাগ পাৰলো ঃ তোহোক চোঙ্গঁা মাৰি ভূষন নিতে নাহি পাৰল ঃ কিন্তু তোহাৰি ভাগ থিক ঃ তোহাৰি ভূষন প্রান হামো ৰাখলো ঃ ঐচন দোষ

---
পা. 8।ৰাগি 9।থোযমোষ 10।ৰাগি





হামাৰ ঃ ভূষন লৈয়া হামো পুচলো ঃ হামাক কোন উত্তৰ দেলহ ঃ হামো পুচিতে থোসমোস[11] কৰিএ ৰহলি ঃ অপৰ জননিক ভয়ে ঃ গোৱাৰিক ডেৰে ডেৰে লুকি দিয়ে ফিৰত ঃ অৰ ভুষণ পাই ঃ হামাকু আগে অতয়ে চাতুৰি খেলাৰ ঃ জৰ হামো চোৰ হএঁা ঃ তৰ তোহাৰি জননিক আগে কৈছন ভুষন দেলহোঁ ঃ তোহোঁ হামাক ঝুণ্টা বাত কহ।।

সূত্র ঃ তদনন্তৰে ঃ ৰাধাক বচন সুনিএ ঃ শ্রীকৃষ্ণ জৈছে মাৰক আগু গোচৰ কয় লাগল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ ধনশ্রী ।। একতাল

ধ্রুং ঃ মাৰকো আগু গোৱিন্দ কৰত গোহাৰি।
দেখত কৈছন ওহি গোৱাৰিনি
হামাকু পাৰত গাৰি।।

পদ ঃ হামো বালক চঞঁ খেড়ি[12] খেলাৰত
ভণ্টা কয়লি চুৰি মোৰা।
তাহেক হামো মিনতি বুলি মাগোঁ
হামাকু বোলত দুৰ চোৰা।।
পুচত ঐচন বাত হোই নুহি
সোহি[13] বালকসৰ সাক্ষী।
হামাৰি ঐচন কলঙ্ক গোকুল মহ
আৰৱি কমন আছো ৰাখি।।
তোহো জৰ মাই উছিত বুঝত নাহি
কহবো পিতাকেৰি ঠাই।
গোৱাৰিক জযোৱা গাৰি দিএ খেদল
মাধৱ এহু ৰষ গাই।।

---
11।থোযমোষ পা. 12।খেলি 13।শহি

কৃষ্ণ বোল ঃ হে মাই ঃ ওহি গোৱাৰিনি হামাক অতয়ে গাৰি পাৰত ঃ হে মাই ঃ অপৰ কথা সুনহ ঃ হামো বালকগণ সহিতে ঃ ভণ্টা খেলাৰত ঃ হামাৰ ভণ্টা ওহি ৰাধিকা চুৰি কয়ল ঃ তাহে দেখিয়ে ঃ হামো মিনতি কৰি মাগিতে ঃ হামাক দুৰ চোৰা বোলত ঃ ঐচন বাত হোই নোই পুচহ ঃ ওহি বালকগণ সাক্ষী ঃ ওহি গোকুলক মাঝে ঃ হামাৰি ঐচন কলঙ্ক বাঢ়ল ঃ হামো কৈছে ইহাক ৰাখি আছোঁ ঃ হে মাই ঃ তোহো জৰ উচিত নাহি বুঝহ ঃ তৰ হামো পিতাক আগে কহব ঃ ইহা জানি তোহো সমুচিত বুঝহ।।

সূত্ৰ ঃ তদনন্তৰে ঃ কৃষ্ণক বিনয় বানি সুনি ঃ জযোদা স্নেহ ৰসে আকুল ভেল ঃ ৰাধাক গাৰি দিএ খেদাৱল ঃ তা সুনহ।।

জযোদা বোল ঃ ঐয়ে দাসিক দাসি ঃ ঢাণ্ডি গোৱাৰি ঃ হামাৰি প্ৰাণপুত্ৰক ঐচন কলঙ্ক দেৱত ঃ কৈছে মৰিতে নজাৱ ঃ তোহাৰি ঘৰে কোন হানি কয়ল ঃ তন্নিমিতে কৃষ্ণক অপযশ বোলৈছে ঃ তোহাৰি[14] মুখে চাব পৰোক।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ ওহি পৰকাৰে জযোৱা ঃ গোৱাৰিক তৰ্জিএ খেদাই ঃ আপুন আঞ্চোৰে কৃষ্ণক ধুলা ঝাৰি ঃ কোলে কৰিকহুঁ ঃ মধুৰ বানি বুলি ঃ আস্বাস কয় ৰহল। শ্ৰীকৃষ্ণ পৰম আ !াদ হুয়া ৰহল। আহে সামাজিক লোক ঃ পেখু পেখু ঃ শ্ৰীকৃষ্ণ ঐচন ভকতক আনন্দ দিএ সৰ্বথা ৰহল ঃ ইহা জানি কৃষ্ণপাদপদ্ম হৃদয়ে ধৰি নিৰন্তৰে হৰি বোল হৰি।।

## ইতি ।। ভূষণ-হৰণ অঙ্ক সম্পূৰ্ণম্।।

14। চিঃ তোহাৰি





## কোটোৰা-খেলা ঝুমুৰা
### ।। শ্ৰীকৃষ্ণায় নমঃ।।

শ্লোক ঃ
মুৰাৰিমুকুন্দং সুৰেশাদিৰন্দ্যং
অৰণ্যেচৰন্তস্বয়স্যৈঃ ক্ৰীড়ন্তম্।
বৃহদ্ভানুপুত্ৰ্যাদিগোৱাৰিণীনাং
পসাৰং লুণ্ঠন্তং নমস্যে নমস্যে।।

অপি চ ঃ
মুখে মন্দহাসং নখেন্দুপ্ৰকাশং
কৰে চাৰুচক্ৰং সুৰেশাদিৰন্দ্যম্।
ভুজঙ্গেশয়ানং ভজে ৰিশ্বনাথং
হৰেৰন্যদেৱং ন মন্যে ন মন্যে।।*

ভটিমা ঃ
হামু চৰম পশুতো পুনু পামৰ
কামৰ ঝামৰ নোই।
কলিমল মজ্জল মানস লালস
ভাল বিনোদ মতি হোই।।
পাতকী পাপ তাপ কয়লি
হৰলি হামু অধিক।
সৰহি বাসনা ভাসনা ছলনা
ৰসনা আনুক্ষণিক।।
ভাৰতে মানৱ সাধৱ ভুকুতি
মুকুতি সুখ মিলাই।
কলিকো পৰমা ধৰম ৰামক
নামক অনুৰতি পাই।।

* 'অঙ্কাৱলী'ত (কালিৰাম মেধি সং.) শ্লোক - ভটিমাসহ এই অংশ সন্নিবিষ্ট হোৱা নাই।

বিষয় কাচক বেচক মাণিক
খানিক সুখময় মানি।
কলিমল ধঞ্জুল সঞ্চুল পুণ্যক
অন্যক মনমথ জানি।।
যাকেৰি চৰণক শৰণক ভজিয়ে
মজিয়ে মধুৰস পানে।
তাকেৰি চাকেৰি দাসক পাসক
পাই পৰম সুখমানে।।
হৃদিগত বান্ধৱ মাধৱ শাসন
শাসন মনে অনুমানি।
চক্ৰধৰ চাকৰ তাকৰ বচনা
ৰচনা জানি নজানি।।
মতি অনুসাৰিত কাৰিত হৰিকো
ৰসিকো লীলা বিহাৰ।
সাধু বুধজন ৰোষমন হৰষ
মৰষ দোষ হামাৰ।।
হামু পামৰ নামৰ অনুৰতি
ভকতি মাগো সদায়।
তৰ নিজ দাসক দাসক চাকৰ
তাকৰ পদৰজ লাই।।
হৰিপদ পঙ্কজ পঞ্জৰ অন্তৰ
সন্তৰ সঙ্গতি হোই।
তযু ৰস আশে দাসে কহয়
ৰাম বোলহ সৰ লোই।।*

* 'অঙ্কাৱলী'ত (কালিৰাম মেধি সং.) শ্লোক - ভটিমাসহ এই অংশ সন্নিবিষ্ট হোৱা নাই।





সূত্ৰ ঃ আহে সামাজিক লোক[1] ঃ জে জগতক পৰমগুৰু নাৰায়ণ ঃ জাহেৰ স্ৰজনা সয়ল সংসাৰ ঃ সোহি পৰমেশ্বৰ শ্ৰীকৃষ্ণ ঃ ভূমিক ভাৰ হৰণ নিমিত্তে ঃ কপট গোপবেসে ঃ নানা খেলনা কয়েকহু ঃ গোৱাৰিসৰক মন সন্তোষি ঃ জৈছে বিহাৰ কয়ল[2] ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ শ্ৰী ।। পৰিতাল[3]

ধ্ৰুং ঃ এক দিনা কানাএ ধৰিয়া নট বেস।
সখিসৰ সঙ্গে ভৈলা বনত প্ৰৱেস।।

পদ ঃ শ্ৰীদাস সুদাম স্তোক কৃষ্ণ বহুদাম।
সুৱল অৰ্জুন ভদ্ৰসেন বলোৰাম।।
ব্ৰহ্মা হৰে চিন্তে জাৰ অৰুণ চৰণ।
সিশুসৰ সঙ্গে খেলে সেহি নাৰায়ণ।। 1 ।।

সূত্ৰ ঃ ঐছন প্ৰকাৰে কানাই ঃ সখিসৰ সহিতে ঃ খেলনা খেলাইতে লাগল ঃ সোহি সময়ে ৰাধিকা গোৱাৰিসৰ সহিতে ঃ লৱণু পসাৰ লৌয়া চলল ঃ তথি বাধা ভৈল ঃ ৰাধা পুনঃ চলল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি[4]।।

গীত ঃ ৰাগ ঃ ভাটিআলি ।। একতাল[5]

ধ্ৰুং ঃ গৃহৰ বাজ হুয়া যান্তে পৰি গেল বাধা।
মাৰে বাপে নাম থৈছে কলঙ্কিনি ৰাধা।।

সূত্ৰ ঃ ঐচন বাধা নগনিয়ে ঃ ৰাধা গোপিসৰ সহিতে পথে জাইতে ডাকি বোলল।।

ৰাধা বোল ঃ দেৱল দুৰ্ল্লভ ঃ গোপাল বল্লভ পসাৰ ঃ কে লৱে কে লৱে[6]।

বালকসৰ বোল ঃ আ ঃ হামু লিব হামু লিব ৰে।।

1। পা. সভাসদ লোক 2। যে ক্ৰীড়া কয়ল। পা. 3। শ্ৰী পৰিতাল 4। হৰিবোল 5। ৰূপক তাল 6। কে কিনিবে ৰে কে কিনিবে ৰে

সূত্ৰ ঃ ওহি বুলি ঃ সিশুসৰে পসাৰ নমাইতে চাহে ঃ তাহে পেখিএ গোপিসৰ পুচত।।

গোপি বোল ঃ আহে বালকসৰ ঃ হামাৰ পসাৰ চুইতে চাৰস ঃ তোহো কি নাম ঃ কি জাতি তা কহ।।

কৃষ্ণবোল[7] ঃ তহু গোৱালি হামু গোৱাল।
পৰ্বত বনত খপহোঁ কাল।।
এনুৱা কত কত খাই আছো দই[8]।
কি সোধ তোৰ মায়েৰ পৈ[9]।।

বালকসৰ বোল ঃ আহে গোৱাৰিসৰ ঃ তোহো কি নাম ঃ তা কহ।।

সূত্ৰ ঃ তাহে সুনি ৰাধা[10] বোল।
কি বোল গোৱাল জাতি। একো ঠাইত নবঞ্চো ৰাতি।।
দধি দুগ্ধ বিকি ঘৰে জাঞঁ। কি সোধ তোৰ মায়েৰ নাউ।।

সূত্ৰ ঃ ওহি বুলি গোপিসৰ ঃ দধি নাহি বিকিএ ঃ পনু যমুনাৰ ঘাটে চলল ঃ পেখি কানাই আগভেটি বোলল।।

পদ ঃ চলে ৰাধা বাহুৰিয়ে যমুনাৰ ঘাটে।
পেখিয়ে কানাই ভেটল ৰাজবাটে।।
ঘাটেৰ ঘাটৈয়া হামু পথে মহাদানী।
দান কেনে নাদেবিৰে চিকোন গোৱাৰিনি[11]।।

কথাঃ গোৱাৰিস বোল ঃ আহে গোৱালসৰ ঃ হামুসৰ ওহি যমুনাৰ ঘাটে নাহি যাৱবোঁ ঃ পুনু মথুৰাহাটে চলৈছোঁ।।

সূত্ৰ ঃ ওহি বুল গোৱাৰিসৰ ঃ যমুনাঘাটে জাইতে নাহি পাৰি ঃ পুনু মথুৰাঘাটে চলল। তাহে পেখি গোৱালসৰে ঃ ওহি কানাইক চকি বুলিয়ে ঃ গোপিসৰক জৈচে আগোৰল[12] ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি বোল।।

---

7। বালকসৰ বোল 8। এনে এনে কত কিনিছোঁ দই 9। মাৱৰ 10। গোৱাৰিসৰ বোল 11। গোৱালিনি পা. 12। ভেণ্টল





গীত ঃ ৰাগ বৰাড়ি ।। একতাল

ধ্ৰুং ঃ আলো ৰাধে কি লৈয়া সাৰ নমাউ দেখি।

পদ ঃ জেদিকে সুন্দৰি ৰাধে সেই দিকে কানাইৰ চকি।।
নিতে আইচা নিতে জাঞঁ কৰা বিকিকিনি।।
দান কেনে নেদেৱ হে চিকন গোৱালিনি।।
ভাণ্ড পিছে সব দান এ পাঞ্চ কাউন[13]।
দাড়িয়াৰ মাগন ল'ব হাতেৰি কঙ্কন।
জে দিকি জাইবি ৰাধা সেদিকি কানাইৰ চকি।
দান নেদি জাস সৱে কাঢ়ি লৈবোঁ সখি[14]।।
ঘাটেৰ মধ্যে লৈবোঁ দান এপঞ্চ কাওন।
দণ্ডিয়াসকলে লৈবোঁ[15] হাতেৰ কঙ্কন।। 3।।

কথা। গোৱালসৰ বোল ঃ আহে গোৱাৰিসৰ ঃ ওহি কানাইৰ চকি ঃ দান নাহি দিয়ে তোহোঁ কৈছে চলব।।

সূত্ৰ ঃ ওহি বুলি ঃ গোৱালসৰে গোপিসৰক আগুৰিয়ে ঃ পথ ভেণ্টয় ঃ তাহে পেখি গোপিসৰ জে বোলল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰিবোল হৰি।।

গীত ঃ ৰাগ ঃ সিন্ধুৰা ।। তাল-ৰূপক

ধ্ৰুং ঃ নিতে আইছোঁ নিতে জাইছোঁ কৰোঁ বিকাকিনি।
এহি পথে কানাইৰ চকি কভো নাহি সুনি।।

পদ ঃ সুনৰে নন্দেৰ বালা তোক নাহি ডৰ। জাইয়া কংসেৰ আগে কৰিব গোচৰ।। 4।।

কথা। গোপি বোল ঃ আহে বালকসৰ ঃ ওহি পথে হামু নিতে আৱত ঃ কানাইক চকি কতিহোঁ সুনয়ে নাহি ঃ তবহু জদি ইহাত ঝুণ্টা জগৰা কৰহ ঃ তৱে কংস ৰাজাৰ দোহাই জানহ।।

---

13। কোনো কোনো পুথিত এই পদটি নাই 14। দান নেদি যাহ যদি লৈবোঁ সকল সখী, 15। দণ্ডিয়া মাগন লৈবোঁ

বালকসৰ বোল ঃ আহে গোৱাৰিসৰ ঃ তোহাৰি কংস ৰাজা হামাৰি কে।।

সূত্ৰ ঃ ওহি বুলি গোৱালসৱে ঃ সৰহি আগুৰি[16] ঃ গোপিসৰক বন্দি কয়ল। তাহে পেখি ঃ গোপিসৰ ডাকি বোলল।।

গোপিসৰ বোল ঃ আহে জবৰা বাপ ঃ গোৱালক চৰালসকলে ঃ হামাক ঝুণ্টা ঝগৰা কৰইছে ঃ তুহুঁ সত্বৰে আৱ ঃ সত্বৰে আৱ।।

সূত্ৰ ঃ তাহে সুনি ঃ জবৰা বাপ হল হল[17] কৰিয়ে ধাৱল ঃ তাহে পেখি গোৱাল সকলে ঃ গলে বস্ত্ৰ দিয়া বিগুতি করিয়ে ঘসাৱল ঃ মহা চোট পাই ঃ জবৰা বাপ বেগে পলাৱল ঃ তাহে পেখি শ্ৰীকৃষ্ণে ঃ গোপগণ সহিতে ঃ পুনু গোপিসৰক তৰ্জয়ে লাগল। তাহে পেখি ঃ গোপিসৱে জে বোলল ঃ তা সুনহ।।

গোপিসৰ বোল ঃ আহে কানাই ঃ তোহো সৱে ঝুণ্টা নাহি কৰবি ঃ তোহোঁ ভাল কয়ে নৃত্য কৰহ ঃ তোহাক মন সন্তোষিএ ঃ দধি দুগ্ধ লৱণু দেৱবোঁ।

সূত্ৰ ঃ আহে লোকাই ঃ গোপিসৰক বানি সুনি ঃ শ্ৰীকৃষ্ণে সখিসৰ সহিতে ঃ জৈচে নৃত্য কয়ল ঃ তা দেখহ সুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।।

গীত ঃ ৰাগ ঃ বৰাড়ি ।। একতাল

ধ্ৰুং ঃ কোটৰা খেলাই হৰিএ ওঁহি বালকৰ কেলি।
পৰম আনন্দে খেলে গোপসিশু মেলি।।

পদ ঃ গোণ্টা ঝুমুড়িকা খৈ আৰু মৰা লাডু।
খেলাইতে ঝলমল কৰে সোনাৰ টাড়খাৰু।।
গগণে দেৱতাগণে পৰম হৰিষে।
হৰিগুণ গায়া ৰঙ্গে কুসুম বৰিষে।।
বৃন্দাবনে কৰে কেলি বৈকুণ্ঠেৰ পতি।
কহয় মাধৱ হৰি পদ ৰেণু গতি।।

16।সৰহি আৱৰি 17।হুলহুলি



শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

গীত ঃ ৰাগ ঃ কানাড়া ।। পৰিতাল।।
জযোৱা নন্দন বালেক মেলে।
পৰম আনন্দে কোটৰা খেলে।।

পদ ঃ মৰা ঝুমুড়িকা[18] আৰৰ খই।
বস্ত্ৰ উৱৰে সিঞ্চে হাতে লই।।
কোটি ব্ৰহ্মাণ্ড কৃড়া-ভাণ্ড জাৰ।
কোটৰা খেলান কমন বিহাৰ।।
অনন্ত আনন্দ ৰষেৰ পতি।
তাহেঁৰ বালেক খেলানে ৰতি।।
ভকতি অধিন হৰি দীনদায়াল।
কহয় মাধৱ গতি বাল গোপাল।।

সূত্ৰ ঃ আহে সামাজিক লোক ঃ জে জগতক পৰম গুৰু নাৰায়ণ ঃ সনাতন ঃ পৰম পুৰুষ পুৰুযোত্তম ঃ নন্দক মন্দিৰ বেকত হৈয়াকহুঁ ঃ নানা বিনোদ বিহাৰ নৃত্য কয়ল। এক দিবসে গোপিক ভাণ্ডি ঃ গোপগণ সহিতে লৱণু খাৱল ঃ সোহি কোটোৰা খেলন যাত্ৰা সম্পূৰ্ণ ভেল।ইহাক জাৰাসৱে শ্ৰদ্ধায়ে কৰয় কৰাৱয় ঃ শ্ৰদ্ধায়ে সুনয় ঃ তাৰাসৰৰ শ্ৰীকৃষ্ণ চৰণে সপ্ৰেম ভকতি বাঢ়য়। ভকতিক মহিমা কি কহব ঃ জানি শ্ৰীকৃষ্ণৱ চৰণে ঃ মন সাৰ কৰিএ ঃ নিৰন্তৰে হৰিবোল হৰিবোল।।

## ইতি ঃ কোটোৰা-খেলা ঝুমুৰা সমাপ্তম্

পা. 18। মোৱা জুমুৰা

# পৰিশিষ্ট ঃ

**শব্দাৰ্থ .....**

**অৰ্জুন-ভঞ্জন ঃ**

অণ্ড— ব্ৰহ্মাণ্ড, জগত; অতৰ্ক— তৰ্কিব নোৱাৰা, বুজিব নোৱাৰা; অতয়ে— ইমান; অধৰ— তলৰ ওঠ; অনন্তৰে—ইয়াৰ পিছত; অব— এতিয়া; অবজৰ— আজৰি; অমৰ গণ— যিসকলৰ মৃত্যু, স্বৰ্গৰ দেৱতাসকল; অৰুণ— [সং, যি সদায় চলি থাকে]— সূৰ্য্য, পুৱা আৰু সন্ধ্যা সময়ত আকাশত দেখা ৰাঙলী বৰণ; আগহি আগে— (অগ্ৰ, অগ্ন, আগ) আগত; আছোক— দূৰত থাওক; আধাৰু— আধাৰ, ধাৰণ কৰোঁতা; আযু— আজি; আয়ত—বহল; আৰকত— আৰক্ত, তেজবৰণীয়া, ৰঙা; আৰ্দ্ৰাসক— লেৰেলা সাদৰ; আৱল— আহিলে; ইহাঙ্ক— এওঁক, (ইয়াত যশোদাকে বুজাইছে); উছল— উচ্চল, ওখ, ডাঙৰ (উধনীয়া); উডুখল— উৱাল; উতাৰি— নমাই; উদৰবৰ্তি— পেটৰ ভিতৰত থকা; 'উদৰবৰ্তি ব্ৰহ্মাণ্ডসব'— "অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।" (নাম-ঘোষা)। সেই হৰিৰ উদৰতে যেন সকলো ব্ৰহ্মাণ্ড ৰৈ আছে। উপালম্ভ— অপমান, উপহাস, বিদ্ৰূপ; উভাঞ্চু— উভালি; উৰৰে— ওপৰত; ঐচন— এনেকুৱা; কঙ্কাল— কঁকাল; কছালিয়া— (কচাল জোকাৰ্) মোহাৰি; কটি— কঁকাল; কড়া দুইক— দুই কড়ি মূল্যৰ , সামান্য মূল্যৰ; কণ্ডিয়া— কঁৰীয়া; কতি / কতিহোঁ— কলৈ, ক'ত; কপট— ছদ্ম, গোপন। 'কপট গোপবেশ'— প্ৰকৃততে শ্ৰীকৃষ্ণ পৰমপুৰুষ ভগৱান-বিশ্বৰ গৰাকী। গতিকে তেওঁ বৃন্দাবনত গৰখীয়া হৈ থকাটো এটা ছদ্মৰূপ বা ছলনাহে মাথোন। আনৰ মঙ্গলৰ কাৰণে ভক্তৰ মনোবাঞ্ছা পূৰণৰ বাবেহে তেওঁ ছদ্মবেশ লৈছিল।

কমন— কেনেকুৱা, কিমান; কবহো— কেতিয়াও; কয়— কৰি; কৰ— হাত; কৰকটা— কৰ্কৰা; কহু /কহুঁ— পুৰণি অসমীয়াত ব্যৱহৃত স্বাৰ্থিক প্ৰত্যয়। আধুনিক অসমীয়াৰ গৈ, হি, আদি প্ৰত্যয়ৰ দৰে ই যি ক্ৰিয়াৰ লগত বহে তাক বিশেষ ৰূপে দেখুৱায়। যেনে হয়াকহুঁ (হৈ উঠি), কয়কহুঁ (কৰিয়েই)

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

ইত্যাদি। কাই— কায়, শৰীৰ; কাকু বানি— কাকুতি, মিনতি; কালক— কালৰ; কাহেক— কাৰ; কালো— যমো; কুছ— কুচ, স্তন; কুঞ্চিত কেশ— কেঁকোৰা চুলি; কেযুৰে— কেয়ূৰ; বাজু, বাউসীত পিন্ধা অলঙ্কাৰ; কোই— কোনে, কোনেও; কৌটি পুৰুষক— সীমাহীন অৰ্থত 'কৌটি' শব্দ ব্যৱহৃত হৈছে। উপৰি পুৰুষ সকলৰ। খণ্টচোৰ— গভাইত চোৰ; খুপি— সৰু এন্ধাৰ খোটালি; খেলনা— খেল, ধেমালি; ক্ষৌম— পাটকাপোৰ; গণ্ড— গাল ; গৰহিত — গৰ্হিত, নিন্দিত; খাণ্ডা— তৰোৱাল; খেবাত— দলিয়াই দিয়া; গাণ্ঠি— গাঁথি; গাৰ সন্ধানে— শৰীৰৰ জোখাৰে; গুণাতীত— ত্ৰিগুণৰ অতীত। ঈশ্বৰ সত্ত্ব, ৰজঃ আৰু তম এই তিনি গুণৰ বাহিৰত অৰ্থাৎ ভাল বা বেয়া কোনো গুণৰ বশ নোহোৱা। গাৰি— গালি; গোকুণ্ঠ পাশে— গৰুৰ ডিঙিত বন্ধা পঘাৰে; গোষ্ঠক— গৰু চৰা বা ৰখা ঠাই, গৰু আৰু গোৱাল থকা গাওঁ। গোড়ে— ভৰিত; ঘুষিক ক্ষীৰ— মথিবলৈ নিয়া গাখীৰ; ঘেষণি— মথন মাৰি; ঘোল— মাখন তোলাৰ পিছত যি ভাগ গাখীৰ থাকে; ঘোষি— জুইৰ আখ; চক্ৰবাত— ঘূৰা বতাহ। বা-মাৰলিৰ সৃষ্টি কৰি তাৰ মাজতে কৃষ্ণক আকশলৈ হৰি নিয়া এটা দৈত্য। কৃষ্ণই তাক ডিঙিত চেপি বধ কৰিছিল।

চণ্ড— প্ৰচণ্ড, ভয়ঙ্কৰ, খঙাল; চতুৰানন— চাৰিখন মুখযুক্ত ব্ৰহ্মা; চৰাচৰ গুৰু— বিশ্বজগতৰ গৰাকী ভগৱান; চাটু— তোষামোদ, ভালৰি; চূৰ— চুৰ্ণ, ধ্বংস; ছন্ন— ধ্বংস, ছন; ছাৰ — [সং-ক্ষাৰ-ছাই] তুচ্ছ, মূল্যহীন; ছাৱালক— [সং-শাৱক] সন্তান, ছলি; ছোড়হ— এৰি দিয়া; ছোড়ি— এৰি; জগত আধাৰু— যিজনে জগতখন ধাৰণ কৰি আছে; জগত কাৰণ— জগতৰ সৃষ্টি স্থিতি প্ৰলয়ৰ কাৰণ; জানু— আঠু; জাঁহাঁ— যলৈ; জৈছন— (যৈচন) যেন; ঝন্কটা— জকৰা (ভাত); ঠামে— ঠাইলৈ, ঠাইত; ডাকিয়ে— মাতি; ডোলে— লৰি থকা; ঢান্দি— ঢাণ্ডী, শকত-আৱত, ঘূৰি ফুৰা তিৰোতা, লুধুমী; তথি—তালৈ, তাত ; তাৰ্যিয়ে— তৰ্জন বা ভৎৰ্সনা কৰিবলৈ; তৰ্থিয়ে— ককৰ্থনা বা ভৎৰ্সনা কৰি, গালি পাৰি; তবহো— তথাপি; তৰ্যনা— তৰ্জন-গৰ্জন, গালি-শপনি; তাণ্ডৱ— তাণ্ডৱ নৃত্য; তাঁহাঁ— তালৈ; তেজহ—

ত্যাগ কৰা; ত্ৰিগুণ নিয়ন্তা— সত্ত্ব, ৰজঃ আৰু তম এই তিনি গুণৰ অধিকাৰী বা নিয়ামক; থিক— আছে ; থোড়ে— অলপ, সামান্য; দণ্ডৱতে— দীঘল হৈ মাটিত পৰি; দশন— দাঁত; দুল্লভ— দুৰ্লভ, যাক সহজে লাভ কৰিব নোৱাৰি; দোৱজ— দুলাই, দ্বিতীয়বাৰ; ধাই— খেদি যায়; ধাৱল— খেদি গ'ল।

নলকুবেৰ আৰু মণিগৃঞ (মণিগ্ৰীৱ) ঃ ধনাধিপতি কুবেৰৰ দুই পুত্ৰ। এদিন দুয়ো সুৰাপান কৰি মত্ত আৰু বিবস্ত্ৰ হৈ গঙ্গাজলত নাৰীসকলৰ লগত জলক্ৰীড়া কৰি আছিল। সেই সময়ত নাৰদ মুনি তাত উপস্থিত হোৱাত কোনেও মুণিক গ্ৰাহ্য নকৰিলে। তেতিয়া নাৰদে খঙতে "স্থাৱৰ যোনি প্ৰাপ্ত হ" বুলি অভিশাপ দিলে। ঋষিৰ শাপত দুয়ো বৃন্দাবনত যমলাৰ্জুন ৰূপে জন্মগ্ৰহণ কৰে আৰু পিছত শ্ৰীকৃষ্ণৰ কৃপাত শাপমুক্ত হয়। নৱনিত— নৱনীত, লৱণু , মাখন।

"নৱনিত-কনা ..... গগনকু মাঝে"

শ্ৰীকৃষ্ণৰ শ্যাম বৰণীয়া শৰীৰত বগা মাখনৰ কনাবোৰ লাগি এনে দেখা গৈছে যেন নীলা আকাশত উজ্বল তৰাবোৰহে বিৰাজ কৰিছে।

নাঠি— নষ্ট; নায়ক— গুৰিয়াল; নাৰায়ণ (নাৰ-অয়ন)— বিষ্ণু, আদি পুৰুষ; নাষল— নাশ কৰিলে; নাহি টুটত— কমা নাই; নিজজন— ভক্তসকল; নিদাৰুণি— (নিদাৰুণী) নিষ্ঠুৰা; নিৰঞ্জন— অঞ্জহীন অৰ্থাৎ নিৰ্মূল, জ্যোতিৰ্ময়; নিৰন্তৰে— (ভগৱান) বিৰতি নোহোৱাকৈ, অনবৰত; নিৰ্গুণ— সত্ত্ব, ৰজ ঃ আৰু তম এই তিনিগুণৰ অতীত বা নিৰাকাৰ ব্ৰহ্ম; নিৰ্ঘাত— ব্ৰজ্ৰপাত; নিৰ্বন্ধ— অলৰ-অচৰ কথা; নিৰ— নীৰ, পানী; নিৰেখি নিৰেখিয়ে— নিৰীক্ষণ কৰি, দেখি; নষ্ট— নিশ্চয়; পটা পুত্ৰ— পটাগুটি; পয়োধৰ— তিৰুতাৰ স্তন; পয়োসাৰ— প্ৰসৰ, অগসৰ; পৰিয়ে— পিন্ধি; পাক— পাগ, নিৰ্দিষ্ট তাপ; পাগে— পবাৰে; পাৱে লাগো — ভৰিত পৰোঁ; পিণ্ড— লাড়ু; পতুনা সুষিলা— পুতনা ৰাক্ষসীক স্তন শুহি মাৰিলা; পুৰাতন— পুৰণি; পূৰুৱ— পূৰ্বৰ; 'পূৰ্বাপৰ ..... জাহাৰু'— যাৰ আদি মধ্য আৰু অন্ত নাই, অৰ্থাৎ যাৰ জন্ম-মৃত্যু একো নাই; পেখি— (সংপ্ৰেক্ষ) দেখি,

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

চাই ; পেহলাৱল— পেলালে; প্ৰদক্ষিণ— ভক্তিভাৱে চাৰিওফালে ঘূৰা কাৰ্য; প্ৰসাদ— অনুগ্ৰহ; ফান্দিয়ে— ফিন্দাই, ওফোন্দাই; বঙ্কনয়নে— বেঁকা চকুৰে, কেৰাহিকৈ চোৱা; বৎসল— কৃপাময়, দয়ালু; বয়নে মিলাই — মথনিৰ তালে তালে গীতৰ সুৰ মিলাই; বলাইতো— বলৰামতকৈও; বহয়— বৈছে; বহাইতে— বোৱাই; বাঞকা— বাওঁকা ভাৰ বান্ধি বস্তু কঢ়িয়াই নিব পৰা এফালি বেঁকা বাঁহ ; বাড়ি— মাৰি, লৰু; বাত— বতাহ, কথা; বাধ— বাধা; বাৰম্বাৰ— বাৰে বাৰে; বলাই— বিপদ; 'বাহিৰ.....নাই'— যি সৰ্বত্ৰ বিৰাজমান; বিক্ৰান্ত— পৰম শক্তিশালী ; বিনাৱত— বিনাইছে, বখানিছে; বিনোদ— আনন্দ; বিনোদিত— আনন্দিত; বুঢ়িয়া— বুড়া (সং বৃদ্ধ); বেকত— ব্যক্ত, প্ৰকাশ, জন্ম; বেগ্ৰ— ব্যগ্ৰ, ব্যস্ত; বেণু— বাঁহী; ভকতিক বশ্য— ভক্তৰ অধীন; ভঞ্জুন— নাশ (কৰোঁতা)।

"ভাৰ ..... অৱতাৰু'— যেতিয়া পৃথিৱীত ধৰ্মৰ গ্লানি, অধৰ্মৰ প্ৰাদুৰ্ভাৱ আৰু দৈত্য-দানবৰ অত্যাচাৰ বাঢ়ে তেতিয়াই পৃথিৱীত ভাৰ হোৱা বুলি কোৱা হয়। তেতিয়া ভগৱান বিষ্ণুৱেই অৱতাৰ ধৰি, দৈত্য-দানৱক সংহাৰ কৰি, সাধুসকলক ৰক্ষা কৰি পৃথিৱীৰ ভাৰ হৰণ কৰে।

('য়দা য়দাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্।
পৰিত্ৰাণায় সাধুনাং বিনাশায় দুষ্কৃতাম্।
ধৰ্মসং স্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।" — গীতা)।।

ভাৱনা— ব্যৱহাৰ, আচৰণ; ভীত— ভয়; ভুঙ্গন্ত— ভোগ কৰে, খায়; মঞ্জিৰ— মঞ্জীৰ, নূপুৰ; মণ্ডিয়ে— মণ্ডিত কৰি, শোভিত কৰি; মথন দণ্ড— ঘোঁটা মাৰি, ঘোঁটনী; মথনি মাঙ্খি— দধি মথা পাত্ৰ; মন্দিৰে— ঘৰত; মধাই— মাধৱ, কৃষ্ণ; মাজিয়ে— মচি ; মাৰণ— মাৰ; মুৰাৰি— মুৰ নামে অসুৰ অৰি— শত্ৰু বধ-কৰোঁতা, কৃষ্ণ; মেহ্লাই— মেঢ়াই; মোই— মোৰ; মোদি— আনন্দ দি; জৱলাৰ্জুন— যঁজা অৰ্জুন গছ; ৰখোৱাল— গৰখীয়া, ৰখীয়া; ৰজ্জু /ৰযু— ৰচী; ৰঞ্জন— আনন্দ; ৰঞ্জি— শোভা কৰি; ৰন্ধ্ৰে— বিন্ধাত; ৰাগ— খং; ৰাতুল— ৰঙা; ৰুচি— সুন্দৰ, মধুৰ; ৰেণু—

কণা; ৰোম— নোম; ৰোম-বিবৰ-মই’— লোম কুপত, নোমৰ ৰন্ধ্ৰৰ মাজত; বোলে— শব্দ কৰে; ৰোষিত— ক্ষুন্ন, খঙাল; লাই— লৈ, প্ৰতি; লুম্ফি — থাপ মাৰি; লোলে— উলমি থকা; শিকিয়া— বস্তু ওলোমাই থ’বলৈ বা নিবলৈ জৰীৰে সজা যতন। ‘শকট উচটিন কয়ল’— কৃষ্ণই শিশুকালত ভৰিৰে শোৱা খাটখন ওভোতাই পেলাই অলৌকিক শক্তি দেখুৱাইছিল। সত্বৰে— ততালিকে; সমাজিক— সামাজিক, সমজুৱাসকল; সাতি— শান্তি; সাতে— সাথে, লগত; সাহঙ্কাৰি— অহঙ্কাৰী, মই বৰ ভাবৰ; স্যাম— শ্যাম; হন্তে — পৰা (পুৰণি অসমীয়া 5মী বিভক্তিৰ চিন); হয়ঙ্গমি— মাখন; হৰিকহোঁ তত্ত্ব— ভগৱানৰ ৰহস্য; হানি— লোকচান, নিক্ষেপি দলিয়াই; ক্ষেণেকে— ক্ষন্তেকতে।

## চোৰধৰা ঃ

দেখতু - চাওঁক; ৰে- সম্বোধন পদ; মেলা- ধেমালি; কৰত- কৰে; চোৰ চাতুৰি- মিছাকৈ চুৰ কৰা ভাও দিয়া ; পৰমানন্দ- পৰম আনন্দ দিওঁতা; লিলা- লীলা; পৰকাসি- প্ৰকাশি; বহুৰসে- ভিন ভিন আনন্দৰ স্বাদেৰে; ৰঞ্জল- আনন্দ দিলে; সৱ ৰস সাগৰ- সকলো আনন্দৰ সাগৰ; সুণ্য- খালি, উদং; পৈসল- প্ৰবেশ কৰিলে; পড়াক- পাৰাৰ (একে ঠাইৰ); আজু- আজি ; কাহা- ক’ লৈ; জাসি- যাবি; পেখিয়ে- দেখা পাই; দ্বাৰ- দুৱাৰ; বেঢ়ল- বন্ধ কৰিলে; মন্দিৰে- ঘৰত; এ আৱত- এইয়া আহিছো; জগড়া- কাজিয়া; দেসি- দিছা; কৈচন- কেনেকৈ; ৰাজমাৰগ- ৰাজপথ; ফিৰত- ইফালে সিফালে যোৱা; গঁৱাৰি- গোৱালী; আঞ্চোৰে- আচলত; টানাই- টানি; বাৰহি বাৰা- বাৰে বাৰে; মাৱক- মাকৰ; আগু- আগত; আজু- আজি; নিয়া- নি; ভেটাৱব- দেখুৱাব; বুঝ- বুজিবা; হামাকু- মোক; বোলসি- কৈছা; ঢান্ধি - খকুৱা; ছাড়ো- এৰা নিদিও ; নাচতু নাচে; ভল্লকয়- ভালকৈ; কৰপাতি- হাতপাতি; ভকতি অধীন- ভক্তিৰ অধীন; বিহানে - ৰাতিপুৱাই; বঝাইলা- ওলাই গ’ল; নাইলা- নাহিল; তিৰে তিৰে- পাৰে পাৰে; ফিৰে- ঘূৰি ফুৰে; নন্দজায়া- নন্দৰ পত্নী; নিগড়ে- বৈ যায় ; নিৰ - চকুপানী; ধৰণি লুটিয়া- মাটিত পৰি; মুৰুচিত- মূৰ্চ্চা যোৱা; ভয়োঁ- হ’ল ; আসিকহু - আহিক’লে; পড়াকহুঁ- চুবুৰীৰ লোক ; মুখহি- মুখ

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

খনেই; পৈসল- প্ৰবেশ কৰিলে; হাতকহু- হাতত থকা; বোলত- কৈছে; মুখহি- মুখ খনেই; ঠানে- ঠাইত।

## পিম্পৰা গুচোৱা ঝুমুৰা ঃ

বোলয়- কয়; বলাই- বলোভদ্ৰ (শ্ৰীকৃষ্ণৰ ককায়েক); এথা- এই ঠাইলৈ; লৱনু- মাখন; কলসে- কলহত; বড়- ডাঙৰ; কিসক- কি কাৰণে; নিদ্ৰাৰ- শুই থকা অৱস্থা বা টোপনিত থকা; ছৱাল- ল’ৰা; কানু- কৃষ্ণ; বৎস- দামুৰি; খুজিয়া- বিচাৰি; নপাইলো- নাপালো; তাৰে- তাকে; পুছিবাৰে- সুধিবলৈ; লাগি- কাৰণে; নিদাৰুণী- মৰম নাইকিয়া; ভাণ্ডিলা- পৰাজয় কৰিলা; আগু- আগত; এক থান- এক ঠাই; সৱহি গিয়া- সকলো গৈ; নাজায়ো- নাজায়ো- নাযাবা নাযাবা; কেহোঁজনি - কোনো জনীয়ে; চাণ্ড - দুষ্ট; মোহোৰ- মোৰ; বৱাইবাক- বোৱাব; খাইবাৰ- খাবলৈ; সুৰষ- সুস্বাদ যুক্ত; বাখৰে - গন্ধযুক্ত মছলাৰে; ছৱাল- ল’ৰা; আৰ- আৰু, আকৌ ; গাৱে- গাত; ৰহে- বৈ যায়; খাৰী- দাগ; নিয়ন্তা- চলাওঁতা; আতমা- আতমা; গাৰি- গালি; আলো মাই- হে আই; আৰ- আৰু; মোৰে- মোক; সৈয়া- সহ্যকৰি; তাৰে- তাক, সেইবোৰ; চাৰ- সামান্য, নগণ্য; পুৰাতন- পুৰণি; কড়া- কড়ি; সৈবাৰ নৰৈল- সহ্য কৰিব নোৱাৰিলা; বৰ মানুষৰ- ডাঙৰ মানুহৰ; ঝি- জীয়ৰী; আঁঠুকুৰি- বাঁজী, সন্তানহীন; চাতুৰি- চলনা; এথা- এতিয়া; দুৰ্যস- অপযশ।

## ভূমি লেটোৱা ঝুমুৰা ঃ

কৃড়া- ক্ৰীড়া; খেলত- খেলিছে; সঙ্গে- লগত; মানৱী ভাৱ- মানুহৰ আচৰণ; দেখাৱত- দেখুৱাইছে; সৃষ্টি- স্ৰজন, জন্ম দিয়া; স্থিতি- ৰক্ষকৰা, পালন কৰা; লয়- ধ্বংস, বিনাশ; যোই- যি জন; যাকৰ- যাৰ; লীলা- কাৰ্য কলাপ; জানত নাহি - জানিব নোৱাৰে; কোই- কোনেও; সোহি- সেইজন; কুমাৰ- ল’ৰা সন্তান; লোক- জগত , মানুহ; কৰত- কৰিছে ; বিহাৰা- ধেমালি; মুকুতি- মুক্তি; বিড়ম্বন- বিৰাগ; যাকৰ- যাৰ; সেৱা- ভকতি; ভূমি লুটি- মাটিত বাগৰি, গোপীনাথ- গোপীসকলৰ স্বামী; ভাণ্ডিতে- প্ৰৱঞ্চনা কৰিবলৈ; মায়ৰে- মাকক; ভাণ্ড- টেকেলি; কৰিয়া- কৰি; খিৰ- গাখীৰ; হুমহুমি- হুৱাওৱে; শুনৰে- শুনচোন; বাপ- বোপাই; ৰোষ- খং; ভৈগৈল- হৈ গ’ল; ঝামৰ-

লেৰেলি যোৰা; বড়ি- অতিশয়; নেত্ৰজল- চকুৰ পানী; চান্দ- চন্দ্ৰ; গেল- গ'ল; তোহ্মাৰে- তোমাৰ; গেলো- গলো; হামু- মই; নিৰ- পানী; ভৰিবাৰে- ভৰাবলৈ; বাপ- পিতৃ; তাএঞোঁ- তেওঁ; পোষণ- পোহনীয়া; দুৰ্যন - ধূৰ্ত্ত, বেয়া; আসঙ্গঁ- আসৈ, লাই; মোৰে- মোৰ; ঘাটি- দোষ; হামাত ৰোষে- মোৰ ওপৰত খং কৰি; তনু- দেহা; ধূলায়ে ধূষল- ধূলিৰে তাক খোৰা; ভাগিল গলা- মাত ভাগিল; ভৈগেল- হৈ গ'ল; বিকল- কাম নোহোৰা; ছিনিকয়মাখি- চেনীৰে সৈতে সানি; সঞ্জাত- প্ৰত্যয়; পড়াৰ- পাৰাৰ; তেজল- ত্যাগ কৰিলে; কোলে লিজে- কোলাত লৈ; বয়ন- মুখ; ভৰি- ভৰাই; কবহু- কেতিয়াবা; চান্দ- চন্দ্ৰ; ভাসে- পোহৰাই; জা- যাক; করু- কৰে; সোহয়- শোভা কৰে; সোহি- সেই; দেৱা- দেৱতা; ভকত বৎস - ভকতৰ প্ৰিয়; কোলে চড়ি- কোলাত উঠি; কৰপাতি- হাত পাতি; মেৰি লাগে- মোক লাগে; মাগে- খোজে; আগে- ওচৰত; বোলয়- কয়; মেৰি- মোৰ; পুৰুৱে- পূৰ্বে, আগতে; বুলিয়া- কৈ; দিবাৰে- দিম বুলি; লাগয়ে- লাগে ; হামাৰে- মোক; তোৰে- তোমাক; ভাণ্ডি- ঠগি; ছাড়িবো- এৰি দিম; কমনে- কেনেকৈ; হয়ঙ্গঁমি- মাখন; পূজিবাৰ- পূজা কৰিবলৈ; নপাৰি- নোৱাৰি; তাৰে- তাকে; পায়া- পাই; কৌতুকে- আনন্দৰে; ভুঞ্জিলা- খালে ; উৎসুকে - আনন্দৰে; তৃজগত- ত্ৰিজগত; হৰি ৰেণু- ভগৱানৰ চৰণৰ ধূলি; বস্য- বশ; হয়া- হে।

## ভোজন বিহাৰ ঝুমুৰা ঃ

প্ৰাতস সময়ে- ৰাতিপুৱা; কু- কোনে; কানু- কানাই; সাজে সাজে- সাজোন কাচোন কৰে; (কাপোৰকানি অলঙ্কাৰ আদি পৰিধান কৰে) বাংসিৰ- বাঁহীৰ, নিসান, শব্দৰ সংকেত; ডাকয়- মাতে; ছিৰি- শ্ৰী, সুন্দৰ; আজু- আজি; বনমহ- বনৰ ভিতৰত; বাটিলৈয়া- ভগাই লৈ; নটবৰ জিনি- সৰ্বশ্ৰেষ্ঠ নাচনি ; জিনি- জয় কৰি; ৰূপে কোটি কাম- ৰূপত কোটি কোটি কামদেৱতকৈয়ো; বোলয়- কয় ; মায়াবিমোহিত- যিজনৰ মন মায়াই আৱৰি থৈছে ; আখিৰ গোচৰ - চকুৰে দেখা ; কাচত - কাষতে ; বৎসসৰ - দামুৰি বিলাক ; চৰোক- চৰি থাকক ; বিহাৰা - ধেমালি ; চৌভিতি - চাৰিওফালে ; বৈঠল- বহিল; পঙ্কজ - পদুম ; পত্ৰ - পাত ; আকাৰা - আকাৰ ; তাসু- তাৰ ; বিধানা-



ব্যৱস্থা ; আনন্দি - আনন্দ মনেৰে ; বাম পাণিতলে - বাওঁহাতৰ তলুৱাত ; কৰতালি - হাতচাপৰি ; বাৱত - বজাই ; গাৱত - গাই।

## ব্ৰহ্মামোহন ঝুমুৰা

প্ৰাতস - ৰাতিপুৱা ; মন্দিৰে - গৃহত ; বিহাৰ - আনন্দ ; ভেণ্টল- বাট ভেটি ; অঘগৰ্ভে - অঘৰ পেটত ; পৈসল - প্ৰবেশ কৰিলে ; নিৰোধি- বন্ধ কৰি ; জিৱাবল - জী উঠিল ; বাউক - বতাহ ; সিমেলিৰ - শিমলুৰ ; থানে - ঠাইলৈ ; একগ্ৰাসা - এগহাও ; মুহিয়া - মোহিত কৰি।

## ৰাস-ঝুমুৰা

দেখ - চাওঁক ; কানু - কৃষ্ণ ; সঙ্গে - লগত ; ৰঙ্গ - আনন্দ ; মিলাৱত- মিলাইছে ; ভূষণ - অলঙ্কাৰ ; চাৰু - সুন্দৰ ; সুহাৱত - শোভা কৰে ; ভুৱন- পৃথিৱী ; ভুলাৱত - ভুলাই পেলাই ; লহু লহু - লাহে লাহে; মুৰুখ - মুৰ্খ , অজ্ঞানী ; গাৱত - গাইছে ; কৰ জোড়ি - হাতজোৰ কৰি ; হৰিকু - হৰিৰ, কৃষ্ণৰ ; আগু - আগত ; তোহাৰি - তোমাৰ ; বিচুৰি - বাদে; দুৰ্ল্লভ - পাবলৈ টান ; তুৱা - তোমাৰ ; বঞ্চবি নাহি - বিমুখ নকৰিবা ; হাসত - হাঁহিলে ; মেৰি মনমজিৰহু - মোৰ মন মজি থাকে ; কোঠেৰ - ক'ৰ ; বাত - কথা ; দেৱা- দেৱতাৰ (কৃষ্ণৰ); বগাৱলি - বগালি ; মেৱা - মোৰ ; সৱগোপ কামিনি- সকলো গোপ নাৰী ; তেজি - ত্যাগ কৰি ; সঙ্গ বঢ়াৱল - সঙ্গ ল'লো; সৱকহোধিক - সকলোতকৈ অধিক ; সোভাগিনি - ভাগ্যবান ; গড়াৱলি- নাশ কৰিলি ; ৰহস্যা - গোপন ; তাহে - তাক ; গৰৱ - গৌৰৱ ; যাদৱ- যদুকুলত জন্ম বাবে কৃষ্ণক যাদৱ বোলে ; কৈছন - কেনেকৈ ; বিগাৰি- বিকাৰ ; পামৰি - বেয়াস্বভাৱৰ ; গৰৱ - গৰ্ব ; বিমোহিত - আৱৰি থকা; ঐচন- এনেকুৱা ; কয়লো - কৰিলো ; ৰস - শৃঙ্গাৰাদিৰস; ৰসিক - শৃঙ্গাৰ ৰসৰ ধেমালি ভাল পাওঁতা ; কৰত - কৰিছে ; ভেলি - হ'ল ; অনঙ্গ- কামদেৱ; পৰশ- স্পৰ্শ।

## ভূষণ-হৰণ ঝুমুৰা

পাদপদ্ম - চৰণ কমল ; সুতিয়া - শুই থকা ; পানিক - পানী; ভৰে- ভয়ত ; মাৰিয়া - চুৰকৰি ; চোঞ্চাক ভয়ে - চোৰৰ ভয়ত ; জ্ঞান বিৰোহিত-

অচেতন হৈ ; একা - অকলে ; সুতিয়ে ৰহলছি - শুই আছিলো ; ৰাজবাট মহ-ৰাজপথৰ মাজতে; গোৱাৰিক ঠামে - গোৱালিনীৰ ঘৰত ; পুচিতে- সোধা; ৰহলি- ৰোৱা; থোষমোষ - ইতস্ততঃ কৰা ; লুকি দিয়ে - লুকাই দিয়ে; ঝুণ্টা - মিছা; গাৰি দিয়ে- গালি দি; আঞ্চোৰে- আচলত; আ!াদ- আনন্দিত।

**কোটোৰা-খেলা ঝুমুৰা**

কলিমল - কলিৰ অসূয়া ; মজ্জল - মজি ; ধঞ্জল - ধ্বংস কৰি, অশান্তি ; বুধজন - জ্ঞানীজন ; ৰোষমন - ক্রোধমন ; মৰষ - মৰিষণ কৰা; পামৰ - পাপী ; সান্তৰ - সাধুৰ ; বাজ - বাহিৰ ; যান্তে - যাওঁতে ; পসাৰ- দৈ; যাইতে - যাবলৈ ; আইচা - অহা ; জাঞাঁ - যোৰা ; বিকিকিনি- বিক্রী কৰা; ভেণ্টয় - ভেটি ; কভো - কেতিয়াও; বিগুতি - বান্ধি।

□□□



## মহাপুৰুষ মাধৱদেৱৰ নাট ঝুমুৰাৰ থকা শ্লোকসমূহৰ সৰল ভাঙনি ঃ

**অৰ্জ্জুন-ভঞ্জন ঃ**

ৰালায় নীলবপুযে তনুকিঙ্কিণীক-
ধ্বানাভিৰামজঘনায় দিগমম্বৰায়।
শাৰ্দ্দূলদিব্যনখভূষণভূষিতায়
নন্দাত্মজায় নৱনীত ভূজে নমস্তে।।1।।

**অৰ্থ** ঃ যাৰ শৰীৰ নীলবৰণৰ, দিগম্বৰ (শৰীৰত বস্ত্ৰ হীন), জঘনত ধাৰণ কৰা বিবিধমণিৰ ধ্বনিয়ে আনন্দদান কৰে, যাৰ ফুটফুটীয়া নখ অলঙ্কাৰেৰে ভূষিত হৈ যিজনে নৱনীত (মাখন) খাই আছে সেই নন্দৰ পুত্ৰক (কৃষ্ণক) নমস্কাৰ জনাইছো।

যো লোকভাৰোদ্ধৰনায় চক্রী-
চক্রেহৱতাৰং ৰসুদেৱ গেহে।
গোপীজনানন্দকৰো মুকুন্দঃ
পায়াত্ স ৰো যাদৱৰাজসিংহঃ।।2।।

**অৰ্থ** ঃ চৰাচৰ জগতক উদ্ধাৰৰ কাৰণে চক্রধাৰীয়ে (বিষ্ণুৱে) অৱতাৰ গ্ৰহণ কৰি গোপীসকলৰ মনত আনন্দদান কৰিছে, যিজনক যদুবংশৰ শ্ৰেষ্ঠৰূপে সকলোৱে লাভ কৰিছে সেই মুকুন্দক (কৃষ্ণক) প্ৰণাম জনাইছো।

ববন্ধ মাধৱঃ সৰ্ব্বং মায়য়া যোহখিলং জগৎ।
বধ্নাতি গোপী তমপি পশ্য ভক্তেৰ্ব্বলং মহৎ।। 3।।

**অৰ্থ** ঃ যিজনে (মাধৱে) মায়াৰ দ্বাৰা অখিল জগত বন্ধন কৰে সেইজন পৰমব্ৰহ্ম মাধৱক গোপী যশোদাই বন্ধন কৰিলে। চাওক, ভক্তৰ বলৰ মহিমা। অৰ্থাৎ ভগৱান ভক্তৰ অধীন।

ঘোষস্য মোহশমনায় মিথো গুণেন-
মধ্যে ৱবন্ধ জননী নৱনীতচৌৰম্।
তদ্বন্ধনং ত্ৰিজগতামুদাৰশ্ৰয়া না-

মাক্রোশকাৰণমহে নিতৰাম্বভূৱ।। 4।।

**অৰ্থ** ঃ গোৱালসকলৰ মোহ দূৰ কৰিবলৈ জননী যশোদাৰ হাতত নৱনীত (মাখন) চোৰ কৃষ্ণই ৰচীৰ দ্বাৰা বন্ধন ল'লে। তেওঁৰ বন্ধনত দুখ পাই ত্রিজগতৰ লোকে আৰ্তনাদ কৰিলে। যশোদাই তৰ্যনা কৰি (গালি পাৰি পাৰি) কৃষ্ণক উড়ুখলৰ সৈতে বান্ধি ৰাখিলে।

নক্ষত্রমিৱ নৱনীতকণাৱকীৰ্ণম্।
ৱক্ষঃ স্থলোদৰমগোচৰমাগমানাম্।।
বাষ্পাম্বুগাৰ্ভিত তৰঙ্গিত নেত্রপদ্মম্।
ব্রহ্ম স্মৰামি দৃঢ়বন্ধমুড়ুখলেন।। 5।।

**অৰ্থ** ঃ বুকু, পেট আদি সমগ্র শৰীৰত মাখন (নৱনীত) লাগি যাৰ শৰীৰ নক্ষত্রৰ দৰে প্রতিভাত হৈছে, যাৰ পদুমসদৃশ চকু দুটা পানীৰে উপচি আছে, দৃঢ়ভাবে উড়ুখলত বান্ধি থোৱা সেই পৰমব্রহ্ম কৃষ্ণক স্মৰণ কৰিছো।

পৰমিমমুপদেশমাদৃয়ধ্বং
নিগমৱনেষু নিতান্ত চাৰুখিন্নাঃ।
ৱিচিনুত ভৱনেষুবল্লৱীনা-
মুপনিষদৰ্থমুড়ুখলেনিবদ্ধম্।। 6।।
(উড়ুখলেনিবদ্ধং উপনিষদৰ্থং ৱিচিন্নৎ)

**অৰ্থ** ঃ (হে সামাজিক সকলঙ্গ) আপোনালোকক পৰম উপদেশ কৈছো শ্রদ্ধায়ে গ্রহণ কৰক। যিসকলে নিগমৰ মাজেদি অৰ্থাৎ বেদ আদি শাস্ত্র অধ্যয়ন কৰি ধ্যানৰ দ্বাৰা পৰমব্রহ্মক লাভ কৰিবলৈ শৰীৰ কৃশ (ক্ষীণ) কৰিছে, সেই বেদবচনক বাদ দি গোৱালী যশোদাৰ গৃহত সকলো উপনিষদৰ অৰ্থ ভগৱান পৰমব্রহ্ম উড়ুখলত বন্দী হৈ আছে। অৰ্থাৎ যশোদাই উড়ুখলত কৃষ্ণক বান্ধি ৰাখিছে।

ৱিনাৱাতং ৱিনাৱৰ্ষং ৱিদ্যুৎপ্রপতনং ৱিনা।
ৱিনা হস্তিকৃতংদোষং কেনেমৌ পাতিতৌ দ্রুমৌ।। 7।।

**অৰ্থ** ঃ বতাহ নোহোৱাকৈ বৰষুণ নোহোৱাকৈ, বজ্রপাত নোহোৱাকৈ, হস্তীসমূহে কোনো দোষ নকৰাকৈ এনেসময়ত কি দৰে গছজোপা (অৰ্জুনগছ) মাটিত বাগৰি পৰিল।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

**চোৰধৰা ঃ**

কস্তংৱাল বলানুস্ত্বমিহ কিং মন্মন্দিৰাশঙ্কয়।
বুদ্ধং তন্নৱনীতং কুম্ভৱিৱৰে হস্তং কিমৰ্থং ন্যসঃ।।
কৰ্ত্তুং তত্র পিপীলিকাপনয়নং সুপ্তাঃ কিমুদ্বোধিতা ৱালাঃ।
ৱৎস গতিং ৱিৱেক্তুমিতি সংজল্পন্ হৰি-পাতু ৱঃ।। 1।।

**অৰ্থ** ঃ তুমি ক'ৰ বালক তুমি বলাইৰ অনুজ মোৰ গৃহলৈ (মন্দিৰলৈ) কি কাৰণে শঙ্কাৰে (ভয় কৰি কৰি) প্রবেশ কৰিছা? মাখনৰ কলহত কি কাৰণে হাত ভৰাইছা? পৰুৱা (পিপীলিকা) আতৰাইছো বুলিকৈ শুই থকা শিশুক কিয় জগাই দিছা? শিশুৰূপত লীলা কৰা সেই হৰিয়ে সকলোকে ৰক্ষা কৰক।

কন্দুক্রীড়াৱিগলিতং ঘন স্বেদমুগ্ধানন শ্রীঃ।
কচ্চিদৃষ্টং কুৱলয়দলশ্যামলঃ কোপি ৱালঃ।।
পৃচ্ছন্ত্যেৱং পথি পথি যযৌ ৱ্যাকুলা নন্দপত্নী।
তীৰে তীৰে তপনদুহিতুঃ কৃষ্ণমন্বেষয়ন্তী।। 2।।

**অৰ্থ** ঃ "কন্দুকক্রীড়াৰ শ্রমৰ বাবে যাৰ মোহনীয় মুখ ঘামেৰে উপচি পৰিছে, কুৱলয়দলৰ দৰে শ্যামল বৰণৰ কোনো বালকক কোনোবাই দেখিছেনেকি" বুলি নন্দপত্নী যশোদাই ব্যাকুলিত হৈ পথিক সকলক সুধি সুধি ৰদৰ তাপত যমুনাৰ পাৰে পাৰে কৃষ্ণক বিচাৰি ফুৰিছে। (সেইজন শিশুৰূপী পৰমব্রহ্ম কৃষ্ণই সকলোকে ৰক্ষা কৰক।)

যো লোকভাৰোদ্ধৰণায় চক্রী
চক্রেহৱতাৰং ৱসুদেৱগেহে।
গোপীজনানন্দকৰো মুকুন্দঃ
পায়াৎ সৱো যাদৱ ৰাজসিংহঃ।। 3।।

**অৰ্থ** ঃ চৰাচৰ জগতক উদ্ধাৰৰ কাৰণে চক্রধাৰীয়ে (বিষ্ণুৱে) অৱতাৰ গ্রহণ কৰি গোপীসকলৰ মনত আনন্দদান কৰিছে যিজনক যদুবংশৰ শ্রেষ্ঠৰূপে সকলোৱে লাভ কৰিছে সেই মুকুন্দক (কৃষ্ণক) প্রণাম জনাইছো।

কন্দুক্রীড়া-ৱিগলিত-ঘনস্বেদমুগ্ধাননশ্রীঃ
কচ্চিত্দৃষ্টঃ কুৱলয়দলশ্যামলঃ কোহপি ৱালঃ।
পৃচ্ছত্যেৱং পথি পথি যযৌ ব্যাকুলা নন্দপত্নী
তীৰে তীৰে তপনদুহিতুৰ্কৃষ্ণমন্বেষয়ন্তী।। 4।।

**অৰ্থ** ঃ "কন্দুকক্রীয়াৰ শ্রমৰ বাবে যাৰ মোহনীয় মুখ ঘামেৰে উপচি পৰিছে, কুৱলয়দলৰ দৰে শ্যামল বৰণৰ কোনো বালকক কোনোবাই দেখিছেনেকি" বুলি নন্দপত্নী যশোদাই ব্যাকুলিত হৈ পথিক সকলক সুধি সুধি ৰদৰ তাপত যমুনাৰ পাৰে পাৰে কৃষ্ণক বিচাৰি ফুৰিছে।

## পিস্পৰা গুচোৱা ঝুমুৰা ঃ

কস্ত্বম্বাল বলানুজস্ত্বমিহ কিং মন্মন্দিৰাশঙ্কয়া
বুদ্ধং তন্নৱনীত কুম্ভ ৱিৱৰে হস্তং কিমৰ্থং ন্যসঃ।।
কৰ্ত্তুং তত্র পিপীলিকাপনয়নং সুপ্তাঃ কিমুদ্বোধিতাঃ
ৱালা ৱৎসগতিং ৱিৱেক্তুমিতি সংজল্পন্ হৰিঃ পাতু ৱঃ।। 1।।

**অৰ্থ** ঃ তুমি ক'ৰ বালক? তুমি বলাইৰ অনুজ মোৰ গৃহলৈ (মন্দিৰলৈ) কি কাৰণে শঙ্কাৰে (ভয় কৰি কৰি) প্রবেশ কৰিছা? মাখনৰ কলহত কি কাৰণে হাত ভৰাইছা? পৰুৱা (পিপীলিকা) আতৰাইছো বুলিকৈ শুই থকা শিশুক কিয় জগাই দিছা? শিশুৰূপত লীলা কৰা সেই হৰিয়ে সকলোকে ৰক্ষা কৰক।

**অপি চ** ঃৱদনে নৱনীতগন্ধৱাহং ৱচনে তস্কৰচাতুৰীধুৰীণম্।
নয়নে কুহকাশ্রুনাশ্রিতোযশ্চৰণে কোমলতাণ্ডৱংকুমাৰম্।। 2।।

**অৰ্থ** ঃ আৰু আছে — শৰীৰত মাখনৰ গন্ধ, কথাত চোৰৰ দৰে চাতুৰি, চকুত মিছা চকু পানী; সুকোমল কুমাৰৰ (কৃষ্ণৰ) তাণ্ডৱ (লীলা)। (সেই শিশুৰূপী হৰিক নমস্কাৰ জনাইছো।)

## ভূমি লেটোৱা ঝুমুৰা ঃ

মুগ্ধং নিপীতদুগ্ধং দধিকণদিগ্ধং ঘনাঘনস্নিগ্ধম্।
অম্বৰমিৱ তাৰকিতং কঞ্চন গোপাৱালকং ৱন্দে।। 1।।

**অৰ্থ** ঃ মেঘবৰণৰ স্নিগ্ধশৰীৰত খাই থকা গাখীৰ-দৈৰ কণা লাগি মোহনীয়



হোৱা, আকাশৰ নক্ষত্রৰ দৰে জিলিকি থকা শৰীৰৰ সেই গোপবালকক (কৃষ্ণক) বন্দনা কৰিছো।

নীতং নৱ নৱনীতং কেন চ পীতং পয়ঃ ক্ক মে মুৰলীম।।
ইতি সমুদীৰ্য্য লুঠন্তং ভূমৌ ৱালং নমামি বালগোপালম্।।
এৱং ভূতং ভূমৌ লুঠন্তং গোপালং নমামি।। 2।।

**অৰ্থ** ঃ "কোনে নতুনকৈ বনোৱা (নৱ নৱনীতং) মাখন লৈ গ'ল? কোনে গাখীৰ খাই গ'ল? (পয়ঃ শব্দই 'পানী'ক বুজায় যদিও ইয়াত 'গাখীৰ' অৰ্থত কোৱা হৈছে) কোনে মোৰ মুৰুলী লৈ গ'ল? "এই বুলি চিঞৰি চিঞৰি কৈ বালগোপালে মাটিত বাগৰি বাগৰি কান্দিলে। এনেদৰে মাটিত লুটি খাই পৰা গোপালক (কৃষ্ণক) নমস্কাৰ জনাইছো।

## ভোজনবিহাৰ ঝুমুৰা ঃ

নমঃ শ্রীকৃষ্ণৱাসুদেৱানন্তশক্তে-
নাৰায়ণাখিলগুৰোৰ্ভগৱান্নমস্তে।
নমো ব্রহ্মমূৰ্ত্তিশ্রীহৰে ৱিশ্বেশ্বৰ-
কমল নয়নাচ্যুত নমস্তে নমস্তে।। 1।।

**অৰ্থ** ঃ শ্রীকৃষ্ণবাসুদেৱ অনন্ত শক্তি নাৰায়ণ অখিল জগতৰ গুৰু-ভগৱান ব্রহ্মমূৰ্ত্তি, শ্রীহৰি, বিশ্বেশ্বৰ, পদ্মলোচন, অচ্যুত তোমাক নমস্কাৰ জনাইছো।

**অপি চ** ঃআৰু আছে-
ৱেদানামৰ্থতত্বজ্ঞং শ্রীশঙ্কৰৰূপিণং।
ৱন্দেতম্পৰমানন্দং সৰ্ব্বভূতৱিনাশকম্।। 2।।

**অৰ্থ** ঃ বেদাৰ্থ তত্বজ্ঞ শ্রীশঙ্কৰৰূপী, সৰ্বপ্রাণীৰ বিনাশকৰ্ত্তা পৰমানন্দক (কৃষ্ণক) বন্দনা কৰিছো।

**অপি চ** ঃআৰু আছে-
গোৱিন্দং পৰমানন্দং সঙ্গে গোপৈঃ সমন্বিতম্।
বৃন্দাৱনৱিহাৰিণং শ্রীকৃষ্ণং প্রণমাম্যহম্।। 3।।

**অৰ্থ** ঃ যি গোৱিন্দই গোপীসকলৰ লগত পৰম আনন্দেৰে বৃন্দাবনত বিহাৰ

(লীলা) কৰে সেই পৰমাত্মা শ্ৰীকৃষ্ণক প্ৰণাম জনাইছো।

ৱিভ্ৰদ্বেণুংজঠৰপটয়ো শৃঙ্গৱেত্ৰেচ কক্ষে
ৱামে পাণৌ মসৃণকমলং তৎফলান্যঙ্গুলীষু।
তিষ্ঠন্মধ্যেস্বপৰিসুহৃদো হাসয়ন্নৰ্ম্মভিঃ স্বৈঃ
স্বৰ্গলোকে মিষতি ৱিভুজে যজ্ঞভুগ্বাল কেলিঃ।। 4।।

**অৰ্থ** ঃ বাওঁকাষে শিঙা, বেত, বেণু লৈ কমল (পদ্ম) সদৃশ আঙুলিৰে ফলধৰি, সুহৃদসকলৰ মাজত বহি, তেওঁলোকৰ লগত পৰিহাস কৰি অন্ন গ্ৰহণ কৰিছিল, আকাশৰ দেৱতাসকলেও ভকতবৎসল যজ্ঞৰ ভাগলওঁতা কৃষ্ণৰ ধেমালি দেখা পালে। (সেই গোৱিন্দক প্ৰণাম জনাইছো।)

নাৰদো ভিক্ষুকব্যাজাদ্ বৃন্দাৱনাগতস্তদা।
বিষ্ণো বিষ্ণো তদাশংস্য প্ৰসাদং বুভুজে মুদা।।
মুনিৰাজস্ততঃ কৃষ্ণপাদচিহ্নাম্বুজাদিকম্।
বুভুজে শিৰসা স্পৃষ্ট্বা প্ৰেমাকুলিত মানসঃ।। 5।।

**অৰ্থ** ঃ নাৰদে ভিক্ষুকৰ বেশেৰে বৃন্দাবনত উপস্থিত হ'ল। বিষ্ণুৱে (কৃষ্ণই) অৱতাৰ গ্ৰহণ কৰি (শিশুসকলৰ মাজত) আনন্দেৰে প্ৰসাদ (অন্ন) ভোজন কৰিছে। তাকেদেখি মুনিয়েও (নাৰদে) প্ৰসাদ বিচাৰিলে। নাৰদে প্ৰসাদ গ্ৰহণ কৰি শ্ৰীকৃষ্ণৰ পাদপদ্মৰ চিহ্ন (চৰণৰ ধূলি) শিৰত লৈ প্ৰেমাকুলিত মনেৰে গুচি যায়।

## কোটোৰা-খেলা ঝুমুৰা ঃ

মুৰাৰিমুকুন্দং সুৰেশাদিৱন্দ্যং অৰণ্যেচৰন্তন্বয়স্যৈঃ ক্ৰীড়ন্তম্।
বৃহদ্ভাপুত্ৰ্যাদিগোৱাৰিণীনাং পসাৰং লুণ্ঠন্তং নমস্যে নমস্যে।।

**অৰ্থ** ঃ দেৱতাসকলেও যাক বন্দনা কৰে সেই মুৰাৰি মুকুন্দ অৰণ্যত (বৃন্দাবনত) ক্ৰীড়াকৰা, গোৱালিনীসকলৰ ক্ষীৰ, লৱণু লুণ্ঠন কৰা (কৃষ্ণক) নমস্কাৰ জনাইছো।

**অপি চ** ঃ আৰু আছে—

মুখে মন্দহাসং নখেন্দুপ্ৰকাশং কৰে চাৰুচক্ৰং সুৰেশাদিৱন্দ্যম্।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

ভুজঙ্গেশয়ানং ভজে ৱিশ্বনাথং হৰেৱন্যদেৱং ন মন্যে ন মন্যে।।

**অৰ্থ** ঃ যাৰ মুখত মৃদুহাঁহি, নখত জোনৰ দৰে সৌন্দৰ্য্য, হাতত সুন্দৰ চক্ৰ, যিজন ইন্দ্ৰাদি দেৱতাসকলৰো বন্দনীয়, যিজনক হৰ আদি অন্য দেৱতায়ো ভজনা কৰে অনন্তশয্যাত শায়িত ভজনীয় দেৱ বিশ্বনাথক (কৃষ্ণক প্ৰণাম) জনাইছো অন্য দেৱ নহয়।

## মহাপুৰুষ মাধৱদেৱৰ নাটকৰ শ্লোক সমূহৰ ছন্দ ঃ

মহাপুৰুষ মাধৱদেৱৰ নাচ ঝুমুৰাত বিভিন্ন ছন্দৰ ব্যৱহাৰ হৈছে। যেনে — বসন্ততিলক, ইন্দ্ৰবজ্ৰা, অনুষ্টুভ, মন্দাক্ৰান্তা, আৰ্য্যা, আৰ্যাগীতি, শাৰ্দূলবিক্ৰীড়িত, বৃত্তগন্ধি।

**অৰ্জুন-ভঞ্জন যাত্ৰা ঃ**

প্ৰথম শ্লোক ....। — বসন্ততিলক।
দ্বিতীয় শ্লোক ....। — ইন্দ্ৰবজ্ৰা।
তৃতীয় শ্লোক ....। — অনুষ্টুভ।
চতুৰ্থ শ্লোক ....। — বসন্ততিলক।
পঞ্চম শ্লোক ....। — বসন্ততিলক।
ষষ্ঠ শ্লোক ....। — বসন্ততিলক।
সপ্তম শ্লোক ....। — অনুষ্টুভ।

**চোৰধৰা ঝুমুৰা ঃ**

প্ৰথম শ্লোক ....। — ইন্দ্ৰবজ্ৰা।
দ্বিতীয় শ্লোক ....। — মন্দাক্ৰান্তা।

**ভূমি লেটোৰা ঝুমুৰা ঃ**

প্ৰথম শ্লোক ....। — আৰ্যা।
দ্বিতীয় শ্লোক ....। — আৰ্যাগীতি।

**পিম্পৰা গুচোৰা ঝুমুৰা ঃ**

প্ৰথম শ্লোক ....। — শাৰ্দুলবিক্ৰীড়িত।
দ্বিতীয় শ্লোক ....। — আৰ্যাগীতি।

**ভোজন বিহাৰ ঝুমুৰা ঃ**

প্ৰথম শ্লোক ....। — বৃত্তগন্ধি (গদ্যৰূপ)।
দ্বিতীয় শ্লোক ....। — অনুষ্টুভ।
তৃতীয় শ্লোক ....। — মান্দাক্ৰান্তা।
চতুৰ্থ শ্লোক ....। — অনুষ্টুভ।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

**গীত ঃ**

মহাপুৰুষ মাধৱদেৱৰ বিৰচিত অঙ্কীয়া নাট আৰু ঝুমুৰাসমূহতো যথেষ্ট গীতৰ প্ৰভাৱ দেখা যায়। তাৰে ভিতৰত 'অৰ্জুন-ভঞ্জন'ত 8(আঠ), 'চোৰধৰা'ত 6(ছয়), 'পিম্পৰা গুচোৰা'ত 3(তিনি), 'ভূমি লেটোৰা'ত 5(পাঁচ), 'ভোজনবিহাৰ'ত 3(তিনি), 'ব্ৰহ্মামোহন' 5(পাঁচ), 'ৰাস ঝুমুৰা'ত 5(পাঁচ), 'ভূষণ-হৰণ'ত 5(পাঁচ), 'কোটোৰা খেলা'ত 6(ছয়)টা গীত পোৱা যায়। গীতসমূহত যিবোৰ ৰাগ আৰু তালৰ প্ৰয়োগ কৰিছে তলত উল্লেখ কৰা হ'ল—

**।। অৰ্জুন-ভঞ্জন।।**

1) ৰাগ ঃ সিন্ধুড়া।। একতাল
2) ৰাগ বড়াৰি।। পৰিতাল
3) ৰাগ ঃ গৌৰী।। পৰিতাল, জৌতি
4) ৰাগ ঃ কমোদ।। জৌতিমান
5) ৰাগ ঃ কানাড়া।। পৰিতাল
6) ৰাগ ঃ বেলোৱাৰ।। ৰূপক তাল
7) ৰাগ ঃ তুড় ভাটিয়ালি।। জতি তাল
8) ৰাগ ঃ কৈলাণ।। খৰমান

**।। চোৰধৰা।।**

1) ৰাগ বসন্ত।। তাল জতি
2) ৰাগ আসোআৰি।। পৰিতাল
3) ৰাগ ঃ বেলোৱাৰ।। একতালি
4) ৰাগ আসোৱাৰি।। পৰিতাল
5) ৰাগ ঃ শ্ৰী ।। পৰিতাল
6) ৰাগ ঃ বড়াৰি ।। এতালি

**।। পিম্পৰা গুচোৰা ঝুমুৰা।।**

1) ৰাগ-শ্ৰীগান্ধাৰ ।। পৰিতাল
2) ৰাগ ঃ শ্ৰী ।। জতিতাল
3) ৰাগ ঃ ভাটিয়ালি ।। একতাল

**।। ভূমি লেটোৰা ঝুমুৰা।।**

1) ৰাগ ঃ আসোৱাৰি ।। পৰিতাল
2) ৰাগ ঃ ভাটিয়ালি ।। একতালি
3) ৰাগ ঃ শ্ৰী ।। জতি
4) ৰাগ ঃ স্যাম।। পৰিতাল
5) ৰাগ ঃ শ্ৰী ।। জতি তাল

**।। ভোজনবিহাৰ ঝুমুৰা।।**

1) ৰাগ-সিন্ধুড়া ।। পৰিতাল
2) ৰাগ-বসন্ত ।। জতিমান
3) ৰাগ ঃ শ্ৰী ।। জতিমান

**।।ব্ৰহ্মামোহন ঝুমুৰা।।**

1) ৰাগ-সিন্ধুৰা।।

2) ৰাগ ।। কানড়া ।।

3) ৰাগ ।। কানড়া

4) ৰাগ ।। কানড়া

5) ৰাগ ।। বেলোৱাৰ

**।। ভূষণ-হৰণ ঝুমুৰা।।**

1) ৰাগ-ভাঠিআলি ।। একতাল

2) ৰাগ শ্ৰী ।। একতাল

3) ৰাগ-গৌৰী ।। পৰিতাল

4) ৰাগ আশোআৰি ।। পৰিতাল

5) ৰাগ ঃ ধনশ্ৰী ।। একতাল

**।। ৰাস-ঝুমুৰা।।**

1) ৰাগ-বেলোৱাৰ ।। ৰূপক তাল

2) ৰাগ ঃ বেলোৱাৰ ।। ৰূপক তাল

3) ৰাগ ঃ কৌ ।। জাতিমান

4) ৰাগ মাউৰ ।। মান জোতি

5) ৰাগ ঃ কল্যাণ ।। খৰমান

**।। কোটোৰা-খেলা ঝুমুৰা।।**

1) ৰাগ ঃ শ্ৰী ।। পৰিতাল

2) ৰাগ ঃ ভাটিআলি ।। একতাল

3) ৰাগ বৰাড়ি ।। একতাল

4) ৰাগ ঃ সিন্ধুৰা ।। তাল-ৰূপক

5) ৰাগ ঃ বৰাড়ি ।। একতাল

6) ৰাগ ঃ কানাড়া ।। পৰিতাল।।

শঙ্কৰদেৱ-মাধৱদেৱৰ অঙ্কীয়া নাট আৰু ঝুমুৰা

# Thanks

# ধন্যবাদ

# জয় গুৰু শঙ্কৰ